# অঙ্গীকাৰ

মে' ১৯৭৫ মূল্য ২'০০

- কংগ্ৰেচ ৰাজ আৰু গণতান্ত্ৰিক অধিকাৰ।
- চীন আৰু তৃতীয় বিশ্ব।
- নাগালেণ্ড : শান্তিপূৰ্ণ সমাধান সম্ভৱনে ?
- মাৰ্ক্স বাদ আৰু সংশোধনবাদ।
- অসমীয়া কবিতা।
- মাৰ্ক্স বাদৰ অ-আ, ক-খ।
- আহোম যুগৰ সামৰিক সংগঠন।
- সাংস্কৃতিক পৰ্য্যালোচনা, কবিতা।

OKDISCD

# ॥ সূচীপত্ৰ ॥


| | | পৃষ্ঠা |
|---|---|---|
| সম্পাদকীয় | | |
| চীন আৰু তৃতীয় বিশ্ব | চিৰণজিৎ চলিহা | ১ |
| নাগালেণ্ড : শান্তিপূৰ্ণ সমাধান সম্ভৱ নে ? | উদয়ন মিশ্ৰ | ১৫ |
| অসমীয়া কবিতা | অৰূপ গোস্বামী | ২৯ |
| মাৰ্ক্সবাদ আৰু সংশোধনবাদ | ডিম্বেশ্বৰ বড়া | ৪১ |
| মাৰ্ক্সবাদৰ অ-আ, ক-খ । | দিবাকৰ | ৪৭ |
| আহোম যুগৰ সামৰিক সংগঠন । | মনোৰমা শৰ্ম্মা | ৫৬ |
| সাংস্কৃতিক পৰ্য্যালোচনা । | সঞ্জীৱ কলিতা | ৬৮ |
| কবিতা | [ জ্ঞান পূজাৰী, পবিত্ৰ চুতিয়া, অতুল গোস্বামী, হৰপ্ৰিয়া বাৰুকিয়াল, অজিত বৰদলৈ আৰু লিলি গগৈ ] | |


● 'অঙ্গীকাৰ'ৰ উদ্দেশ্য হ'ল শিল্প-সাহিত্যৰ দ্বাৰা জনগণৰ মাজত শ্ৰেণী সংগ্ৰামৰ চেতনাবোধ তীব্ৰতৰ কৰি তোলা। এই উদ্দেশ্যৰ বিৰোধিতা কৰা কোনো গল্প, কবিতা বা প্ৰবন্ধ, 'অঙ্গীকাৰ'ত প্ৰকাশ কৰা নহয়। 'অঙ্গীকাৰত প্ৰকাশৰ বাবে পঠোৱা প্ৰবন্ধ-পাতি "শ্লোগান"ৰ ভঙ্গীত নহৈ শিল্প-গুণসম্পন্ন হোৱাটোহে কাম্য। সহজ-সৰল ভাষাত, সৰ্ব্বসাধাৰণ ৰাইজে বুজিব পৰাকৈ লিখা প্ৰবন্ধ-পাতি আমালৈ পঠাবলৈ পাঠক-পাঠিকা সকললৈ অনুৰোধ জনালো।

● ঠিকনা : 'অঙ্গীকাৰ', C/o উদয়ন মিশ্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়।

● বছেৰেকীয়া বৰঙণি : ৬৲ টকা মাত্ৰ।

**সম্পাদকীয় :**

## কংগ্ৰেছৰাজ আৰু গণতান্ত্ৰিক অধিকাৰ।

কংগ্ৰেছ চৰকাৰে অতি দ্ৰুতগতিত ফেচিবাদী স্বৰূপ লৈছে বুলি ক'লে বঢ়াই কোৱা নহ'ব। সাম্প্ৰতিক ঘটনাৱলীয়ে এই কথা ইমান স্পষ্ট ভাবে প্ৰমাণিত কৰিছে যে কংগ্ৰেছ দলৰে এচাম লোকে এতিয়া আওপকীয়াকৈ হ'লেও নিজৰ দলৰ ফেচিবাদী নীতিসমূহ স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। ভাৰতৰ সংবিধানে এই দেশৰ জনসাধাৰণক যিখিনি গণতান্ত্ৰিক অধিকাৰ কাগজে-কলমে হ'লেও যোৱা কেইবা বছৰো ধৰি দিছে। কংগ্ৰেছ ৰাজে সংসদত বিপুল সংখ্যা গৰিষ্ঠতাৰ সুবিধা লৈ সেইবোৰ কাঢ়ি লৈ গৈ আছে। দেশৰ সাৰ্বভৌমত্ব বিপদাপন্ন বুলি ১৯৬২ চনৰ পৰাই ( মাজতে ৩ বছৰ বাদ দি ) ভাৰতত জৰুৰীকালীন অৱস্থা চলাই ৰাখি DIR, MISA ইত্যাদি আইনৰ দ্বাৰা ৰাইজৰ ক্ষোভ আৰু প্ৰতিবাদৰ পথ বন্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। জনগণৰ সৰ্বাঙ্গীন মুক্তি আৰু প্ৰগতিত বিশ্বাসী আদৰ্শবান হাজাৰ-হাজাৰ ৰাজনৈতিক কৰ্মী আজি ভাৰতৰ বিভিন্ন জেলত অমানুষিক অত্যাচাৰৰ সন্মুখীন হৈছে।' কংগ্ৰেছৰ গুণ্ডাদলে কলিকতাত যোৱা ২ এপ্ৰিলৰ দিনা শ্ৰীজয় প্ৰকাশ নাৰায়ণ আৰু তেওঁৰ সমৰ্থকসকলৰ সভাখন যেনেদৰে ভাঙি দিলে তাক কংগ্ৰেছৰ ফেচিবাদী নীতিৰ এক স্পষ্ট নিদৰ্শন বুলি ক'ব পাৰি। ইয়াৰ বাহিৰেও শ্ৰমিক-কৃষক আন্দোলনসমূহ C. R. P. আৰু পুলিচ বাহিণীৰ সহায়ত দমন কৰা, কংগ্ৰেছ-বৰোধী ৰাজনৈতিক দলৰ দ্বাৰা গঠিত প্ৰাদেশিক চৰকাৰ সমূহৰ যি কোনো প্ৰকাৰে পতন ঘটাই তাত ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্তন কৰা আৰু কংগ্ৰেছ দলৰ সুবিধা নোহোৱালৈকে নতুন নিৰ্বাচন নপতা, নিৰ্বাচনত শাসক দলৰ অসৎ উপায় অৱলম্বন, চিকিমৰ দৰে ওচৰচুবুৰীয়া দেশবোৰৰ প্ৰতি চৰকাৰী নীতি, ইত্যাদি বহুতো দৃষ্টান্ত পোৱা যায়। ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ সমূহ নিৰ্মূল কৰাৰ দুষ্কাৰ্য্যত কংগ্ৰেছক চৰ্তহীনভাবে সমৰ্থন আগ বঢ়াইছে চি, পি. আই আৰু চোভিয়েট কমিউনিষ্ট পাৰ্টিয়ে। চোভিয়েট ইউনিয়নে ইন্দিৰা চৰকাৰক বিশ্বৰ এক প্ৰকৃত বিপ্লৱী চৰকাৰ বুলি স্বীকৃতি দিছে, আৰু চি, পি; আই দলে বিজয়াৱাদাত হৈ যোৱা দশম কংগ্ৰেছত সিদ্ধান্ত লৈছে যে কংগ্ৰেছৰ ভিতৰৰ "প্ৰগতিশীল" লোকসমূহক লৈ কেন্দ্ৰত এটা Government of Left and democratic unity পতা উচিত। এনেদৰে বিজয়াৱাদা কংগ্ৰেছত গ্ৰহণ কৰা সংশোধনবাদী পথ চূড়ান্তভাবে বাচি লৈছে। চোভিয়েট ইউনিয়নেও নিজৰ বিশ্বাসী অনুচৰ ডাঙ্গেক 'অৰ্ডাৰ অব লেনিন' সন্মানেৰে সম্বৰ্দ্ধিত কৰিছে।

OKDISCD

গণতান্ত্ৰিক অধিকাৰসমূহ ৰক্ষাৰ অৰ্থে সমগ্ৰ দেশতে আজি আন্দোলন গঢ় লৈ উঠিছে। ই এটা অতি শুভ লক্ষণ। এই আন্দোলনক কেবল 'জয়প্ৰকাশৰ আন্দোলন' বুলি আখ্যা দিয়াটো ভুল হ'ল। কাৰণ, জয়প্ৰকাশ নাৰায়ণৰ ব্যক্তিত্বৰ বাহিৰেও এই আন্দোলনৰ গুৰিতে আছে ভাৰতীয় জনতাৰ বহু বছৰৰ সঞ্চিত ক্ৰোধ। জয়প্ৰকাশৰ 'সম্পূৰ্ণ বিপ্লবে' শ্ৰমিক আৰু দুখীয়া কৃষকক ৰাজনৈতিক ক্ষমতা দিব নোৱাৰিব আৰু তেনে আশা কৰাটোও মূৰ্খামী। কিন্তু এটা কথা স্বীকাৰ কৰিবই লাগিব যে জয়প্ৰকাশে নেতৃত্ব দিয়া আন্দোলনে ভাৰতৰ বিভিন্ন ঠাইৰ, বিশেষকৈ বিহাৰৰ, জনসাধাৰণক নিজৰ হেৰোৱা গণতান্ত্ৰিক অধিকাৰসমূহৰ বিষয়ে সজাগ কৰি তুলিছে। দেশৰ বিভিন্ন কোণৰ পৰা সেয়েহে আজি দাবী উঠিছে যে জৰুৰীকালীন অৱস্থাৰ অবসান ঘটোৱা হওক, জনগণৰ সামান্য গণতান্ত্ৰিক অধিকাৰসমূহ ৰক্ষা কৰা হওক। সাধাৰণ মধ্যবিত্ত আৰু শ্ৰমিক শ্ৰেণীৰ কিছু অংশও যে ৰাজনৈতিক অধিকাৰ সম্পৰ্কে সজাগ হৈছে সি এটা উল্লেখযোগ্য ইতিবাচক পদক্ষেপ। কিন্তু এই আন্দোলন যে মূলতঃ বুৰ্জোৱা অধিকাৰৰ বাবে কৰা আন্দোলন সেই কথা অনস্বীকাৰ্য্য! গতিকে এই আন্দোলনে শোষিত জনগণৰ জীৱনলৈ আমূল পৰিবৰ্তন আনিব কেতিয়াও নোৱাৰে। কিন্তু এই আন্দোলনে যি ৰাজনৈতিক চেতনা জগাই তুলিছে তাক সুপৰিকল্পিত ভাবে সংগঠিত কৰিলে ভৱিষ্যতৰ সমাজ বিপ্লৱত ই এটা প্ৰধান শক্তি হৈ পৰিব।

০০()০০

## কেম্বডিয়া ঃ

যোৱা ১৭ এপ্ৰিলৰ দিনা কেম্বডিয়াৰ প্ৰতিক্ৰিয়াশীল পুতলা চৰকাৰে কমিউনিষ্ট বাহিনীৰ হাতত আত্মসমৰ্পণ কৰে। ইয়াৰ লগে লগেই সেই দেশত বহু বছৰ ধৰি চলি অহা মুক্তি সংগ্ৰামৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়ৰ সমাপ্তি ঘটিল। আজিৰে পৰা পাঁচ বছৰ পূৰ্বে C. I. A. ৰ ষড়যন্ত্ৰৰ ফলত কেম্বডিয়াৰ যুৱৰাজ নৰদম চিহানুক ক্ষমতাচ্যুত হয় আৰু এমেৰিকাৰ বহতীয়া হিচাবে লন নল চৰকাৰে দেশ চলাবলৈ লয়। সেই সময়ত সাম্ৰাজ্যবাদী যুক্তৰাষ্ট্ৰই ভাবিবই পৰা নাছিল যে সিহঁতৰ এই কাৰ্য্যই বিপ্লৱী শক্তিসমূহক ইমান সহায় কৰিব। কেম্বডিয়াৰ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত খেমেৰ ৰু'জ গেৰিলা সকলে দীৰ্ঘদিন ধৰি সংগ্ৰাম চলাই আহিছিল আৰু এই সংগ্ৰামৰ তীব্ৰ বিৰোধিতা কৰিছিল চিহানুক চৰকাৰে। কিন্তু চিহানুকক যেতিয়া ক্ষমতাৰ পৰা আঁতৰোৱা হ'ল তেতিয়া তেওঁ



তেওঁৰ এসময়ৰ শত্ৰুসকলৰ লগত একেলগ হৈ মুক্তি সংগ্ৰামত লিপ্ত হৈ পৰিল। যুৱৰাজ চিহানুকক মুৰব্বী হিচাবে লৈ ৰাষ্ট্ৰীয় একতা চৰকাৰ ( Govt of National Union ) গঠিত হ'ল। ইয়েই হ'ল কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত গঠিত সাম্ৰাজ্যবাদ বিৰোধী জাতীয় যুক্তফ্ৰণ্ট।

কেম্বডিয়াৰ বিপ্লৱী শক্তিসমূহৰ এই চমকপ্ৰদ সাফল্যই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ বিশ্বৰ বিপ্লৱী শক্তিসমূহৰ আগত দাঙি ধৰিছে। পোন প্ৰথমতে যেতিয়া চীনে যুৱৰাজ চিহানুকক সমৰ্থন জনাইছিল আৰু সকলো প্ৰকাৰৰ সহায়-সহযোগিতাৰ প্ৰতিশ্ৰুতি দিছিল, তেতিয়া বিশ্বৰ বিভিন্ন মহলত চীনৰ এই কাৰ্য্যক সন্দেহৰ চকুৰে চোৱা হৈছিল! চীন বিৰোধী মহলে এই বুলি প্ৰচাৰ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল যে চীনে হেনো এজন প্ৰতিক্ৰিয়াশীল যুৱৰাজক সমৰ্থন যোগাইছে। সেইবাবেই হয়তো চোভিয়েট ৰাচিয়াই যুৱৰাজ চিহানুকৰ নেতৃত্বাধীন বিপ্লৱী চৰকাৰক অৱজ্ঞা কৰি সৌ সিদিনালৈকে লন নল চৰকাৰৰ লগত কুটনৈতিক সম্পৰ্ক ৰক্ষা কৰিছিল। কেম্বডিয়াত কমিউনিষ্ট খেমেৰ ৰু'জ সকলৰ সুনিশ্চিত বিজয়ে কেৱল চীনৰ বৈদেশিক নীতিৰ শুদ্ধতাকেই প্ৰমাণ কৰা নাই; ই বিশ্ব কমিউনিষ্ট আন্দোলনত চীনৰ ভূমিকা প্ৰতিপন্ন কৰিছে। যুৱৰাজ চিহানুকে স্পষ্টভাৱে জানিবলৈ দিছে যে কেম্বডিয়াৰ নতুন চৰকাৰত তেওঁৰ কৰিবলগীয়া বৰ বিশেষ নেথাকিব। ৰাষ্ট্ৰ প্ৰধান হৈ থাকিলেও তেওঁ কমিউনিষ্ট খেমেৰ সকলৰ নীতি অনুসৰি চলিব। কেম্বডিয়াৰ কমিউনিষ্ট সাফল্য কেৱল সাম্ৰাজ্যবাদী সকলৰ বাবেই চৰম পৰাজয় বুলি ধৰিলে ভুল কৰা হ'ব। দ'কৈ ভাবি চাবলৈ গ'লে কেম্বডিয়াৰ ঘটনাসমূহ চোভিয়েট সামাজিক সাম্ৰাজ্যবাদী সকলৰ বাবে অধিক মৰ্মান্তিক। কিয়নো কেম্বডিয়া আৰু ভিয়েটনামৰ বিপ্লৱী শক্তিসমূহৰ সাফল্যই চোভিয়েটৰ শান্তিপূৰ্ণ উত্তৰণৰ 'তত্ত্ব' যে সম্পূৰ্ণ ফোপোলা তাকেই পুনৰায় প্ৰতিপন্ন কৰিছে! দক্ষিণ পূব এচিয়াৰ কমিউনিষ্ট নেতৃত্বাধীন জাতীয় মুক্তি সংগ্ৰাম সমূহে প্ৰমাণ কৰি দিছে যে দীৰ্ঘদিন ধৰি চলি থকা সশস্ত্ৰ সংগ্ৰামৰ দ্বাৰাহে সাম্ৰাজ্যবাদৰ পতন ঘটাই জনতাৰ, মুক্তি অনাটো সম্ভৱ। যিমান দিন এই সংগ্ৰাম মাৰ্ক্সবাদ-লেনিনবাদৰ সঠিক তত্ত্বৰ দ্বাৰা পৰিচালিত হ'ব, ইয়াৰ বিজয় সুনিশ্চিত। কেম্বডিয়া আৰু ভিয়েটনাম সমগ্ৰ বিশ্বৰ বিপ্লৱী জনতাৰ বাবে গৌৰৱময় শিক্ষা স্বৰূপ। মাও চে-তুঙে কৈছে ঃ All reactionaries are paper tigers! কেম্বডিয়া-ভিয়েটনামৰ জনগণে এই কথাষাৰৰ শুদ্ধতা প্ৰমাণ কৰি দেখুৱালে। তেওঁলোকে লগতে এইটোও প্ৰমাণ কৰি দিলে যে শান্তিপূৰ্ণ উত্তৰণৰ পথ প্ৰতিক্ৰিয়াৰ পথ, আৰু কেৱল মাত্ৰ সশস্ত্ৰ গণ-সংগ্ৰামৰ সন্মুখতহে সাম্ৰাজ্যবাদীসকল কাগজৰ বাঘত পৰিণত হয়।

OKDISCD

## ইন্দোচীন

সঞ্জীৱ কলিতা

এক দীপ্ত আশ্বাসত বুকু ভৰি গল।

শুকান সাগৰৰ মাজত
সেউজীয়া পাহাৰটোত
বৰফ খহাৰ শব্দ শুনি
তোমালৈ ববকৈ মনত পৰিল, কম্‌ৰেড।

জীৱনে জীৱনে য'ত টিঙিৰি তুলা
মৰণ য'ত নতুন ইতিহাস
আকাশ–নক্ষত্ৰ উজ্জ্বল,
আৰু কবিতা কোমল দুবৰীৰ লানি
সেই হেঙুল দেশৰ তুমি প্ৰথম কবি,
উষাব প্ৰান্তৰৰ প্ৰথম প্ৰেমিক।

মাজৰাতি এতিয়া আৰু কোনো চৰাই
সেই দেশত চকুখাই নুঠে।
পুৱা সাৰ পাই আতঙ্কত বিহ্‌বল
কোনেও ফেঁকুৰী নেকান্দে
নবজাত শিশুৰ আধা পোৰা শৰীৰ
নতুন ৰোগত আক্ৰান্ত হোৱাৰ আগতেই আজি
এক দীপ্ত আশ্বাসত
বুকু ভৰি গল।

হে মোৰ প্ৰিয় প্ৰতিবেশী
নাৰিকল গছৰ বৈ পৰা ছাঁত
এতিয়া খন্তেক বোৱা
দক্ষিণৰ সেউজীয়া ধাননিৰ মাজত
এবাৰ দীঘলকৈ উশাহ লোৱা।

আমি এদিন লগ হ'ম।
পৰস্পৰে পৰস্পৰক আকোৱালি ল'ম।
হৃদয়ৰ উমেৰে দুদণ্ড সুখ দুখৰ কথা পাতিম।
মোৰ স্বদেশলৈ
আকাশতকৈও সুন্দৰ যি দিন
আটাইতকৈ জ্বালাময় যি গান
সেয়া এতিয়াও আমি গোৱা নাই।
কিন্তু সোনকালেই গাম।

সেউজীয়া পাহাৰৰ শিখৰে শিখৰে
হে মোৰ প্ৰিয় প্ৰতিবেশী—
আমি এদিন লগ হম,
ইতিহাসৰ উজ্জ্বল ৰামধেনুৰ তলত।

—o—

## চীন আৰু তৃতীয় বিশ্ব — এক নতুন ৰাজনীতি।

—চিৰণজিৎ চলিহা।

উনবিংশ শতাব্দী ও এই শতাব্দীৰ আৰম্ভণীৰে পৰা চতুৰ্থ দশকলৈকে থকাৰ দৰে, বিশ্ব বিপ্লৱৰ ঘাই সুঁতিটো এতিয়া আৰু ইউৰোপত নাই। বৰঞ্চ এচিয়া, আফ্ৰিকা, লেটিন আমেৰিকাৰে গঠিত তৃতীয় বিশ্বতহে ই প্ৰবাহিত হৈছে। চল্লিশৰ দশকৰ পৰাই তৃতীয় বিশ্বৰ ঔপনিবেশিক আৰু অৰ্দ্ধ ঔপনিবেশিক দেশ সমূহত জাতীয় মুক্তি সংগ্ৰাম আৰম্ভ হবলৈ ধৰিলে আৰু এতিয়া এই সংগ্ৰামে তাৰ চূড়ান্ত পৰ্য্যায় পাইছেগৈ। ইতিমধ্যে অন্যান্য বহু নতুন দেশতো এনে সংগ্ৰাম আৰম্ভ হোৱা পৰিলক্ষিত হৈছে আৰু সিবিলাক দেশতো সংগ্ৰাম তীব্ৰ বেগেৰে লক্ষ্যপূৰণৰ ফালে আগুৱাই গৈছে। মোজাম্বিকৰ দুৰ্গম অৰণ্যৰ পৰা আৰম্ভ কৰি দক্ষিণ পুব–এচিয়াৰ সুবিশাল ভূখণ্ডৰ মাজেৰে দক্ষিণ আমেৰিকাৰ বিস্তৃত পাহাৰ পৰ্য্যন্ত বনজুইৰ দৰে মুক্তি সংগ্ৰাম বিয়পি পৰিছে। সাম্ৰাজ্যবাদ, উপনিবেশবাদ, বৰ্ণবৈষম্যৰ বিৰুদ্ধে মোজাম্বিক, এঙ্গোলা, জিম্বাবয়ে নামিবিয়াৰ জনগণৰ সশস্ত্ৰ সংগ্ৰাম; ৰুছীয়া আৰু আমেৰিকা এই দুই বৃহৎ শক্তিৰ প্ৰভাৱৰ পৰা লাহে লাহে মুক্ত হৈ ইজৰাইলী সম্প্ৰসাৰণবাদৰ বিৰুদ্ধে আৰব ও পেলেষ্টাইনীয় জনগণৰ সংগ্ৰাম; সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ইন্দোচীনৰ জনগণৰ গৌৰৱোজ্জ্বল সংগ্ৰাম; দুই বৃহৎ শক্তিৰ আধিপত্যৰ বিৰুদ্ধে লাটিন আমেৰিকাৰ দেশসমূহৰ ঐক্যবদ্ধতা আদি ইয়াৰে প্ৰমাণ। ইয়াৰোপৰি তৃতীয় বিশ্বৰ অসংখ্য সৰু-সুৰা জাতি–উপজাতিৰ জাতীয় মুক্তি সংগ্ৰামেও ইতিমধ্যে ঠন ধৰি উঠিছে। এনে পটভূমিত সমাজবাদী দেশ হিচাবে তৃতীয় বিশ্বৰ প্ৰতি চীনে লোৱা বৈদেশিক নীতি স্বাভাৱিকতে এক বিচাৰ্য্য বিষয়। এনে বিশ্লেষণৰ প্ৰয়োজনীয়তা বৰ্তমান বেছি হৈ পৰিছে এই কাৰণেই যে চীনা বৈদেশিক নীতি সম্পৰ্কে নানা অপপ্ৰচাৰ অকল বুৰ্জোৱা মহলৰ পৰাই চলিছে এনে নহয়, বৰঞ্চ কিছুমান সংশোধনবাদী কমিউনিষ্ট পাৰ্টিয়েও এনে ঘৃণনীয় অপপ্ৰচাৰত পুৰাদমে নামি পৰিছে। এই ক্ষেত্ৰত ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিও বাদ পৰা নাই। দুয়োটা দলৰে এনে অপপ্ৰচাৰৰ মাজত থকা পাৰ্থক্যকণ ইমানেই মাথো যে ডাঙ্গেপন্থীহঁতে যেনিবা দেখ্‌দেখকৈয়ে ছোভিয়েট ইউনিয়নৰ পক্ষ লৈ চীনা কমিউনিষ্ট পাৰ্টিক আক্ৰমণ কৰে আৰু চি· পি· এম· য়ে যেনিবা ক্ষেত্ৰবিশেষে চীনৰ প্ৰতি অলপ নৰম (?) মনোভাৱ লৈ চীনা কমিউনিষ্ট পাৰ্টিক আক্ৰমণ কৰে। কিন্তু মূলতঃ দুয়োটা একে পানীৰে মাছ।

OKDISCD

তৃতীয় বিশ্বৰ দেশসমূহৰ অৰ্থনৈতিক ও ৰাজনৈতিক পৰিস্থিতি বিশ্বৰ অন্যান্য অংশৰ অৰ্থনৈতিক ও ৰাজনৈতিক পৰিস্থিতিৰ পৰা সম্পূৰ্ণ পৃথক কৰি চাব নোৱাৰি। ৰুছ-মাৰ্কিন বৃহৎশক্তিদ্বয়ৰ প্ৰত্যক্ষ ও পৰোক্ষ উচটনিত ইউৰোপৰ ওপৰেদি যি শীতল যুদ্ধৰ ( Cold War ) বতাহ বলি আছে সি বেলেগ ৰূপত হ'লেও এচিয়া-আফ্ৰিকা-লেটিন আমেৰিকাৰ দেশসমূহৰ ওপৰেদিও প্ৰবাহিত নোহোৱাকৈ থকা নাই। বৰ্তমান বিশ্ব পৰিস্থিতি সম্পৰ্কে চীনা কমিউনিষ্ট পাৰ্টিৰ শেহতীয়া বিশ্লেষণ এইখিনিতে উল্লেখযোগ্য। চীনা কমিউনিষ্ট পাৰ্টিয়ে কয় যে আজিৰ বিশ্ব স্পষ্টভাবে তিনিটা শিবিৰত ভাগ হৈ গৈছে। [ প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে যেতিয়ালৈকে ছোভিয়েট ইউনিয়ন তথা পূব ইউৰোপীয় কমিউনিষ্ট দেশসমূহৰ সংশোধনবাদী ভূমিকা প্ৰকাশ্য হৈ পৰা নাছিল, অৰ্থাৎ যেতিয়ালৈকে চীনে বিশ্ব সমাজবাদী শিবিৰৰ অস্তিত্ব স্বীকাৰ কৰি আছিল তেতিয়ালৈকে এই বিশ্লেষণ চীনে ডাঙি ধৰা নাছিল। ] এই তিনিটা শিবিৰ ক্ষেত্ৰবিশেষে পৰস্পৰৰ লগত সংযুক্ত, আকৌ ক্ষেত্ৰবিশেষে পৰস্পৰৰ বিৰোধী। ঠিক সেই দৰেই একেটা শিবিৰৰ ভিতৰতে আকৌ বুজাপৰা আৰু বিৰোধ উভয়েই বিৰাজমান। দুই বৃহৎ শক্তি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ইউনিয়নক লৈ গঢ়ি উঠিছে প্ৰথমটো শিবিৰ। চীনে ইয়াক প্ৰথম বিশ্ব ( First World ) বুলি অভিহিত কৰিছে। ইফালে এচিয়া, আফ্ৰিকা আৰু লাটিন আমেৰিকাৰ উন্নয়নশীল দেশসমূহক লৈ গঢ়ি উঠিছে তৃতীয় বিশ্ব বা Third world। আৰু এই দুই শিবিৰৰ মধ্যৱৰ্তী উন্নত দেশবোৰ যেনে ইংলেণ্ড, ফ্ৰান্স, পঃ জাৰ্ম্মানী, জাপান আদিক লৈ গঢ়ি উঠিছে দ্বিতীয় বিশ্বৰ শিবিৰ ( Second World Camp ).

প্ৰথম বিশ্বৰ অন্তৰ্ভুক্ত দুই বৃহৎ শক্তিয়েই হৈছে আজিৰ বিশ্বৰ আটাইতকৈ ডাঙৰ শোষক আৰু নিপীড়ক। সমগ্ৰ বিশ্বকে ইহঁতে নিজৰ মাজত ভাগ বটাই ল'ব খোজে। শোষণৰ বজাৰ দখল কৰোঁতে দ্বিতীয় বিশ্বৰ উন্নত পুঁজিবাদী দেশসমূহৰ লগত ফেৰ মৰাৰ ক্ষেত্ৰত ইহঁত একত্ৰিত হৈ লয়। তাৰ পিছত আকৌ ইহঁতৰ নিজৰ মাজতে অঁৰিয়াঅৰি আৰম্ভ হয়। তৃতীয় বিশ্বৰ প্ৰায়বোৰ দেশতে আজি এই দুই বৃহৎ শক্তিয়ে চৰম শোষণ আৰু নিপীড়ন চলাইছে। তৃতীয় বিশ্বৰ দেশসমূহৰ পৰস্পৰৰ মাজত ইহঁতে যুদ্ধ লগায়— নিজৰ অস্ত্ৰ-শস্ত্ৰৰ বজাৰখন টিকাই ৰাখিবৰ বাবে। তৃতীয় বিশ্বৰ দেশসমূহৰ আভ্যন্তৰীণ সমস্যাত ইহঁতে হস্তক্ষেপ কৰে— নিজৰ ৰাজনৈতিক প্ৰভুত্ব অক্ষুন্ন ৰাখিবৰ বাবে। তৃতীয় বিশ্বৰ দেশসমূহৰ সাৰ্বভৌমত্ব আৰু স্বাধীনতা





ফু-মাৰি উৰুৱাই দি এই এলাকাৰ সমুদ্ৰ অঞ্চলত ইহঁতে প্ৰচণ্ড শক্তিশালী সামৰিক নৌ-ঘাটি স্থাপন কৰে—নিজৰ স্বয়ম্ভু আন্তৰ্জাতিক পুলিচৰ ( International Gendarme ) ভূমিকা বজাই ৰাখিবৰ বাবে। মুঠৰ ওপৰত ইহঁত হ'ল আন্তৰ্জাতিক দস্যুৰ দল। কিন্তু হাস্যকৰ কথা এয়ে যে ইহঁতে নিজৰ শোষণৰ স্বৰূপটো লুকুৱাই ৰাখিব খোজে গণতন্ত্ৰ আৰু সমাজবাদৰ মুখাৰ আঁৰত। কিন্তু মুখা সদায় লাগি থাকিব নোৱাৰে, ই কেতিয়াবা সুলকি পৰে। এতিয়া ইহঁতৰো ঠিক সেইটোৱেই হৈছে।

এইবাৰ থুলমূলকৈ আলোচনা কৰিম দ্বিতীয় বিশ্ব আৰু তৃতীয় বিশ্বৰ মাজৰ সম্পৰ্কটো। দ্বিতীয় বিশ্বযুদ্ধত 'দ্বিতীয় বিশ্ব' ইংলেণ্ড, ফ্ৰান্স আদি প্ৰায়বোৰ ঔপনিবেশিক শক্তিৰেই কামিহাড় ভঙাত ইহঁতে এচিয়া-আফ্ৰিকা-লাটিন আমেৰিকাৰ উপনিবেশ সমূহক ৰাজনৈতিক স্বাধীনতা দি সিবিলাক দেশত প্ৰত্যক্ষ শাসন-শোষণৰ অন্ত পেলালে। অৱশ্যে সিবিলাক দেশত থকা সিহঁতৰ দালাল বুৰ্জোৱা শ্ৰেণী আৰু সামন্তবাদী গোষ্ঠীৰ মাৰফৎ সিহঁতে নয়া ঔপনিবেশিক শোষণৰ বাট মুকলি কৰি ৰাখিলে। পিচে এতিয়া আৰু এই উপনিবেশ বিলাকত শোষণৰ ক্ষেত্ৰত ইহঁতে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ইউনিয়নৰ লগত ফেৰ মাৰিব নোৱাৰা হৈছে। শেহতীয়াভাবে পৰ্তুগীজ ঔপনিবেশিকহঁতেও আফ্ৰিকাৰ উপনিবেশসমূহক স্বাধীনতা দিবলৈ বাধ্য হোৱা দেখা গৈছে। ইফালে দ্বিতীয় বিশ্বৰ প্ৰায়বোৰ উন্নত পুঁজিবাদী দেশে আজি বৃহৎশক্তিদ্বয়ৰ ভীতি প্ৰদৰ্শনত বিহ্বল হৈ পৰিছে। সেয়েহে এই দেশবোৰেও আজি দুই বৃহৎশক্তিৰ নিয়ন্ত্ৰণ আৰু দাবী-ধমকিৰ পৰা হাত সাৰিবলৈ ঐক্যবদ্ধ হৈ পৰিছে। তাৰেই ফল ইউৰোপীয়ান কমন মাৰ্কেট। আনকি ইহঁতৰ কোনো কোনোৱে চীনৰ প্ৰজাতন্ত্ৰৰ লগতো বন্ধুত্বপূৰ্ণ সম্বন্ধ স্থাপন কৰিবলৈ খুব ইচ্ছুক হৈ পৰিছে। হেৰাই যোৱা নেপোলিয়নৰ ফৰাচী সাম্ৰাজ্য De Gaulle ৰ সপোন নাছিল, তেওঁ মাথো বিচাৰিছিল দুই বৃহৎশক্তিৰ যুটীয়া প্ৰভাৱৰ লগত সমতা ৰাখিব পৰা এক ফেডাৰেল ইউৰোপ।

ওপৰত থুলমূলকৈ দিয়া প্ৰথম বিশ্ব আৰু দ্বিতীয় বিশ্বৰ ৰাজনৈতিক-অৰ্থনৈতিক পৰিস্থিতিৰ বিশ্লেষণে দেখুৱাই কেনে এক ক্ষমতাৰ যুদ্ধ চলিছে সমগ্ৰ বিশ্ব জুৰি। চল্লিছৰ দশকৰ পৰাই চলি আহিছে এই ভয়াবহ অৰিয়াঅৰি, এই অবিৰাম দ্বন্দ্ব য'ত একালৰ দুৰ্দান্ত প্ৰতাপী শক্তি হয়তো উফৰি গৈছে আৰু তাৰ ঠাই লৈছেহি ন-চহকী শক্তিদ্বয়ে, য'ত একালৰ সমাজবাদী শক্তি অৱতীৰ্ণ হৈ পৰিছে নগ্ন শোষকৰ ভূমিকাত, য'ত সাম্ৰাজ্যবাদৰ আটাইবোৰ জঘন্য ৰূপেই এটাৰ পিছত এটাকৈ আত্মপ্ৰকাশ কৰিছে। পৰিস্থিতি অধিক

OKDISCD

জটিল হৈ পৰে যেতিয়া আমি তৃতীয় বিশ্বৰ দেশসমূহৰ কথালৈ আহোঁ।

বিপুলসংখ্যক জনগণ আৰু অজস্ৰ প্ৰাকৃতিক সম্পদৰ অধিকাৰী তৃতীয় বিশ্বৰ দেশসমূহৰ অধিকাংশই যদিও ৰাজনৈতিক স্বাধীনতা অৰ্জন কৰিলে তথাপিতো সিবিলাক দেশ আজিও নয়া উপনিবেশিক শোষণৰ জালত বন্দী হৈ আছে। এতিয়াও তেওঁলোকে সাম্ৰাজ্যবাদী শোষণৰ পৰা মুক্ত হৈ জাতীয় অৰ্থনীতিৰ স্বাধীনচেতীয়া বিকাশ ঘটাব পৰা নাই। অৰ্থনৈতিক দাসত্বৰ বাবেই এই দেশসমূহৰ ৰাজনৈতিক স্বাধীনতাও বিপদাপন্ন হৈ পৰিছে। মূলতঃ তৃতীয় বিশ্বৰ প্ৰায়বোৰ দেশৰেই অৰ্থনৈতিক—ৰাজনৈতিক অৱস্থা একে হলেও সিবিলাকৰ মাজত পৰিমাণগত বা কোনো ক্ষেত্ৰত গুণগত তাৰতম্য নোহোৱা নহয়। ইন্দোচীনত দেখা যায় জনগণ আৰু চৰকাৰে প্ৰত্যক্ষভাৱে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে তুমুল সংগ্ৰাম চলাইছে। আনহাতে ভাৰতবৰ্ষৰ দৰে দেশত দেখা গৈছে জনগণৰ সাম্ৰাজ্যবাদ বিৰোধী সকলো জাগৰণ সাম্ৰাজ্যবাদৰ বহতীয়া ভাৰত চৰকাৰে কঠোৰ হাতেৰে দমন কৰাৰ প্ৰচেষ্টা চলাইছে। ইন্দিৰা চৰকাৰৰ হতুৱাই সাম্ৰাজ্যবাদ আৰু সামাজিক সাম্ৰাজ্যবাদে এচিয়াত সিহঁতৰ অনেক চক্ৰান্তকাৰী আঁচনি কাৰ্য্যকৰী কৰিছে। কিন্তু তথাপিতো তৃতীয় বিশ্বত সাম্ৰাজ্যবাদ-সামাজিক সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম বন্ধ হোৱা নাই, বৰঞ্চ সময়ৰ লগে লগে ইয়াৰ গতি চৰিছেহে।

ঠিক এনে এটা অৱস্থাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰাত বিপ্লৱী চীনা কমিউনিষ্ট পাৰ্টি পিচ পৰি থকা নাই। তৃতীয় বিশ্বৰ দেশসমূহৰ প্ৰতি বিশেষকৈ এচিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ প্ৰতি চীনে লোৱা বৈদেশিক নীতিত যাঠিৰ দশকৰ মাজভাগৰ পৰা এক নতুন পৰিৱৰ্তন দেখা গৈছে। এই কথা সকলোৱে জানে যে আজি কিছু বছৰৰ আগলৈকে বিশ্ব ৰাজনীতিত চীন আছিল তেনেই অকলশৰীয়া। আনকি এচিয়াৰ দেশসমূহৰ লগতো চীনৰ সম্বন্ধ বৰ ভাল নাছিল। কিন্তু আজি কিছু বছৰৰ পৰা দেখা গৈছে এচিয়াৰ নব্য উপনিবেশিকতাবাদৰ বলি হোৱা দেশবোৰ আৰু নতুনকৈ স্বাধীনতা লাভ কৰা আফ্ৰিকাৰ দেশ-দেশ সমূহৰ সৈতে চীনে এক বন্ধুত্বপূৰ্ণ সম্বন্ধ গঢ়ি তুলিছে। উল্লেখযোগ্য যে এই দেশসমূহৰ প্ৰয়েবোৰেই হৈছে অকমিউনিষ্ট দেশ। ইয়াকে দেখি চীনবিৰোধী সংশোধনবাদী তাত্ত্বিকহঁতে চীনা কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে নানা কুৎসা ৰটনা কৰিছে। শেহতীয়াভাৱে চি. পি. এম. ৰ Peoples' Democracyত চি, পি, এম ৰ শীৰ্ষস্থানীয় নেতা এম বাসৱপুন্নিয়াই চীনৰ বিৰুদ্ধে কৰা বিষোদগাৰো এনে পৰ্য্যায়ৰ স্থুল কুৎসা ৰটনাৰ ভিতৰতে পৰে। কিন্তু চীনা বৈদেশিক নীতিৰ এই পৰিৱৰ্তন কিয় তাৰ বস্তুনিষ্ঠ বিশ্লেষণ এইবোৰ



সমালোচকৰ হাতত নাই।

দৰাচলতে প্ৰায় পঞ্চাশৰ দশকৰ শেষলৈকে ছোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ সংশোধনবাদী আৰু সামাজিক সাম্ৰাজ্যবাদী ভূমিকা বৰ প্ৰকাশ্য হৈ পৰা নাছিল। সেইসময়লৈকে চীনা কমিউনিষ্ট পাৰ্টিয়ে ছোভিয়েট ইউনিয়ন আৰু ইয়াৰ লগৰীয়া যুগোশ্লাভিয়া, চেকোশ্লভাকিয়া প্ৰমুখ্যে পূব-ইউৰোপীয় দেশ কিছুমানক সমাজবাদী দেশ হিচাবেই গণ্য কৰি আছিল। অৰ্থাৎ সেইসময়লৈকে চীনে বিশ্বত এক সবল সমাজবাদী শিবিৰ ( Socialist Camp )ৰ অস্তিত্ব স্বীকাৰ কৰি আহিছিল। আৰু এই 'সমাজবাদী' দেশবোৰৰ লগত থকা বন্ধুত্বপূৰ্ণ সম্বন্ধৰ সাহসতে চীনে এচিয়া-আফ্ৰিকাৰ অকমিউনিষ্ট দেশবোৰৰ লগত বন্ধুত্ব স্থাপনত বৰ গুৰুত্ব দিয়া নাছিল। ইফালে এই দেশবোৰৰ চৰকাৰ সমূহৰ চৰিত্ৰও সেই সময়ত আজিৰ দৰে নাছিল। ইহঁতৰ অধিকাংশই তেতিয়া দেখদেখকৈয়ে আমেৰিকান সাম্ৰাজ্যবাদৰ গুণমুগ্ধ আছিল। আমেৰিকান সাম্ৰাজ্যবাদৰ অৱক্ষয় আজিৰ দৰে তেতিয়া ফুটি ওলোৱা নাছিল। ইন্দোচীনৰ পৰাজয়ৰ গ্লানি তেতিয়াও আমেৰিকাই পোৱা নাছিল। তদুপৰি এতিয়া ৰাজনৈতিক স্বাধীনতা লাভ কৰা আফ্ৰিকাৰ অনেক দেশ তেতিয়া ফৰাচী, পৰ্তুগীজহঁতৰ ঔপনিবেশ হৈয়ে আছিল। কিন্তু যাঠিৰ পৰা এই ৰাজনৈতিক মানচিত্ৰখনত নানা পৰিৱৰ্তনে দেখা দিলে। ছোভিয়েট ইউনিয়নৰ সামাজিক-সাম্ৰাজ্যবাদৰ ভূমিকা এতিয়া আৰু লুকুৱাই ৰাখিব নোৱাৰা হল।

"From 1965 onwards the Chinese Communists ceased to regard the Soviet Union as a socialist country. Khrushchevism remained although Khrushchev had gone. The fact that the trends and policies associated with the khrushchev era not only continued in the Soviet Union but became even more pronounced, led the Chinese Communists to the inescapable conclusion that the proletariat no longer held power in that country: The realisation of what had happened caused Mao Tse Tung to consider more urgently ways of preventing a similar development in China.

In recent years the Chinese have presented much evidence to support their contention that the Soviet Union

OKDISCD

had undergone a bourgeois restoration. The development of the bureaucratic caste into a new capitalist class controlling the state is now an accomplished fact. And such a class, wielding such power as does the Soviet ruling class, acts increasingly like an imperialist ruling class, as the continued military pressure and provocations on China's borders bear witness. The invasion of Czechoslovakia in 1968 is the most blatant example to date of imperialist-type coercion practised by the new bourgeoisie in the name of socialism. It is no longer sufficient to describe the post Khruschev leadership as 'revisionists.' They are imperialists" ( Khrushchevism without Khrushchev— BROADSHEET, January 1972 )। ফলত বিশ্ব সমাজবাদী শিবিৰ থান-বান হৈ গ'ল। ছোভিয়েট-ইউনিয়ন আৰু চীনৰ মাজৰ শত্ৰুতাও বাঢ়িবলৈ ধৰিলে। লাহে লাহে ছোভিয়েট ইউনিয়নে কেউপিনৰ পৰা চীন সীমান্ত ঘেৰাও কৰি পেলালে। বাংলা দেশৰ সংঘটিত ছোভিয়েট নেতৃবৰ্গৰ ভূমিকা, Asian Collective Security Plan আদিৰ তাৎপৰ্য্য চীন–ছোভিয়েট বিৰোধৰ পটভূমিতহে বুজিব পৰা যায়।

দ্বিতীয়তে, ইন্দোচীনত আমেৰিকাৰ পৰাজয়ৰ সম্ভাৱনা ষাঠিৰ দশকৰ মাজভাগৰ পৰাই উজ্জ্বল হৈ উঠিবলৈ ল'লে। ফলত ইমান দিনে আমেৰিকাৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখি অহা এচীয় নেতা কিছুমানেও চীনৰ লগত তেওঁলোকৰ সম্বন্ধ পুনৰ বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। ইফালে ছোভিয়েট শত্ৰুতাৰ সন্মুখত পৰি চীনেও তৃতীয় বিশ্বৰ দেশবোৰৰ লগত এক নতুন ধৰণৰ সম্বন্ধ স্থাপনত আগ্ৰহী হৈ পৰিলে। তদুপৰি তৃতীয় বিশ্বত ক্ৰমাৎ ম্লান পৰি অহা আমেৰিকাৰ প্ৰভাৱ চীনে লক্ষ্য কৰিছিল। এই ম্লান পৰি অহা আমেৰিকান সাম্ৰাজ্যবাদী প্ৰভাৱৰ ঠাইত ছোভিয়েট সামাজিক সাম্ৰাজ্যবাদীহঁতৰ প্ৰভাৱ প্ৰতিষ্ঠিত হ'বলৈ দিয়াটো তৃতীয় বিশ্বৰ বিপ্লবী পৰিস্থিতিৰ প্ৰতিকূলে যে যাব সেই বিষয়ে চীনা কমিউনিষ্ট পাৰ্টিৰ এধানিও সন্দেহ নাছিল। আৰু বস্তুনিষ্ঠ বিশ্লেষণত আগ্ৰহী কোনো মাৰ্ক্সবাদীৰে এনে সন্দেহ নেথাকে; থাকে কেৱল সংশোধনবাদে যাৰ চকু চাট্ মাৰি ধৰি থাকে তাৰ মনতহে।



সমাজবাদী শিবিৰ ভাঙি যোৱাৰ পিচত প্ৰায় অকলশৰীয়া হৈ পৰা চীনে নিজৰ অৱস্থিতি ৰক্ষা আৰু তৃতীয় বিশ্বৰ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম আগুৱাই নিবৰ উদ্দেশ্যে এইবাৰ এক নতুন নীতি গ্ৰহণ কৰিলে। সত্তৰৰ দশকৰ আৰম্ভণিৰ পৰাই আৰম্ভ হ'ল তৃতীয় বিশ্বত চীনৰ ব্যাপক diplomatic activities। চীনৰ উদ্দেশ্য স্পষ্ট। তৃতীয় বিশ্বৰ কমিউনিষ্ট-অকমিউনিষ্ট দেশবোৰক একত্ৰিত কৰি এক ব্যাপক সাম্ৰাজ্যবাদ–সামাজিক সাম্ৰাজ্যবাদ বিৰোধী যুক্তফ্ৰণ্ট প্ৰতিষ্ঠা কৰা। চীনা বৈদেশিক নীতিৰ শেহতীয়া ৰূপৰ পটভূমি এইটোৱেই। কোৱা বাহুল্য মাথোন যে এই আঁচনি বহু খৰতকীয়াকৈ ফলপ্ৰসূ হোৱা দেখা গৈছে। অৱশ্যে সংশোধনবাদী ৰাসৰপুনিয়াৰ দৰে তাত্ত্বিকৰ দলে এনে ফল দেখা নোপোৱাটোৱেই স্বাভাৱিক। বৰঞ্চ এনে আঁচনিৰ অন্তৰালত সিহঁতে আৱিষ্কাৰ কৰিছে নানা মনেসজা চীনা ষড়যন্ত্ৰ আৰু অমাৰ্ক্সীয় দৃষ্টিভঙ্গি। অৱশ্যে এনে সমালোচনাৰ সুৰটো ক্ৰেমলীন আৰু দিল্লীৰ চীন-বিৰোধী সুৰৰ লগত ভালদৰেই মিলে!

প্ৰৱন্ধৰ আৰম্ভনিতে আমি উল্লেখ কৰি আহিছোৱেই যে সমগ্ৰ তৃতীয় বিশ্বতে আজি সাম্ৰাজ্যবাদ বিৰোধী মনোভাবে গা কৰি উঠিছে। বিশ্বৰ বৃহৎশক্তিদ্বয়ৰ কূমতলব সম্পৰ্কে তৃতীয় বিশ্বৰ প্ৰায়বোৰ দেশেই সচেতন হৈ পৰিছে। নতুনকৈ ৰাজনৈতিক স্বাধীনতা লাভ কৰা দেশবোৰে ভালদৰেই বুজি উঠিছে যে খুব সহজেই তেওঁলোকে নয়া উপনিবেশিকতাবাদৰ জালত সোমাই পৰিব পাৰে আৰু ফলত তেওঁলোকৰ বহু কষ্টেৰে অৰ্জিত ৰাজনৈতিক স্বাধীনতা বিপন্ন হৈ পৰিব পাৰে। গতিকেই এওঁলোক আজি সাম্ৰাজ্যবাদ আৰু সামাজিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ পৰিছে। তেল উৎপাদনকাৰী আৰব দেশবোৰে যুক্তৰাষ্ট্ৰ আৰু আন কেতবোৰ পশ্চিমীয়া পুঁজিবাদী দেশলৈ তেল ৰপ্তানি বন্ধ কৰি দি অলপতে তেওঁলোকক ভালকৈ এশিকনি দিয়াৰ কথা নিশ্চয় সকলোৰে মনত আছে। ছোভিয়েট হস্তক্ষেপ ওফৰাই দি ইজৰাইলৰ বিৰুদ্ধে মূৰ ডাঙি উঠিবলৈ আৰব চৰকাৰসমূহ জনগণৰ হেঁচাত বাধ্য হৈছে। ঠিক একে ধৰণেই নিজৰ জনগণৰ হেঁচাত পৰি মুখত হ'লেও দঃ কোৰিয়া চৰকাৰে উত্তৰ-দক্ষিণ উভয় কোৰিয়া একত্ৰিকৰণৰ কথা কৰবলৈ বাধ্য হৈছে। জন ফ'ষ্টাৰ ডালেছৰ দিনৰে পৰা যুক্তৰাষ্ট্ৰই দঃ পূব এশিয়াৰ প্ৰায়বোৰ দেশতে কমিউনিজম বিৰোধী যি মনোভাব নানা কু-উপায়েৰে গঢ়ি তুলিছিল সি এতিয়া লাহে লাহে নাইকিয়া হৈ আহিছে। তথাকথিত কমিউনিষ্ট সম্প্ৰসাৰণবাদ ৰোধ কৰিবলৈ গঢ়ি তোলা SEATO এতিয়া প্ৰায় ভাঙি পৰাৰ উপক্ৰম হৈছে। অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আদি দেশেও আজি চিঞৰি উঠিছে যে ভাৰত মহাসাগৰৰ দুই বৃহৎ শক্তিৰ

OKDISCD

নৌ বাহিণীৰ শক্তিৰ প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিব লাগে। বিভিন্ন বিশ্ব সংস্থাবোৰত হোৱা আলোচনা সমূহত দেখা গৈছে ৰুছ–মাৰ্কিন বৃহৎশক্তিদ্বয় তৃতীয় বিশ্বৰ দৰিদ্ৰ দেশসমূহৰ তীব্ৰ আক্ৰমণৰ সন্মুখীন হৈছে; ইহঁত ক্ৰমাৎ অকলশৰীয়া হৈ পৰিছে। অলপতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ২৯তম বৈঠকত আলজেৰীয় প্ৰতিনিধিগৰাকীয়ে দঃ পূব এচিয়াত যুক্তৰাষ্ট্ৰই লোৱা সাম্ৰাজ্যবাদী ভূমিকাৰ তীব্ৰ গৰিহণা দিয়ে।

তৃতীয় বিশ্বত এনেধৰণে প্ৰত্যক্ষ ও পৰোক্ষভাবে যি সাম্ৰাজ্যবাদ–বিৰোধী প্ৰৱণতা গঢ়ি উঠিছে তাৰেই ভিত্তিত চীনা কমিউনিষ্ট পাৰ্টিয়ে কৈছে: "Countries want independence, nations want liberation and people want revolution. This is the irresistible trend in the world to-day." কিন্তু তৃতীয় বিশ্বৰ বিপ্লবী পৰিস্থিতিৰ বাস্তৱতাক নিজৰ কলমৰ এটা খোচতে নাকচ কৰিব দিব পৰা বাসৱপুন্নিয়াৰ দৰে তাত্বিকৰ চকুত ই হ'ল চীনা কমিউনিষ্ট পাৰ্টিৰ এটা মাথো "Pet slogan"। ( People's Democracy May, 19, 1974 ) ষাঠিৰ দশকত চীনা কমিউনিষ্ট পাৰ্টিয়ে তৃতীয় বিশ্বৰ বহুতো দেশৰ চৰকাৰক সাম্ৰাজ্যবাদৰ দালাল বুৰ্জোৱা আৰু সাম্ৰাজ্যবাদী শ্ৰেণীৰ চৰকাৰ বুলি অভিহিত কৰিছিল; সেই কথাকে দোহাৰি বাসৱপুন্নিয়াই প্ৰশ্ন তুলিছে এতিয়া এনেবোৰ চৰকাৰকে লৈ সাম্ৰাজ্যবাদ বিৰোধী যুক্তফ্ৰণ্ট গঢ়াৰ প্ৰচেষ্টা চীনে চলাইছে কিয়? আমি এনে প্ৰশ্নৰ উত্থাপনত আচৰিত নহওঁ। সংশোধনবাদেৰে যাৰ মগজু ঘোলা হৈ পৰিছে সি আমি ওপৰত আলোচনা কৰি অহা তৃতীয় বিশ্বৰ ৰাজনীতিৰ গুৰুত্বপূৰ্ণ পৰিবৰ্তন, আৰু সমাজবাদী শিবিৰ ভাঙি যোৱাত ( চি. পি. এম. য়ে এই কথা স্বীকাৰ নকৰে আৰু এতিয়াও ৰুছীয়াক সমাজবাদী ৰাষ্ট্ৰ হিচাবেই গণ্য কৰে, অৱশ্যে ৰুছীয়াৰ আভ্যন্তৰীণ বিষয়ত সংশোধনবাদ শিপোৱাৰ কথা মানি লয়! ) চীনে লোৱা নতুন বৈদেশিক নীতিৰ তাৎপৰ্য্য নুবুজি এনেধৰণৰ অৰ্থহীন প্ৰশ্ন তোলাটোৱেই স্বাভাৱিক নহয় জানো? এইখিনিতে চীনে যি সাম্ৰাজ্যবাদ বিৰোধী যুক্তফ্ৰণ্টৰ কথা ভাৱিছে তাৰ বিষয়ে দুটামান কথা উনুকিয়ালে বাসৱপুন্নিয়াৰ চীন-বিৰোধী অভিযোগৰ ভ্ৰান্তি অধিক স্পষ্ট হৈ পৰিব। তৃতীয় বিশ্বত যি সাম্ৰাজ্যবাদ-সামাজিক সাম্ৰাজ্যবাদ বিৰোধী মনোভাব গঢ়ি উঠিছে সি নিশ্চয় এই অঞ্চলৰ সকলো চৰকাৰৰে মনোভাব বুলি ক'ব নোৱাৰি। ইন্দিৰা চৰকাৰ বা থাইলেণ্ডৰ * চৰকাৰৰ এনে প্ৰগতিশীল মনোভাব আছে বুলি চীনে নিশ্চয় ভৱা নাই।

* এই প্ৰবন্ধটো ছপা হৈ থকা অৱস্থাতে থাইলেণ্ডৰ চৰকাৰ পৰিবৰ্তন হয়। থাইলেণ্ডৰ নতুন চৰকাৰে দেশৰ পৰা আমেৰিকান বিমান ঘাটিসমূহ আঁতৰাব আৰু চীনৰ লগত মৈত্ৰী স্থাপন কৰিব বুলি প্ৰতিশ্ৰুতি দিছে। সঃ



আনহাতেদি বাকীবোৰ এনে সাম্ৰাজ্যবাদ বিৰোধী চৰকাৰো যে প্ৰকৃততে প্ৰগতিশীল চৰকাৰ সেইটোও চীনে ক'ব খোজা নাই; কিন্তু কথা হ'ল এয়ে যে অৱস্থাৰ পাকচক্ৰত পৰি এনেবোৰ চৰকাৰে দুই বৃহৎশক্তিৰ বিৰুদ্ধাচৰণ কৰিছে। ( এনে ক্ষেত্ৰত এইবোৰ দেশত চিলিত হৈ যোৱা ঘটনাৰ পুণৰাবৃত্তিৰ সম্ভাৱনা নুই কৰিব নোৱাৰি )। বাতাৱাত এইবোৰ চৰকাৰ একোটা বিপ্লবী চৰকাৰলৈ ৰূপান্তৰিত হৈ যোৱা নাই। কিন্তু বৰ্তমান স্তৰত তেওঁলোকে জাতীয় স্বাধীনতা আৰু জাতীয় অৰ্থনীতিৰ নিৰাপত্তাৰ খাতিৰতে দুই বৃহৎশক্তিৰ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ বিচাৰিছে। আৰু চীনে তেওঁলোকৰ এই প্ৰচেষ্টালৈ সৰ্ব্বতোপ্ৰকাৰৰ সহায়-সমৰ্থন আগবঢ়াইছে। অন্ততঃ সাম্ৰাজ্যবাদৰ দালালি কৰাতকৈ এই দেশবোৰৰ পক্ষে এইটো অধিক প্ৰগতিশীল ব্যৱস্থা হ'ব। এইবোৰ দেশত খুব সোনকালেই সমাজ বিপ্লৱ হ'ব বুলি আশা কৰিব নোৱাৰি কিন্তু এই দেশবোৰক যদি দুই বৃহৎশক্তিৰ প্ৰভাৱৰ পৰা মুক্ত কৰিব পাৰি তেন্তে সেই পথ সুগম হ'ব। সেয়েহে ৰাষ্ট্ৰসংঘত অলপতে কেঁচামাল সম্পৰ্কে হোৱা আলোচনাত দুই বৃহৎশক্তিৰ শোষণৰ স্বৰূপ উদ্ঘাটন কৰি চীনা প্ৰতিনিধি গৰাকীয়ে কৈছে যে চীনে এইটোকে বিচাৰে যে তৃতীয় বিশ্বৰ এই দৰিদ্ৰ দেশসমূহে যেন জাতীয় স্বাধীনতা অক্ষুন্ন ৰাখিব পাৰে, জাতীয় অৰ্থনীতিৰ বিকাশ ঘটাব পাৰে আৰু নিজৰ আভ্যন্তৰীণ সমস্যাত বিদেশীশক্তিৰ হস্তক্ষেপৰ পৰা হাত সাৰি থাকিব পাৰে। চীনে কয় যে প্ৰত্যেক দেশৰে জনগণে নিজৰ ইচ্ছানুযায়ী সমাজব্যৱস্থা বাছি লোৱাৰ অধিকাৰ আছে। বৰ্তমান অৱস্থাত চীনে তৃতীয় বিশ্বৰ বিপ্লৱৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এই দেশবোৰৰ চৰকাৰৰ পৰা এনে বৃহৎশক্তি-বিৰোধী মনোভাৱক যথেষ্ট বুলি ভাবিছে আৰু তাৰ ভিত্তিতে আজি তৃতীয় বিশ্বত পৰোক্ষভাবে হ'লেও এক ব্যাপক যুক্তফ্ৰণ্ট গঢ়ি উঠিছে। কথাটো অধিক পৰিষ্কাৰ হ'ব যদিহে আমি জনগণতান্ত্ৰিক বিপ্লৱৰ ( প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে বাসৱপুন্নিয়াৰ দলেও ভাৰতীয় বিপ্লৱৰ ৰণনীতি হিচাবে এনে বিপ্লৱৰ পথকে বাছি লৈছে! ) উদাহৰণটো লওঁ। সাম্ৰাজ্যবাদ-গোষ্ঠী বিৰোধী এই বিপ্লৱত শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত, শ্ৰমিক–কৃষক ঐক্যৰ ভিত্তিত, শ্ৰমিক, কৃষক আৰু জাতীয় বুৰ্জোৱাৰ এক যুক্তফ্ৰণ্ট গঢ়ি তোলা হয়। স্বাভাৱিকতে জাতীয় বুৰ্জোৱাক এই ফ্ৰণ্টৰ অংশীদাৰ এই কাৰণেই কৰা হয় যে বৃহৎ বুৰ্জোৱা গোষ্ঠীৰ লগত থকা ইয়াৰ দ্বন্দ্বৰ বাবেই ই সাম্ৰাজ্যবাদ বিৰোধী। নহ'লে ই নিজেও এটা শোষক শ্ৰেণীহে। ঠিক একেই কথা এতিয়াৰ তৃতীয় বিশ্বতো খাটে। বৃহৎশক্তিদ্বয়ৰ বিৰুদ্ধে, জাতীয় স্বাধীনতা আৰু অৰ্থনীতিৰ নিৰাপত্তাৰ খাতিৰতে তৃতীয় বিশ্বৰ বহুতো দেশৰ চৰকাৰে অন্ততঃ নিজে প্ৰগতিশীল নহ'লেও, মুৰ

OKDISCD

ডাঙি উঠিছে। ঃতিকে এটা পৰ্য্যায়লৈকে কোনোবা কমিউনিষ্ট চৰকাৰে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুজোঁতে এনেবোৰ চৰকাৰক মিত্ৰ হিচাবে লোৱাটো একো অমাৰ্ক্সীয় কথা নহয়। কিন্তু ঠিক এই কাৰণতেই বাসৱপুন্নিয়াই আকৌ অভিযোগ তুলিছে চীনা নেতৃবৰ্গৰ বিৰুদ্ধে। সাম্ৰাজ্যবাদৰ ভৃত্যস্বৰূপ ভাৰত চৰকাৰৰ অধীনস্থ এক মামুলি প্ৰাদেশিক চৰকাৰৰ ক্ষন্তেকীয়া শাসনৰ গাদীত বহিবলৈকে চি-পি-এম দলে নীতিহীন, আল্টু-ফাল্টু এক ডজনৰো অধিক পাৰ্টিৰ লগত যুক্তফ্ৰন্ট গঢ়ি তুলিছিল। সেই দলেই আকৌ সাম্ৰাজবাদ বিৰোধী এক ফলপ্ৰসূ বৃহৎ যুক্তফ্ৰন্ট গঠন কৰোঁতে চীনা কমিউনিষ্ট পাৰ্টিয়ে মাৰ্ক্সীয় আদৰ্শৰ ভিত্তিতে কিছুমান অকমিউনিষ্ট দেশৰ লগত বন্ধুত্ব স্থাপন কৰিলত চীনা কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে গালি-গালাজ কৰাটো বৰ লাজৰ কথা। এনে ভণ্ডামি কেৱল সংশোধনবাদী কমিউনিষ্টেহে কৰিব পাৰে।

বৰ সযত্নে, বৰ কৌশলেৰে চীনে এনে এক সাম্ৰাজ্যবাদ বিৰোধী ফ্ৰন্ট গঢ়ি তুলিছে। ইয়াৰ ফল যে সুদূৰপ্ৰসাৰী হ'ব, ই যে তৃতীয় বিশ্বৰ বিপ্লৱী পৰিস্থিতিৰ অনুকূলে যাব সেই কথা আনে নুবুজিলেও ছোভিয়েট সামাজিক-সাম্ৰাজ্যবাদী চক্ৰই অন্ততঃ ভালদৰেই বুজিছে। সেয়েহে পঞ্চাশ আৰু ষাঠিৰ দশকৰ এছোৱালৈকে প্ৰত্যক্ষভাবে কমিউনিষ্ট বিৰোধি মনোভাৱ প্ৰচাৰত আমেৰিকা যি ধৰণে ব্ৰতী হৈ পৰিছিল ঠিক তেনেদৰেই ছোভিয়েট ইউনিয়নেও আজি চীনা কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে বিষোদ্গাৰ আৰম্ভ কৰিছে আৰু তৃতীয় বিশ্বৰ দেশসমূহৰ প্ৰতি চীনে লোৱা বন্ধুত্বসুলভ মনোভাৱৰ বিকৃত ব্যাখ্যা দি চিঞৰি উঠিছে যে চীনে দৰাচলতে এই দেশবোৰক নিজৰ বশ্যতা স্বীকাৰ কৰাব খুজিছে! চীনে এই দেশবোৰত শোষণহে চলাই! কিন্তু এনে বদনামৰ অসত্যতাৰ আটাইটকৈ ডাঙৰ প্ৰমাণ হ'ল চীনে এই দেশসমূহলৈ আগবঢ়োৱা অৰ্থনৈতিক সাহায্য আৰু অন্যান্য সাহায্যৰ স্বৰূপ। চীনা অৰ্থনৈতিক সাহায্যৰ বিপ্লৱী স্বৰূপৰ বহল আলোচনাৰ অৱকাশ আছে। এই প্ৰবন্ধত তেনে ব্যাপক পৰিসৰৰ আলোচনাত প্ৰবৃত্ত নহৈ আমি কেৱল গিনিৰ প্ৰধান মন্ত্ৰীয়ে চীনা সাহায্যৰ সম্পৰ্কত কোৱা কিছু কথা উদ্ধৃত কৰি দিলেই যথেষ্ঠ হ'ব: "Your assistance to the Republic of Guinea and the Democratic Party of Guinea is an Interested assistance. It could not be otherwise ••• Its sole aim is to enable the beneficiary country to fight effectively against imperialism, to free itself and to make its own democratic revolution.•••For our part,



we need an assistance that is revolutionarily interested. The final aim of your assistance is to rid us of the need for assistance," (China And The Fight Against Imperialism—Broadsheet, January 1973)। ইয়াৰ কাষতে ছোভিয়েট ইউনিয়নৰ শোষণভিত্তিক 'সাহায্য'ৰ ছবিখনি ডাঙি ধৰিলে ('অঙ্গীকাৰ'ৰ যোৱা দুটা সংখ্যাত ছোভিয়েট 'সাহায্য'ৰ স্বৰূপৰ বিষয়ে আলোচনা কৰা হৈছে) চীনৰ বিপ্লবী মনোভাব আৰু ছোভিয়েটৰ প্ৰতিবিপ্লবী মনোভাৱ স্পষ্ট হৈ পৰে।

বিপ্লবৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত, মূল মাৰ্ক্সীয় আদৰ্শৰ পৰা বিচলিত নোহোৱাকৈ, কমিউনিষ্ট দেশে অকমিউনিষ্ট দেশৰ লগতো, আনকি ইয়াৰ শত্ৰুৰ লগতো কেতিয়াবা মিত্ৰতা কৰিব পাৰে। চীনৰ এনে নীতিত বাসৱপুন্নিয়াৰ দৰে সমালোচকৰ চকু থৰ হ'লেও স্বয়ং লেনিনেও কিন্তু ইয়াৰ আৱশ্যকতা বুজিছিল: "To carry on a war for the overthrow of the international bourgeoisie, a war which is a hundred times more difficult, protracted and complicated than the most stubborn of ordinary wars betwen the states, and to refuse beforehand to manouevre, to utilise the conflict of interests (even though temporary) among one's enemies, to refuse to temporise and compromise with possible (even though temporary, unstable, vacillating and conditional) allies– is not this ridiculous in the extreme? Is it not as though, when making a difficult ascent of an unexplored and hitherto inaccessible mountain, we were to refuse beforehand ever to move in zigzags, ever to retrace our steps, ever to abandon the course once selected and to try another? [ Lenin– "Leftwing Communism, an Infantile DIsorder ]:

সাম্ৰাজ্যবাদ, সামাজিক সাম্ৰাজ্যবাদক একাষৰীয়া কৰিবৰ বাবে চীনে অকমিউ-নিস্ট চৰকাৰৰ লগতো মিত্ৰতা কৰিছে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে সেইবোৰ দেশৰ জনগণে সেই চৰকাৰবোৰৰ বিপক্ষে নিজৰ নায্য সংগ্ৰাম বন্ধ কৰি দিব লাগিব। চীনে এইবোৰ দেশৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰে। সেয়েহে ৰুছ-ভাৰত সহ-যোগীতাত বাংলাদেশ সৃষ্টিৰ প্ৰচেষ্টাৰ বিৰোধীতা কৰি চীন চৰকাৰে বাৰে বাৰে কৈছিল

OKDISCD

যে পাকিস্তানৰ আভ্যন্তৰীন সমস্যা পাকিস্তানৰ জনগণেহে সমাধান কৰিবলৈ সুযোগ পোৱা উচিত আৰু কোনো বিদেশীৰাষ্ট্ৰই সেই সমস্যাত হস্তক্ষেপ কৰিব নেলাগে।

অৱশ্যে যিবোৰ দেশৰ চৰকাৰৰ লগত চীনা চৰকাৰৰ বন্ধুত্বপূৰ্ণ সম্বন্ধ নাই বা যিবোৰ দেশৰ চৰকাৰে দৈখদেখকৈয়ে বৃহৎশক্তিদ্বয়ৰ দালালি কৰা বুলি চীনে ভাবে, সেইবোৰ দেশৰ জনগণে সেই চৰকাৰৰ বিৰুদ্ধে কৰা সংগ্ৰাম চীনে প্ৰকাশ্য সমৰ্থন কৰে। বিভিন্ন জাতিৰ মুক্তি সংগ্ৰামৰ প্ৰতি চীনা সমৰ্থনৰ কাৰণো এইটোৱেই। অৱশ্যে এই কথাও চীনা কমিউনিষ্ট পাৰ্টিয়ে উল্লেখ কৰিছে যে তেওঁলোকে মুক্তি যুঁজাৰুসকলক সহায় কৰাৰ অৰ্থ এইটো নহয় যে কোনোবা দিনা চীনা সামৰিক বাহিনীয়ে নিজে আহি তেওঁলোকৰ হৈ সংগ্ৰাম কৰি তেওঁলোকৰ স্বাধীনতা আনি দিব। মুঠৰ ওপৰত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলোৱা দীৰ্ঘস্থায়ী সংগ্ৰামৰ প্ৰক্ৰিয়াত চীন চৰকাৰে যদি কোনোবা অকমিউনিষ্ট চৰকাৰৰ লগত মিত্ৰতাও কৰে তেন্তে সেই চৰকাৰৰ অধীনত থকা বিপ্লৱী জনসাধাৰণ বিচলিত হোৱাৰ কোনো কাৰণ নাই ; তেওঁলোকে নিজৰ চৰকাৰৰ বিৰুদ্ধে তেওঁলোকৰ সংগ্ৰাম পূৰ্ণোদ্যমে চলাই যাব পাৰে।

তৃতীয় বিশ্বৰ অনেক দেশত চলা জাতীয় মুক্তিসংগ্ৰাম সমূহ প্ৰত্যক্ষভাৱে কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত হোৱা নাই। তথাপি কিয় চীনে সেইবোৰ সমৰ্থন কৰে ? ইয়াৰ প্ৰধান কাৰণ আমি ওপৰত উল্লেখ কৰি আহিছোৱেই। কিন্তু ইয়াৰ অন্তৰালত আন এটা কাৰণো আছে। মাওচেটুঙে কয় যে বৰ্তমান যুগত যিকোনো জাতীয় মুক্তি-সংগ্ৰামেই শ্ৰেণী সংগ্ৰামলৈ ৰূপান্তৰিত হ'বলৈ বাধ্য। এতিয়া আৰু আন্তৰ্জাতিক পুঁজি-বাদৰ হেঁচাত নিশকটীয়া হৈ পৰা বিভিন্ন দেশৰ জাতীয় পুঁজিপতিহঁতে ( National Bourgeoisie ) চূড়ান্ত বিজয় পৰ্য্যন্ত জাতীয় মুক্তিসংগ্ৰামৰ নেতৃত্ব দিব নোৱাৰে। এটা পৰ্য্যায়ত ইয়াৰ নেতৃত্ব শ্ৰমিক শ্ৰেণীৰ হাতলৈ আহিবলৈ বাধ্য, নহ'লে এই সংগ্ৰামে চূড়ান্ত বিজয় অৰ্জনৰ সলনি আধাবাটতে আপোচ কৰিব লগীয়া হ'ব। এতিয়া লাহে লাহে তৃতীয় বিশ্বৰ অকমিউনিষ্ট দেশসমূহক সাম্ৰাজ্যবাদ সামাজিক-সাম্ৰাজ্যবাদৰ প্ৰভাৱৰ মুক্ত কৰাৰ যি প্ৰক্ৰিয়া আৰম্ভ হৈছে সি স্বাভাৱিকতে লাহে লাহে জাতীয়তাবাদৰ গণ্ডী পাৰ হৈ প্ৰকৃত কমিউনিষ্ট বিপ্লৱৰ পথ ল'বলৈ বাধ্য হ'ব যদিহে সেইবোৰ দেশৰ বিপ্লৱী জনগণে এই বিপ্লৱী পৰিস্থিতি সুব্যৱহাৰ কৰিব পাৰে। এনে সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়াৰ কথা মনত ৰাখিহে, চীনে তৃতীয় বিশ্বৰ দেশসমূহৰ প্ৰতি লোৱা বৈদেশিক নীতিৰ পৰ্য্যালোচনা কৰা উচিত। তেতিয়াহে ইয়াৰ প্ৰকৃত তাৎপৰ্য্য বুজিব পৰা যাব।



বৰ্তমান বিশ্বৰ এনে বিপ্লৱীপৰিস্থিতিৰ বিশ্লেষণৰ পৰা চীনা কমিউনিষ্ট পাৰ্টি এই সঠিক সিদ্ধান্তলৈ আহিছে যে বিপ্লৱৰ বাবে এই পৰিস্থিতি চমৎকাৰ। সমাজবাদৰ মুখাপিন্ধা সমাজবাদৰ বিৰোধীতা কৰাবোৰৰ মুখা সুলকি পৰিছে। বিশ্বৰ বিপ্লৱীজনগণে সাম্ৰাজ্যবাদ, সামাজিক সাম্ৰাজ্যবাদীহঁতক এঘৰীয়া কৰি পেলোৱাৰ উপক্ৰম হৈছে। ভ্ৰাতৃপ্ৰতিম উন্নত পুঁজিবাদী দেশসমূহেও ইহঁতৰ বিৰোধীতা কৰিছে ক্ষেত্ৰবিশেষে। বিশ্বৰ বিপ্লৱী জনগণৰ কোন শত্ৰু, কোন মিত্ৰ সেয়া ভালদৰেই এতিয়া ওলাই পৰিছে। এনে পৰিস্থিতি স্বাভাৱিকতে বিপ্লৱৰ বাবে অনুকূল। কিন্তু বাসৱপুন্নিয়াই এই যুক্তি মানি নলয়। তেওঁ প্ৰশ্ন কৰে — চীনে এফালে বিশ্ব সমাজবাদী শিবিৰ এতিয়া ভাঙি গ'ল বুলি কৈছে, আকৌ আনফালে বিশ্বপৰিস্থিতি বিপ্লৱৰ বাবে চমৎকাৰ বুলি কৈছে। ই স্ববিৰোধেৰে ভৰা যুক্তি নহয়নে ? চীনা কমিউনিষ্ট পাৰ্টিৰ নীতিৰ মাজত এনে 'স্ববিৰোধ' আৱিষ্কাৰ কৰি আত্মসন্তোষ্টি লাভ কৰে ভাৰতৰ সংশোধনবাদী তাত্ত্বিকে। বেলট বাকচৰ মজেতেই যাৰ বিপ্লৱৰ বাৰুদ ফুটে সি সদায় সংখ্যাগৰিষ্ঠতাৰ কথা ভাবে, সি স্বীকাৰ নকৰে যে নীতিহীন সংখ্যাগৰিষ্ঠতাতকৈ নীতিগত সংখ্যালঘিষ্ঠতাই শ্ৰেয়ঃ। লেনিন কেতিয়াবা পাৰ্টিৰ ভিতৰতে সংখ্যালঘুগোষ্ঠীৰ নেতা হোৱা নাছিলনে ? সমাজবাদৰ মুখাপিন্ধা সমাজবাদত বিৰোধিতা কৰা সংখ্যালঘিষ্ঠতাৰ ভয়ত হাত সাবটি লৈ তথাকথিত বিশ্বসমাজবাদী শিবিৰ পাতি বহি থাকি বাসৱপুন্নিয়াৰ দলে হয়তো সন্তোষ্টি লভিব পাৰে, কিন্তু প্ৰকৃত কমিউনিষ্টে হলে নোৱাৰে। সেয়েহে চীনা কমিউনিষ্ট পাৰ্টিয়ে প্ৰকাশ্যে কয় যে বিশ্ব সমাজবাদী শিবিৰ এতিয়া আৰু নাই। আৰু এই নতুন অৱস্থাৰ পৰিপ্ৰেক্ষিতত নতুন নীতি তেওঁলোকে গ্ৰহণ কৰিছে আৰু এই নীতি ফলপ্ৰসূ হৈছে। তথাকথিত সমাজবাদী শিবিৰ ভাঙি যোৱাতো বিপ্লৱী পৰিস্থিতিৰ অনুকূলেহে হৈছে। ইয়াত আচৰিত হ'বলগীয়া একো নাই। দ্বিতীয় আন্তৰ্জাতিক যেতিয়া ভাঙি গ'ল তেতিয়া লেনিন কিয় বিতত হৈ নপৰিল ? পৰিবৰ্তে, তেওঁ কিয় ৰুছ বিপ্লৱৰ উপযুক্ত সময় আহি পৰিছে বুলি ভাবিলে ? এতিয়া তথাকথিত সমাজবাদী শিবিৰ ভাঙি যোৱাৰ পিছতো চীনে বিশ্ব পৰিস্থিতি চমৎকাৰ বুলি ক'লত যিহেতু বাসৱপুন্নিয়া আচৰিত হৈ পৰিছে গতিকে বোধহয় লেনিনৰ সেই সময়ৰ সিদ্ধান্তটো দেখিও আচৰিত হ'লহেঁতেন।

মুঠৰ ওপৰত চীনৰ তৃতীয় বিশ্বৰ প্ৰতি লোৱা বৈদেশিক নীতি পুৰামাত্ৰাই ফলপ্ৰসূ হৈছে। বাস্তৱ অৱস্থাই দেখুৱাই যে বিশ্বৰ জনগণৰ বৃহত্তম শত্ৰু সাম্ৰাজ্যবাদ আৰু সামাজিক সাম্ৰাজ্যবাদ এই নীতিৰ ফলত যথেষ্ট ক্ষতিগ্ৰস্থ হৈছে। তদুপৰি এই

OKDISCD

নীতিৰে মাৰ্ক্সবাদ–লেনিনবাদী আদৰ্শৰ বিকশিত ৰূপ এটা পৰিষ্কাৰভাবে ডাঙি ধৰিছে। তাৰ মূল আদৰ্শৰ ক্ষেত্ৰত কোনো আপোচ নকৰাকৈয়ো মাৰ্ক্সবাদ-লেনিনবাদে বিপ্লৱৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত কেনে flexibility ৰ সুযোগ দিয়ে সেয়া ফুটি উঠিছে চীনা বৈদেশিক নীতিৰ মাজেদি। মাৰ্ক্সবাদ-লেনিনবাদৰ বিকাশৰ ইতিহাসত প্ৰথম বাৰে এনে পৰীক্ষা-নিৰীক্ষা চলাইছে চীনা কমিউনিষ্ট পাৰ্টিয়ে। মাৰ্ক্সবাদী আদৰ্শত নিহিত হৈ থকা এই প্ৰচুৰ সম্ভাৱনা তাহানিতে লেনিনে উপলব্ধি কৰিছিল, কিন্তু তাৰ প্ৰয়োগৰ বাবে বিশ্ববাসী এই দশকলৈকে ৰ'ব লগা হ'ল। নিঃসন্দেহে চীনৰ এনে বৈদেশিক নীতিয়ে দেশৰ সংশোধনবাদী কমিউনিষ্ট পাৰ্টিবোৰক বেছ শলঠেকত পেলাইছে।

# বিহুৰ দিনা ঃ প্ৰিয়তমাসু

—জ্ঞান পূজাৰী।

প্ৰতিবাৰেই যেতিয়া বা–লাগি
তোমাৰ স্বপ্নই ডৌকা কোবাই যায়
জাৰজ দিগ্‌গজহঁতে দুৰ্গৰক্ষাৰ বাবে ডেউকা ভাঙি দিয়ে।

তুমি তাহাৰ কথা ভাবিলেই
হে মোৰ যৌৱন প্ৰজ্ঞাৰ প্ৰিয়া
বহাগৰ নাহৰ ফুলৰ গন্ধৰ দৰে বুকু ভৰি যায়
ক'কোৱা-কালা-ভদকা-টোকাবীৰ জুল্‌ফিৰ বুকুত গোৰ মাৰি
ধনুৰ গুণৰ দৰে টংকৈ বাজি উঠে
সাপৰ খোবোঙত হাত ভৰাই ময়না উৰোৱা শৈশৱৰ দাম্ভিকতা।

ভুকুং ভু-কু-ং-কৈ উৰি যায়
শৈশৱৰ আয়াসৰ ভুকুং চৰাই
গাওঁ-ভুই-পাহাৰৰ কৰৈ পাৰ হৈ
হেঙুল বেলিয়ে ৰেঙাই যায়
আমাৰ গাওঁ।

মেঘৰ গোটমৰা চপৰা ভাগে
ঢকা-চমকাত মলঙে পুৰোহিতৰ থাপনা
হে মোৰ ঋতুমতী প্ৰিয়া
হিলদল ভাঙি তোমাৰ ডেউকাৰ উমেৰে
মুকুলিত ভ্ৰূণ পোখা মেলিবলৈ দিয়া
মুক্তিৰ স্বপ্নভৰত মামৰে ধৰা তৰোৱাল খানখান হওক
অংকুৰিত ভ্ৰূণে আজুৰি আনক মহীৰুহৰ বিশাল সম্ভাৱনা।

---

# নাগালেণ্ড ঃ শান্তিপূৰ্ণ সমাধান সম্ভৱনে ?

—উদয়ন মিশ্ৰ।

[ যোৱা সংখ্যাৰ পিছৰ পৰা। ]

ভাৰতীয় সামৰিক বাহিনীৰ দমনমূলক কাৰ্য্যকলাপৰ বৃদ্ধিৰ লগে লগে আত্মগোপনকাৰী ফেদাৰেল চৰকাৰেও অধিক জোৰদাৰ ভাবে নিজৰ আন্দোলন আগুৱাই নিবলৈ আৰম্ভ কৰে। একাংশ নগা নেতাই ডাঃ ইমকংলিবা আওৰ নেতৃত্বাধীন "নাগা পিপলচ্ কনভেনশ্যন"ৰ যোগেদি ভাৰত চৰকাৰৰ লগত আপোচ-মিমাংসা কৰিবলৈ যত্ন কৰে। তেওঁলোকৰ প্ৰচেষ্টাতে ১৯৫৭ চনৰ ডিচেম্বৰ মাহত "নগা পাহাৰ টুৱেনচাং অঞ্চল" গঠিত হয় আৰু এই অঞ্চলটোক ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰতিনিধি হিচাবে অসমৰ ৰাজ্যপালৰ শাসনাধীন কৰা হয়। ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ৰ অধীনস্থ এই অঞ্চলটো অসমৰ নগা পাহাৰ জিলা আৰু নেফাৰ টুৱেনচাং অঞ্চলৰ কিছু অংশক লৈ গঠন কৰা হৈছিল। এই পদক্ষেপৰ লগে লগেই নাগা পিপলচ্ কনভেশ্যনে ভাৰতীয় গণতন্ত্ৰৰ ভিতৰতে পৃথক নগাৰাজ্যৰ দাবী তুলিবলৈ ধৰে। ভাৰত চৰকাৰে সেই সময়ত "বিশ্বাসী" নগাসকলক সন্তুষ্ট ৰাখিবলৈ অতি তৎপৰ হৈ পৰিছিল আৰু গতিকে পৃথক নগাৰাজ্যৰ দাবী অতি সহজেই মানি লোৱা হয়। ১৯৬০ চনত এই মৰ্ম্মে "দিল্লী সিদ্ধান্ত" (Delhi Agreement) গ্ৰহণ কৰা হয়। এই সিদ্ধান্তত নাগা পিপলচ্ কনভেনশ্যনৰ ১৬ দফীয়া দাবীৰ স্মাৰক পত্ৰ আৰু পৃথক নগাৰাজ্যৰ দাবী ভাৰত চৰকাৰে মানি লয়। ১৯৬১ চনৰ ফেব্ৰুৱাৰী মাহত ডাঃ ইমকংলিবা আওৰ সভাপতিত্বত অন্তৰ্বৰ্তীকালীন সভা এখনৰ ( Interim Council ) কাম–কাজ আৰম্ভ কৰা হয়। কিন্তু ফিজো আৰু ফেদাৰেল চৰকাৰে প্ৰথমৰ পৰাই স্পষ্টভাবে দিল্লী এগ্ৰিমেন্টৰ বিৰোধিতা কৰে আৰু আত্মগোপনকাৰী সকলে কঠোৰ সংগ্ৰামৰ পৰিকল্পনাৰে নিজৰ আঁচনি নতুন ধৰণেৰে তৈয়াৰ কৰিবলৈ ধৰে। সৈণ্যবৃদ্ধিৰ কাম খৰটকীয়া কৰাৰ উপৰিও আত্মগোপনকাৰীসকলে অস্ত্ৰ-সাহায্যৰ বাবে আন আন দেশৰ লগত যোগাযোগ কৰিবলৈ লয়।

সেইসময়ত লণ্ডনত আত্মনিৰ্বাসিত হৈ থকা ফিজোৱে দিল্লী এগ্ৰিমেন্টৰ বিষয়ে এইদৰে কৈছিল ঃ "নগাপাহাৰৰ ভৱিষ্যত সম্পৰ্কে নগাৰাজ্যৰ প্ৰকৃত প্ৰতিনিধিৰ লগত হোৱা বুজা–পৰাৰ বাহিৰে আন কোনো ধৰণৰ বুজা-পৰাকে স্বীকৃতি দিব নোৱাৰি।"[১১] কিন্তু, ফেদাৰেল চৰকাৰে বিৰোধীতা কৰাৰ স্বত্ত্বেও নাগালেণ্ড প্ৰদেশখন ১৯৬৩ চনৰ ১ ডিচেম্বৰ তাৰিখে উদ্বোধন কৰা হয়।

OKDISCD

এতিয়াৰে পৰা নগা ফেদ ৰেল চৰকাৰে দুমুখীয়া শত্ৰুৰ বিৰুদ্ধে যুজিবলগীয়া হ'ল— ভাৰত চৰকাৰ আৰু নাগালেণ্ড প্ৰাদেশিক চৰকাৰ। নগাসংগ্ৰামৰ এই নতুন ৰূপটো যথেষ্ট মনকৰিবলগীয়া। এহাতে, ভাৰত চৰকাৰৰ এটা বহুদিনীয়া পৰিকল্পনা সফল হ'ল, কাৰণ নগা সকলৰ মাজত এটা বিভাজন আহি পৰিল। আনহাতে, এই নতুন বাস্তৱৰ সন্মুখীন হৈ ফেদাৰেল চৰকাৰে প্ৰবল দৃঢ়তাৰে স্বাধীনতাৰ বাবে যুজিবলৈ অঙ্গীকাৰ কৰিলে। ভাৰত চৰকাৰৰ বিপক্ষে সশস্ত্ৰ সংগ্ৰাম শক্তিশালী হৈ উঠিলত ১৯৬৩ চনৰ এপ্ৰিল মাহত ভাৰত চৰকাৰে এটা বিবৃতি দিয়ে যে নাগালেণ্ডত বিদ্ৰোহী নগাসকলৰ বৰ্দ্ধিত কাৰ্য্য-কলাপক দমন কৰিবৰ বাবে ভাৰতীয় বিমান বাহিনীয়ে সামৰিক বাহিনীক সাহায্য দিব।[১২] ইয়াৰ বাহিৰেও নাগালেণ্ডত ভাৰতীয় সৈন্যৰ সংখ্যা কেইবাগুণ বৃদ্ধি কৰা হয় আৰু আধুনিক অস্ত্ৰ-শস্ত্ৰেৰে তাত থকা ভাৰতীয় সৈন্যবাহিনীটো সুসজ্জিত কৰা হয়। কিন্তু তথাপিও বিদ্ৰোহী নগাসকলে এটাৰ পাচত এটাকৈ কেইবাটাও চমকপ্ৰদ সাফল্য অৰ্জন কৰে আৰু ভাৰতীয় সৈন্যসকলে যেতিয়া দেখিলে যে এই অচিনাকী ঠাইখনত প্ৰায় প্ৰত্যেকজন নগাকেই বিদ্ৰোহী বুলি সন্দেহ কৰিব পাৰি তেতিয়া তেওঁলোকৰ মনোবল কমিবলৈ ধৰে। এই বিষয়ে পি-ডি-ষ্ট্ৰেচীয়ে তেখেতৰ "Nagaland Nightmare" নামৰ কিতাপত লিখিছে ঃ "With sympathisers in every village and the tremendous walking powers of the ordinary Naga, to whom every short cut and subsidiary trail in his area is known, is there any wonder that the quarry is seldom at home ?"[১৩] ভাৰতীয় সৈন্য বাহিনীৰ কাৰ্য্যকলাপ বৃদ্ধি হোৱাৰ লগে লগে গাঁওবাসী সকলেও বিদ্ৰোহীসকলক অধিক সমৰ্থন দিবলৈ ধৰে।

নাগালেণ্ডৰ যুদ্ধখনে যেতিয়া এনেদৰে নতুন আকাৰ ধাৰণ কৰে আৰু সাধাৰণ নগা ৰাইজৰ বাবে জীৱন যাপন কৰা অসহ্য হৈ পৰে তেতিয়া খৃষ্টান চাৰ্চৰ নেতা সকলৰ উদ্যমত ১৯৬৪ চনৰ ফেব্ৰুৱাৰী মাহত 'নাগালেণ্ড শান্তি মিশ্যন' গঠিত হয়। সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহা, শ্ৰীজয় প্ৰকাশ নাৰায়ণ আৰু ৰেভাৰেণ্ড মাইকেল স্কটক[১৪] এই মিশ্যনৰ সভ্য নিযুক্তি কৰা হয়। এই শান্তি মিশ্যনৰ প্ৰচেষ্টাতে চাক্ৰাবা গাঁৱত ১৯৬৪ চনৰ মে' মাহত এখন যুদ্ধবিৰতি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিখনেই বিখ্যাত Sakraba Agreement বুলি জনাজাত। এই চুক্তিত স্বাক্ষৰ দান কৰে শান্তি মিশ্যনৰ তিনিওজন সদস্য আৰু ফেদাৰেল চৰকাৰৰ ছজন প্ৰতিনিধিয়ে।



চুক্তিখনৰ কেইবাটাও উল্লেখযোগ্য দিশ আছিল। ইয়াতে এহাতে যেনেকৈ শ্বিলোঙৰ নাগালেণ্ড প্ৰাদেশিক চৰকাৰটোৰ কোনো উল্লেখ নাছিল, তেনেকৈ আনহাতে ফেদাৰেল চৰকাৰৰ সামৰিক বাহিনী, "নাগা আৰ্মি"ৰ অস্তিত্ব মানি লোৱা হৈছিল। "যুদ্ধবিৰতি" শব্দটোৱেও এটা গুৰুত্বপূৰ্ণ কথা সূচাইছিল। যুদ্ধবিৰতি সাধাৰণতে যুদ্ধত লিপ্ত দুখন স্বাধীন দেশৰ মাজত হয়। গতিকে "যুদ্ধবিৰতি" চুক্তিখন পৰোক্ষভাবে ফেদাৰেল চৰকাৰৰ বাবে এক প্ৰকাৰৰ বিজয়েই আছিল। ইয়াৰোপৰি এই চুক্তিখনত আন এটা গুৰুত্বপূৰ্ণ কথা আছিল ব্ৰহ্মদেশৰ সৈতে থকা আন্তৰ্জাতিক সীমাৰেখাৰ তিনি মাইলৰ ভিতৰত কোনো সামৰিক পহৰা কাৰ্য্য চলোৱা নহ'ব। যুদ্ধবিৰতি চুক্তিখনৰ আন-আন চৰ্তবোৰ এনেধৰণৰ আছিল ঃ

"নিৰাপত্তা বাহিনীয়ে তলত দিয়া কামবোৰ হাতত নলয়—

(১) জংঘলৰ ভিতৰত যুদ্ধকাৰ্য্য।

(২) বিদ্ৰোহীসকলৰ কেম্প আক্ৰমণ কৰা।

(৩) নিৰাপত্তা চকীবোৰৰ পৰা এহেজাৰ গজৰ বাহিৰত পহৰা দিয়া।

(৪) গাঁওবোৰত সন্ধানকাৰ্য্য চলোৱা।

(৫) বিমান বাহিনীৰ কাৰ্য্য-কলাপ।

(৬) আতংক কাৰ্য্য।

(৭) শান্তি দিবৰ বাবে বলপূৰ্বকভাবে শ্ৰম আদায় কৰা।"

নগা ফেদাৰেল চৰকাৰেও তলত দিয়া কাৰ্য্যবোৰৰ পৰা বিৰত থকাৰ প্ৰতিশ্ৰুতি দিয়ে ঃ

(১) অতৰ্কিত আক্ৰমণ চলোৱা।

(২) অপহৰণ কৰা বা সৈন্য বৃদ্ধি কৰা।

(৩) জৰিমনা আদায় কৰা।

(৪) কুটাঘাটমূলক কাৰ্য্য-কলাপ।

(৫) নিৰাপত্তা চকী, চহৰ বা প্ৰশাসনীয় কেন্দ্ৰবোৰৰ ওপৰত গুলি চলোৱা বা আকস্মিক আক্ৰমণ চলোৱা।

(৬) যিবোৰ গাঁও, চহৰ বা প্ৰশাসনীয় কেন্দ্ৰত নিৰাপত্তা চকী আছে সেইবোৰত সশস্ত্ৰ হৈ বা ইউনিফৰ্ম পিন্ধি ঘুৰা-পকা কৰা।

যুদ্ধবিৰতি চুক্তিখনৰ পৰা এই কথা স্পষ্টভাবে ওলাই পৰিল যে ভাৰতীয় সৈন্য

OKDISCD

বাহিনীয়ে গাঁওবোৰত সন্ধানকাৰ্য্য চলাইছিল, বিমানবাহিনীৰ সহায় লৈছিল আৰু নগা ৰাইজৰ পৰা বলপূৰ্বক শ্ৰম আদায় কৰিছিল। ১৯৬৪ চনৰ চেপ্তেম্বৰৰ ৬ তাৰিখে যুদ্ধবিৰতি কাৰ্য্যকৰী হয় আৰু তাৰ পাচতেই কহিমাৰ পৰা পাঁচ মাইল নিলগৰ চেডেমা কেম্পত শান্তি আলোচনা আৰম্ভ হয়। কিন্তু কেইবাটাও বৈঠকৰ পাচতো এই আলোচনা বিশেষ ফলপ্ৰসূ নহ'ল। এহাতে ফেদাৰেল চৰকাৰ সাৰ্বভৌমত্ব সম্পৰ্কে সিদ্ধান্তত অলৰ-অচৰ হৈ থাকিল। আনহাতে, ভাৰত চৰকাৰে বিচাৰিছিল ভাৰতীয় সংবিধানৰ ভিতৰতে এটা সমাধান। শান্তি মিশ্যনে নিৰস্ত্ৰীকৰণ সম্পৰ্কে আগবঢ়োৱা প্ৰস্তাৱটোও নাকচ হৈ যায় কাৰণ নগা ফেদাৰেল চৰকাৰ আৰু 'টাটাৰ হোহো' ই আসংকা কৰিছিল যে নিৰস্ত্ৰীকৰণৰ দ্বাৰা তেওঁলোকৰ ৰাজনৈতিক আধাৰটো ক্ষতিগ্ৰস্থ হ'ব। এনে এক অচল পৰিস্থিতিৰ ওৰ পেলাবলৈ শান্তি মিশ্যনে কিছুমান প্ৰস্তাৱ আগবঢ়ালে। যদিও শান্তি মিশ্যনৰ প্ৰস্তাৱসমূহ ভাৰত চৰকাৰৰ প্ৰভাৱৰ পৰা মুক্ত নাছিল, তথাপিও এই প্ৰস্তাৱবোৰৰ কেইটামান দিশ মন কৰিবলগীয়া।

শান্তি মিশ্যনৰ প্ৰস্তাৱসমূহে[১৫] প্ৰথমে নাগা ফেদাৰেল চৰকাৰ আৰু ভাৰত চৰকাৰ দুয়ো তৰফৰে [ নগা সমস্যা সম্পৰ্কে ] দৃষ্টিভঙ্গী ভাঙি ধৰে। কিন্তু তাৰ পাচত ইয়াকো কোৱা হয় যে নাগালেণ্ড কোনো দিনাই ভাৰতীয় সংস্কৃতিৰ মূল ধাৰাৰ ভিতৰত নাছিল আৰু ১৯৪৭ চনত বৃটিচে ভাৰত এৰি যোৱাৰ সময়তো নাগালেণ্ডে ভাৰতীয় সংঘত চামিল হ'বলৈ কোনো ইচ্ছা প্ৰকাশ কৰা নাছিল। শান্তি মিশ্যনে নগাসকলৰ আত্ম-নিৰ্দ্ধাৰণ কৰাৰ আৰু নিজৰ অখণ্ডতা ৰক্ষা কৰাৰ ইচ্ছাক যথাযথভাৱে উপলব্ধি কৰে আৰু মন্তব্য দিয়ে যে "নাগা ফেদাৰেল চৰকাৰে নিজৰ ইচ্ছানুযায়ী ভাৰতীয় সংঘৰ সভ্য হ'বলৈ সিদ্ধান্ত ল'ব পাৰে আৰু ভাৰত চৰকাৰৰ সৈতে এটা পাৰস্পৰিক বুজা পৰালৈ আহিব পাৰে।" ( শান্তি মিশ্যন প্ৰস্তাৱৰ ১৩ নং পেৰা )। এই প্ৰস্তাৱৰ ১২ নং পেৰাত আকৌ কোৱা হৈছে যে "নগা ৰাইজে নিজৰ লক্ষ্যত উপনীত হ'বৰ বাবে যি সাহস আৰু দৃঢ়তা দেখুৱাইছে তাক শান্তি মিশ্যনে প্ৰশংসনীয় বুলি ধাৰণা কৰে।" টাটাৰ হো'হো'ৰ বিশেষ অধিবেশন এখনত শান্তি মিশ্যনৰ সভ্যসকলো উপস্থিত আছিল। সেই সময়ৰ অসমৰ মুখ্য মন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই এই কথা স্পষ্টভাৱে জনাই দিয়ে যে ফেদাৰেল চৰকাৰে শান্তি মিশ্যনৰ প্ৰস্তাৱসমূহ গ্ৰহণ কৰা মানে ভাৰতৰ অঙ্গ হৈ পৰাটো নুবুজাব। শ্ৰীজয়প্ৰকাশ নাৰায়ণেও কয় যে নগা সংগ্ৰাম "অৱশ্যেই জাতীয় মুক্তিৰ বাবে কৰা সংগ্ৰাম"।[১৬] টাটাৰ-হো হোৱে পোনপটীয়াকৈ প্ৰস্তাৱসমূহ নাকচ নকৰিলে যদিও



বস্তুতঃ তেওঁলোকে প্ৰস্তাৱবোৰ গ্ৰহণো নকৰিলে। তেওঁলোকে পুনৰ জোৰ দি ক'বলৈ ধৰিলে যে ভাৰত-নগা বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ একমাত্ৰ আধাৰ হ'ব পাৰে নগাসকলৰ আত্মনিৰ্দ্ধাৰণৰ অধিকাৰ প্ৰাপ্তি।

ইয়াৰ পাচত শান্তি আলোচনা আকৌ চলিবলৈ ধৰিলে আৰু যুদ্ধবিৰতিৰ কাল বঢ়াই দিয়া হ'ল। ভাৰত চৰকাৰে এজন ফেদাৰেল নেতাক লণ্ডনলৈ গৈ ফিজোৰ লগত আলোচনাত ভাগ লোৱাৰ অনুমতি দিলে। উল্লেখযোগ্য যে ইয়াৰ আগতে যেতিয়া ফেদাৰেল চৰকাৰৰ এটা তিনিজনীয়া দল ভাৰতীয় পাছপ'ৰ্টত ইংলণ্ডলৈ যোৱাৰ পৰামৰ্শ আগবঢ়োৱা হৈছিল তেতিয়া ফেদাৰেল নেতাসকলে সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰে কাৰণ ভাৰতীয় পাছপ'ৰ্ট গ্ৰহণ কৰাৰ অৰ্থ হ'ল ভাৰতীয় নাগৰিকত্ব স্বীকাৰ কৰা। অৱশেষত ফিজোৰ ভায়েক আৰু আত্মগোপনকাৰীসকলৰ অন্যতম নেতা শ্ৰীকেভি য়েলিয়ে ( Kevi Yalley ) লণ্ডনলৈ যাত্ৰা কৰে। তেওঁৰ যাত্ৰাৰ আগে আগে নগা নেশ্যনেল কাউন্সিলৰ ৯ বছৰৰ মূৰত মুকলি সভা পতা হয় ২১ মে' ১৯৬৫ চনত, ভিশ্বেমা গাঁৱত। এই সভাৰ সভাপতিত্ব কৰি নগা নেশ্যনেল কাউন্সিলৰ উপ-সভাপতি শ্ৰীইমকংমেৰানে ফিজোৰ নেতৃত্ব আৰু নগা স্বাধীনতাৰ কথা পুনৰাই সোঁৱৰাই দিয়ে।

সেই বছৰৰেই চেপ্তেম্বৰ মাহত শ্ৰীয়েলী উভতি আহি শ্ৰীচলিহাক জনাই যে ফিজোৱে ভাৰত চৰকাৰৰ লগত আলোচনাত ভাগ লবলৈ ৰাজী আছে, কিন্তু ফেদাৰেল চৰকাৰৰ দৃষ্টিভঙ্গীৰ কোনো ধৰণৰ পৰিবৰ্তন পৰিলক্ষিত নহ'ল। ১৯৬৬ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ ইচ্ছানুযায়ী ভাৰত-নগা আলোচনা পুনৰ আৰম্ভ কৰা হয়। প্ৰধান মন্ত্ৰীৰ লগত হোৱা এই আলোচনাৰো কোনো ফল নধৰিলে। দিল্লীত সাংবাদিক সকলৰ লগত হোৱা এটি সাক্ষাৎকাৰত নগা ফেদাৰেল চৰকাৰৰ বৈদেশিক মন্ত্ৰী শ্ৰীআইজাক স্বুৱে [ Isaac Swu ] ঘোষণা কৰে যে নগা সকলক স্বাধীনতাৰ বাহিৰে আন একোৱেই সন্তুষ্ট কৰিব নোৱাৰে। এখন স্বায়ত্ব শাসিত নাগালেণ্ড যাৰ প্ৰতিৰক্ষা, বৈদেশিক নীতি আৰু অৰ্থনীতি দিল্লীৰ দ্বাৰা পৰিচালিত হ'ব, তেওঁলোকৰ গ্ৰহণযোগ্য হ'ব নে বুলি সোধাত শ্ৰীস্বুৱে এই বুলি উত্তৰ দিয়ে ঃ "সেয়া স্বাধীনতা নহ'ব। আমি ভাৰতৰ অঙ্গ হ'ব নিবিচাৰো। আমাক আত্মনিৰ্দ্ধাৰণৰ অধিকাৰ নিদিয়া কোনো ব্যৱস্থাকে আমি

OKDISCD

গ্ৰহণ নকৰো।” সেই সাংবাদিক মেলখনৰ অন্তত শ্ৰীস্বুয়ে কয়— “আমাৰ লক্ষ্য উপনীত হ’বৰ বাবে প্ৰয়োজন হ’লে আমি আন দেশৰ পৰা সাহায্য ল’বলৈকো বাধ্য হ’ম।” [১৭] এয়াই আছিল নগা সংগ্ৰামৰ এক নতুন পৰ্য্যায়ৰ সূচনা।

ভাৰত চৰকাৰ আৰু নগা ফেদাৰেল চৰকাৰৰ মাজৰ প্ৰাচীৰখন দিনে দি অধিক শক্তিশালী হৈ উঠিবলৈ ধৰিলে আৰু শান্তিৰ বাবে হোৱা সকলোবোৰ আলাপ আলোচনা নিষ্ফল হ’ল। দুয়ো পক্ষই নিজৰ দৃষ্টিভঙ্গী আৰু বেচি কঠোৰ কৰি পেলালে যুদ্ধবিৰতিৰ চুক্তি উলংঘা কৰাৰ বাতৰি আহিবলৈ ধৰিলে আৰু ভাৰতীয় প্ৰতিৰক্ষ বাহিনীয়ে গাঁওপুণসংগঠনৰ কাম, শান্তিমূলক অভিযান আৰু নৃশংস দমনকাৰ্য্য লিপ্ত হৈ পৰে। ১৯৬৬ চনৰ ২৫ ফেব্ৰুৱাৰী তাৰিখে শ্ৰীজয়প্ৰকাশ নাৰায়ণে শা মিশ্যনৰ পৰা পদত্যাগ কৰে। পদত্যাগৰ কাৰণ দেখুৱাই নাৰায়ণে কয় যে তেওঁ ফেদাৰে চৰকাৰৰ আস্থা হেৰুৱাই পেলাইছে আৰু তেওঁ কোনোদিনাই নগাসকলক পূৰ্ণ স্বাধীনত দিয়াত বিশ্বাস কৰা নাছিল। ইয়াৰ পাচতেই শ্ৰীবিমলা প্ৰসাদ চলিহায়ো শান্তি মিশ্যন সভ্য পদৰ পৰা পদত্যাগ কৰে আৰু মাইকেল স্কটক ভাৰতৰ পৰা বহিষ্কা কৰা হয়।

ফেদাৰেল চৰকাৰে কিন্তু নিজৰ কাম-কাজ দুগুণ উদ্যমেৰে চলাই যাব সক্ষম হয় আৰু ১৯৬৬ চনৰ ২৩ মাৰ্চত কহিমাৰ দাঁতি-কাষৰীয়া এক অঞ্চলত তেওঁলোকে ‘নগা গণতন্ত্ৰ দিৱস’ পালন কৰে। ফেদাৰেল চৰকাৰৰ পতাকা উত্তোলন কৰাৰ উপৰি গণতন্ত্ৰ দিৱসৰ সকলোবোৰ অনুষ্ঠানেই সুচাৰুভাৱে পৰিচালিত হয় আৰু দূৰ-দূৰণি পৰা কেইবা-ৰাতিও খোজকাঢ়ি হাজাৰ হাজাৰ নগাৰাইজে এই অনুষ্ঠানত যোগদা দিয়েছি। এই অনুষ্ঠানত অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত নাগা আৰ্মিৰ ইউনিটবোৰে নিজৰ শক্তি চকুতলগাভাৱে প্ৰদৰ্শন কৰে। ‘গণতন্ত্ৰ দিৱস’ উপলক্ষে দিয়া ভাষণত ফেদাৰেল চৰকাৰ ৰাষ্ট্ৰপতিয়ে এই বুলি ঘোষণা কৰে: “মোৰ দৃঢ় বিশ্বাস যে ভাৰত-নগা সম্পৰ্কৰ সমস্যাটো সমাধান একমাত্ৰ নগাসকলৰ আত্ম-নিৰ্দ্ধাৰণৰ অধিকাৰৰ ভিত্তিতহে হ’ব পাৰে।” তেওঁ এই কথা জোৰ দি কয় যে নগাসকলে ভাৰতৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰাখিব বিচাৰে, কিন্তু “যদি আমাৰ ওপৰত চৰম অৱস্থা জাপি দিয়া হয় তেন্তে আমি এচিয় এক বৃহৎ অঞ্চলৰ ইতিহাস সম্পূৰ্ণভাৱে পৰিবৰ্তন কৰিবলৈ সাজু থাকিব লাগিব।” ফেদাৰেল চৰকাৰে তেওঁলোকৰ গণতন্ত্ৰ দিৱসৰ অনুষ্ঠানৰ কথা আগতীয়াকৈ ৰা চৰকাৰকো জনাই দিছিল। কিন্তু ৰাজ্য চৰকাৰে আৰু প্ৰতিৰক্ষা বাহিনীয়ে ই



কৰিলেও এই অনুষ্ঠান বন্ধ কৰিব নোৱাৰিলেহেঁতেন। অৱশ্যে নতুন দিল্লীৰ পৰা পাচত জনোৱা হয় যে আত্মগোপনকাৰীসকলে ‘গণতন্ত্ৰ দিৱস’ উদ্‌যাপন কৰাৰ বাবে আগতীয়াকৈ ভাৰত চৰকাৰৰ পৰা ‘অনুমতি’ লৈ থৈছিল! নগা আত্মগোপনকাৰীসকলে এনে মুক্ত আৰু সংকোচবিহীন ভাৱে ভাৰত চৰকাৰৰ আইন নীতি উপেক্ষা কৰাৰ বাবে লোকসভাত যথেষ্ট আলোড়নৰ সৃষ্টি হয়! ‘গণতন্ত্ৰ দিৱস’ত উপস্থিত থকা হাজাৰ হাজাৰ নগা ৰাইজে এই কথা স্পষ্টভাৱে প্ৰমাণিত কৰে যে নগা ফেদাৰেল চৰকাৰটো এমুঠি ‘পশ্চিমীয়া শিক্ষাৰে শিক্ষিত খৃষ্টান’ৰ দ্বাৰা গঠিত নহয়। বৰঞ্চ এই চৰকাৰৰ প্ৰকৃত শক্তি বিপুল সংখ্যক নগা জনসাধাৰণৰ হাতৰ মুঠিৰ পৰাহে ওলাইছে।

১৯৬৬ চনৰ আৰম্ভণিৰ পৰাই নাগালেণ্ডৰ পৰিস্থিতিৰ দ্ৰুত পৰিবৰ্তন ঘটিবলৈ ধৰে. শান্তি মিশ্যন ভাঙি পৰিল, চাৰ্চৰ প্ৰভাৱ ক্ৰমাৎ কমি আহিবলৈ ধৰিলে আৰু আত্মগোপনকাৰীসকলে বন্ধু ৰাষ্ট্ৰসমূহৰ লগত, বিশেষকৈ কমিউনিষ্ট চীনৰ লগত’ সম্পৰ্ক স্থাপন কৰিবলৈ ধৰিলে। এনে এক পৰিস্থিতিৰ মাজতো আত্মগোপনকাৰী নেতাসকলে শ্ৰীমতী গান্ধীৰ লগত তৃতীয়বাৰৰ বাবে আলোচনাত বহে (আগষ্ট ১৯৬৬ চন)। ফেদাৰেল চৰকাৰৰ তৰফৰ পৰা এখন ১৪ দফীয়া স্মাৰক-পত্ৰ দাখিল কৰা হয় য’ত পুনৰ কোৱা হয় যে “অসম আৰু ব্ৰহ্মদেশৰ সীমান্ত নাগালেণ্ড সদায় এখণ স্বাধীন ৰাজ্য আছিল” আৰু নাগালেণ্ড “কোনো দেশৰ হাততে নিজৰ সাৰ্বভৌমত্ব আৰু স্বাধীনতা সমৰ্পন নকৰে।” [২০] এই আলোচনাও নিষ্ফল হ’ল। ইয়াৰ পাচত ১৯৬৭ চনৰ জানুৱাৰী আৰু অক্টোবৰ মাহত আকৌ আলোচনা হয়। অক্টোবৰৰ আলোচনাতে ভাৰত চৰকাৰ আৰু ফেদাৰেল নগা চৰকাৰৰ মাজৰ মিটমাটৰ বাট সম্পূৰ্ণৰূপে বন্ধ হৈ যায়। নতুন দিল্লীত আলোচনাৰ প্ৰথমখন বৈঠকৰ পাচত নগা নেতাসকলে আৰু এখন বৈঠকৰ বাবে অপেক্ষা কৰি আছিল। কিন্তু তেওঁলোকক কেৱল আলোচনাত বহাৰ পৰা বঞ্চিত কৰাই নহয়, যিটো ভৱনত তেওঁলোকক থাকিবলৈ দিয়া হৈছিল (হায়দাৰাবাদ ভৱন) সেই ভৱনটোও তেওঁলোকক খালি কৰি দিবলৈ কোৱা হয়। নগা নেতাসকলে এই অপমানক সমগ্ৰ নগা ৰাইজৰ বাবেই অপমানজনক বুলি বিবেচনা কৰে আৰু ঘোষণা কৰে যে ‘আমাৰ লগত ভাৰত চৰকাৰে কৰা ব্যৱহাৰক আমি নগা ৰাষ্ট্ৰৰ প্ৰতি দেখুৱা অপমান বুলি ধৰিছো।” নগা প্ৰতিনিধিৰ দলটোৱে তেওঁলোকে দিল্লী ত্যাগ কৰে (১৪ অক্টোবৰ, ১৯৬৭ চন)। ইয়াৰ পিচতেই ফেদাৰেল চৰকাৰে ঘোষণা কৰে যে দিল্লীৰ লগত সকলো আলাপ-আলোচনাৰ সমাপ্তি ঘটিছে। আলোচনাৰ বিফলতাৰ বাবে ভাৰত চৰকাৰক দায়ী কৰা হয়।

OKDISCD

দিল্লী আলোচনা বিফল হোৱাৰ পাচত আত্মগোপনকাৰী নগাসকলে সাহায্য আৰু সমৰ্থনৰ বাবে আন দেশৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ ধৰে। ১৯৬৭ চনৰ পাচৰ পৰাহে নগা সকলে প্ৰকৃততে কমিউনিষ্ট চীনৰ ওচৰ চাপে। প্ৰথমতে চীনৰ সাহায্য বিচৰা প্ৰশ্নটো লৈ নগা চাৰ্চত আৰু আত্মগোপনকাৰী সকলৰ কিছু অংশৰ মাজত প্ৰচণ্ড সমালোচনা হয়। ১৯৬৮ চনৰ জানুৱাৰী মাহত হোৱা নগা নেশ্যনেল কাউন্সিলৰ এখন বৈঠকত এজেণ্ডাৰ এটা বিষয় আছিল ঃ "নাগালেণ্ডে সমাজবাদ আৰু সাম্যবাদৰ পথ গ্ৰহণ কৰিবলৈ সাজু নে ?" এই বিষয়টোৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰি আত্মগোপনকাৰী নেতা ৰাম্যোই ( Ramyo ) কয় ঃ "স্পষ্টভাৱে ক'বলৈ গলে আমি চীনৰ পৰা কিছু সহায় পাইছো আৰু আগলৈ আমি আৰু বেচি সহায়পাম। সহায় কৰা বন্ধুৰ লগত কাজিয়া কৰি লোৱাটো জ্ঞানীৰ কাম হ'বনে ? চীন বা আন কমিউনিষ্ট দেশ এখনৰ পৰা সহায় ল'লেই যে সমাজবাদী হ'ব লাগিব তাৰ কোনো অৰ্থ নাই।" চীনৰ পৰা সাহয্য গ্ৰহণ কৰিলে নগাসকলৰ পুৰণি জীবন যাপন পদ্ধতি বিপদাপন্ন হব পাৰে বুলি আত্মগোপনকাৰী সকলৰ মাজৰ একাংশই যি আশংকা প্ৰকাশ কৰিছিল তাৰ উত্তৰতে শ্ৰীৰাম্যোই ওপৰৰ কথাখিনি কয়। এতিয়াৰে পৰা নগাসকলৰ জটিল ৰাজনৈতিক পৰিস্থিতিত চীনৰ নামটো ক্ৰমাৎ অধিক গুৰুত্বপূৰ্ণ হৈ পৰিল আৰু সেই দেশৰ লগত নগাসকলৰ লেন-দেন বৃদ্ধি পাবলৈ ধৰিলে। যদিও বহু দিনলৈকে চীন সম্পৰ্কে বিতৰ্কখন আত্মগোপনকাৰী সকলৰ মাজত চলি থাকিল, তথাপিও এই কথা স্পষ্ট যে সৰহসংখ্যক নেতাই চীনৰ পৰা সামৰিক প্ৰশিক্ষণ আৰু অস্ত্ৰ–শস্ত্ৰ গ্ৰহণ কৰাৰ সপক্ষে আছিল। পাচত অৱশ্যে ৰাজনৈতিক নিৰ্দেশনৰ প্ৰশ্নটোও এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰে। ১৯৬৮ চনৰ মাৰ্চ মাহৰ নাগালেণ্ড ৰাজ্যিক বিধান সভাৰ বৈঠকত চীন সম্বন্ধীয় প্ৰশ্নটো উত্থাপিত হয় আৰু চীনৰ পৰা সাহায্য লোৱাৰ বাবে আত্মগোপনকাৰী সকলক নিন্দা কৰা হয়। সেই সভাত গৃহীত হোৱা এটা সিদ্ধান্ত আছিল, "এই সভাই দৃঢ়ভাৱে বিশ্বাস কৰে যে এচাম আত্মগোপনকাৰী নগাই চীনৰ লগত সম্পৰ্ক স্থাপন কৰি নাগালেণ্ডক আন এখন ভিয়েটনামলৈ ৰূপান্তৰিত কৰিব খোজাটো এটা আত্মঘাটমূলক নীতি।"[২১] ইয়াৰ উত্তৰত আত্মগোপনকাৰীসকলে কয় যে তেওঁলোকে একমাত্ৰ নগা স্বাধীনতা অৰ্জনৰ বাবেহে চীনৰ সহায় লৈছে। কমিউনিজম আমদানি কৰিবৰ বাবে নহয়।

বাঢ়ি অহা সশস্ত্ৰ সংঘৰ্ষ আৰু উত্তেজনাপূৰ্ণ বাতাবৰণৰ অৱকাশ ঘটাবলৈ শান্তি পৰ্য্যবেক্ষনকাৰী দলটোৱে ডিমাপুৰত এখন যুটীয়া সন্মিলনৰ আয়োজন কৰে। আত্মগোপনকাৰীসকলে এই সন্মিলনলৈ এটা শক্তিশালী প্ৰতিনিধিৰ দল পঠায়। কিন্তু ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰে নাগালেণ্ড ৰাজ্যিক মন্ত্ৰীসভাৰ সদস্য কেইজনমানে। এই কথাৰ ওপৰত মন্তব্য দি ফেদাৰেল চৰকাৰৰ এজন নেতাই কয় ঃ "ভাৰতীয় প্ৰতিনিধিসকলক দেখি মই সম্পূৰ্ণভাৱে নিৰাশ হৈছো। ভাৰত চৰকাৰে বিশ্বৰ আগত ইয়াকে প্ৰতিপন্ন কৰিব খুজিছে যে নিজৰ অঞ্চলতে নগাসকলে নিজৰ মাজতে যুজ কৰিছে।"[২২] ডিমাপুৰ সন্মিলনৰ পৰা কোনো বিশেষ ফল পোৱা নগ'ল; মাত্ৰ এই কথাহে স্পষ্ট হৈ পৰিল যে ফেদাৰেল চৰকাৰে নিজৰ চীন–নীতি পৰিত্যাগ নকৰে। তেওঁলোকে চীনলৈ সামৰিক প্ৰশিক্ষণ ল'বলৈ মানুহ নপঠাওঁ বুলি আশ্বাস দিবলৈ অস্বীকাৰ কৰিলে। ফেদাৰেল চৰকাৰৰ চীন-নীতিৰ পৰা আন এটা কথাও সুস্পষ্ট হৈ পৰিল যে আত্ম-গোপনকাৰীসকলৰ ওপৰত খৃষ্টান চাৰ্চৰ প্ৰভাৱ ক্ৰমাৎ হ্ৰাস পাই আহিছে। এই কথালৈ লক্ষ্য ৰাখি ৰেভাৰেণ্ড লংগ্ৰি আও প্ৰমুখ্যে চাৰ্চৰ নেতাসকলে আত্মগোপনকাৰীসকলৰ মাজত চীনৰ সমৰ্থক সকল আৰু বিশেষকৈ "কমিউনিজমৰ ভাবুকি"ৰ বিৰুদ্ধে সুপৰিচালিত প্ৰচাৰ কাৰ্য্য চলাই যাবলৈ ধৰিলে। ফেদাৰেল চৰকাৰ আৰু চাৰ্চৰ মাজত যি বিৰোধৰ সৃষ্টি হয় তাৰ ফলত ফেদাৰেল তৰফে চাৰ্চৰ নেতৃত্বত আয়োজিত কোনো শান্তি আলোচনাত ভাগ নল'বলৈ থিৰাং কৰে। আনকি তেওঁলোকে এই কথাও জনাই দিয়ে যে চাৰ্চে নগা ৰাজনীতিৰ পৰা আঁতৰি থকাই উচিত। ফেদাৰেল চৰকাৰে এতিয়ালৈকে চাৰ্চ সম্বন্ধে নিজৰ সিদ্ধান্ত সলনি কৰা নাই।

১৯৬৮ চনৰ পৰা নাগালেণ্ডৰ ঘটনাৱলীয়ে এটা বিশেষ ঢাল লৈছে; আত্ম-গোপনকাৰীসকলৰ মাজত শক্তিৰ স্পষ্ট বিভাজন হৈছে। যিসকলে ফেদাৰেল চৰকাৰৰ চীন নীতি সমৰ্থন নকৰে তেওঁলোকৰ কিছুমানে ভাৰত চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰিছে, যেনে স্কাটো স্বুৰ নেতৃত্বাধীন "নাগা বিপ্লৱী চৰকাৰ" আৰু থঙ্গি-চাঙৰ নেতৃত্বাধীন "হংকিন্ চৰকাৰ"। কিছুমানে নিৰ্বাচনত অংশ গ্ৰহণ কৰি আত্মগোপনকাৰী জীৱন পৰিত্যাগ কৰিছে। বৰ্তমান নাগালেণ্ডত ক্ষমতাধীস্থ ইউনাইটেড ডেমক্ৰেতিক ফ্ৰন্টৰ সৰহ সংখ্যক সদস্যাই কিছুদিন আগলৈ ফেদাৰেল চৰকাৰৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। গতিকে U. D. F. চৰকাৰটোক বহুতো মহলে আত্মগোপনকাৰী সকলৰে 'ঢাকোন' বুলি বিবেচনা কৰে। কিন্তু এনেবোৰ বিভাজনৰ স্বত্বেও আত্মগোপনকাৰীসকলৰ প্ৰধান অংশটো যথেষ্ট সবল হৈ থাকিল আৰু বহুতো নিষ্ঠাবান ব্যক্তিয়ে নতুনকৈ



GKDISCD

যোগদান কৰি সংগঠনটো অধিক শক্তিশালী কৰি তুলিলে। নগা ফেদাৰেল চৰকাৰটো নিঃসন্দেহে আজি দহ বছৰৰ আগতকৈ বহুত বেচি শক্তিশালী, যদিও চৰকাৰী মহলে ক'ব খোজে যে ইয়াৰ কংকাল তেনেই ভাঙি পৰিছে।

এউ-ডি-এফৰ সাফল্য আচলতে ফেদাৰেল চৰকাৰৰ বাবেই এটা সীমিত বিজয় আছিল। কাৰণ, এই চৰকাৰটো বহু দিশত আত্মগোপনকাৰীসকলৰ লক্ষ্যৰ প্ৰতি সহানুভূতিশীল। ইয়াৰ উদাহৰণ হ'ল, Unlawful Activities Prevention Act ৰ ম্যাদ বঢ়াই দিয়াৰ বিৰুদ্ধে, ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়াৰ সপক্ষে বা নাগালেণ্ডত ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ সংখ্যা হ্ৰাস কৰাৰ বিষয়ে ইউ-ডি-এফ চৰকাৰৰ নীতি। এই নীতিত পৰিলক্ষিত হৈছে ফেদাৰেল তৰফৰ প্ৰতি থকা ইউ-ডি-এফ চৰকাৰৰ সহানুভূতিশীল মনোভাব। ইউ-ডি-এফে বিজয় লাভ কৰিছিল একমাত্ৰ এই কাৰণেই যে নগা জনসাধাৰণে সেই দলৰ কৰ্মসূচীক সমৰ্থন কৰিছিল আৰু এই কৰ্মসূচীৰ প্ৰধান লক্ষ্য আছিল যুদ্ধ-জৰ্জৰিত নগাভূমিত শান্তি প্ৰতিষ্ঠা কৰা। ফেদাৰেল তৰফেও যথেষ্ট দৃঢ়ভাবে শান্তি প্ৰতিষ্ঠাৰ কথা কৈ আহিছে। কিন্তু নগা ৰাজনৈতিক জীৱনৰ লগত অলপমানো পৰিচয় থকা সকলে বুজিব যে ফেদাৰেল চৰকাৰৰ বাবে শান্তি প্ৰতিষ্ঠাৰ অৰ্থ পৰাজয় স্বীকাৰ কৰা নহয়। যদি নগা ভূমিলৈ শান্তি আহিব লাগে তেন্তে ফেদাৰেল চৰকাৰৰ বাবে সেই শান্তি একমাত্ৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ পৰাহে আহিব। "সন্মানপূৰ্বক শান্তি" মানে নগাসকলে ইয়াকে বুজায়।

ইউ-ডি-এফ চৰকাৰে কিমানদূৰ কেন্দ্ৰীয় চৰকাৰৰ ৰাজনৈতিক হেঁচা সহ্য কৰিব পাৰিব সেইটো এটা সন্দেহজনক কথা। নাগালেণ্ড আৰু মিজোৰামত সম্প্ৰতি ঘটি থকা গুৰুত্বপূৰ্ণ ঘটনাবোৰে ইউ-ডি-এফৰ ভৱিষ্যত আৰু সংকটপূৰ্ণ কৰি তুলিছে। মুখ্য-মন্ত্ৰী শ্ৰীভিজোলৰ অলপতে দিয়া এটি মন্তব্যত এই কথা স্পষ্ট হৈ ওলাইছে যে তেওঁৰ চৰকাৰৰ নিজৰ নিৰ্বাচনী প্ৰগ্ৰেমৰ প্ৰতিশ্ৰুতিবোৰৰ পৰা ক্ষমতা কমি আহিছে আৰু কেন্দ্ৰই তেওঁৰ হাত-ভৰি বান্ধি পেলাব ধৰিছে। যদিও শ্ৰীভিজোলৰ মন্তব্যসমূহৰ পৰা ইউ-ডি-এফ চৰকাৰৰ আত্মগোপনকাৰী সকলৰ প্ৰতি থকা নীতিৰ সলনি হৈছে বুলি থিৰাংকৈ ক'ব নোৱাৰি, তথাপি এই কথা স্পষ্ট যে আত্মগোপনকাৰীসকলৰ চীনৰ লগত বাঢ়ি অহা আদান-প্ৰদানৰ বাবে ইউ-ডি-এফ চৰকাৰ বৰ আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে। তেওঁলোকৰমতে আত্মগোপনকাৰীসকলৰ চীন সম্বন্ধীয় নীতিৰ বাবে ভাৰত চৰকাৰে নাগালেণ্ডত ভাৰত চৰকাৰৰ সামৰিক কাৰ্য্যকলাপ বৃদ্ধি কৰিবলৈ সুযোগ



পাইছে। আত্মগোপনকাৰীসকলেও এতিয়ালৈকে সকলো শান্তি আলোচনাৰ প্ৰস্তাব প্ৰত্যাখ্যান কৰিছে আৰু নাগালেণ্ডত ভাৰত চৰকাৰৰ সামৰিক প্ৰস্তুতিৰ উত্তৰত তেওঁলোকে চীনৰ সৈতে আদান-প্ৰদান বঢ়াই দিছে। বাতৰি পোৱা যায় যে ফেদাৰেল চৰকাৰৰ সৈন্য-বাহিনীটোত নতুনকৈ বহুতো নগা ডেকা-গাভৰুৱে যোগ দিছে আৰু বহুসংখ্যক আধুনিক অস্ত্ৰ-শস্ত্ৰাদি যোগাৰ কৰিছে। তেওঁলোকৰ চীন সম্বন্ধীয় নীতিৰ বাবে অৱশেষত ইউ-ডি-এফৰ লগত খোলাখুলিভাবে সম্পৰ্কচ্ছেদ হ'বনে নহয় সেই কথা কোৱা টান। কিন্তু এই কথা ঠিক যে আত্মগোপনকাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ strong-arm নীতি বা ৰাজ্য চৰকাৰৰ বুজনি কোনোটোৰে বশ হ'বলৈ সাজু নহয়।

ভাৰত চৰকাৰে যদিও সদায় নগা সমস্যাৰ এটা ৰাজনৈতিক সমাধানৰ কথা কৈ আহিছে, তথাপি প্ৰথমৰ পৰাই নগা সকলৰ ওপৰত এটা সামৰিক সমাধানহে জাপি দিবলৈ চেষ্টা কৰা দেখা যায়। সামৰিক সমাধানৰ সপক্ষে ৰায় দিয়া মানুহৰ সংখ্যা বহুত। ১৯৫৭ চনতেই বহুতো ভাৰতীয় মহলত এই প্ৰস্তাৱ উপস্থাপিত হৈছিল যে নগা বিদ্ৰোহক সম্পূৰ্ণৰূপে দমন কৰিবলৈ ভাৰতীয় প্ৰতিৰক্ষা বাহিনীক অবাধ ক্ষমতা দি দিয়া উচিত। এসময়ৰ Times of India আৰু Indian Express কাকতৰ সম্পাদক শ্ৰী ডি-আৰ-মানকেকাৰে নগা প্ৰশ্নটো সম্বন্ধে দিয়া মন্তব্য উল্লেখযোগ্য : "One cannot temporise with rebellion, without counting frustration.[২৩] Either you crush the rebelion, or the rebellion will crush you. ('বিদ্ৰোহৰ সন্মুখত সময়কলৈ খেলা কৰিলে ব্যৰ্থতাৰ সন্মুখিন হ'ব লাগিব। কাৰণ, হয় তুমি বিদ্ৰোহক ধ্বংস কৰিব লাগিব, নহয় বিদ্ৰোহে তোমাক ধ্বংস কৰিব।') মানকেকাৰে প্ৰস্তাৱ কৰা ফেচিবাদী নীতিসমূহৰ পৰা ইয়াকে বুজিব পাৰি যে বেচিভাগ ভাৰতীয় নেতাৰ নগা সংগ্ৰামৰ প্ৰশ্নটো সম্পৰ্কে বুজাপৰাৰ যথেষ্ট অভাৱ। স্বাধীনতা, ন্যায় ইত্যাদিৰ বিষয়ে নগাসকলৰ যি স্পষ্ট ধাৰণা আছে (নগা সমাজখনক এতিয়াও বহুক্ষেত্ৰত আদিম সাম্যবাদী সমাজ বুলিব পাৰি) তাক এজন সাধাৰণ শিক্ষিত ভাৰতীয় লোকে বৰ্বৰ প্ৰথা বুলি উপলুঙা কৰে। নগাসকলৰ স্বাধীনতাৰ দাবীকো আজিও এজন ভাৰতীয়ই সহজে বুজি পাব নোৱাৰে কাৰণ তেওঁৰ মনত এই ভাবটো সোমাই আছে যে অশিক্ষিত, অসভ্য মানুহ কিছুমানে 'স্বাধীনতা'ৰ তাৎপৰ্য্য বুজিবলৈ সক্ষম নহয়।

আজি সংগ্ৰামী নগাসকল দহ বা পোন্ধৰ বছৰৰ আগৰ দৰে অকলশৰীয়া নহয়। বাতৰি পোৱা গৈছে যে নগা আত্মগোপনকাৰীসকলে কাচিন মুক্তি ফৌজ (Kachin

OKDISCD

Independent Army ) আৰু আৰাকান পৰ্বতত প্ৰধান ঘাটি থকা Naga Revolutionary Council অৰ লগত এখন ত্ৰৈপাক্ষিক চুক্তি কৰিছে। বে-আইনী বুলি ঘোষিত মিজো নেশ্যনেল ফ্ৰন্টৰ লগতো নগাসকলে যোগাযোগ ৰাখিছে বুলি জানিব পৰা গৈছে। ইয়াবোপৰি নগা সমস্যাটোৱে আন্তৰ্জাতিক প্ৰচাৰো কিছুদূৰ পাইছে আৰু নগাসকলে বিশ্বৰ বিভিন্ন দেশত শক্তিশালী বন্ধু লাভ কৰিবলৈ সক্ষম হৈছে। উদাহৰণ স্বৰূপে ব্ৰিটেইনৰ Minority Rights Group য়ে [২৪] নগাসকলৰ সমস্যাটোৰ ওপৰত দৃষ্টিপাত কৰিবৰ বাবে Neville Maxwell য়ে লেখা 'India and the Nagas' নামৰ এখন পুস্তিকা প্ৰকাশ কৰিছে। নগাসকলে নিৰ্বাসনত চৰকাৰ গঠন কৰাৰ সম্ভাবনাৰ কথাও নগা নেতাসকলে ইঙ্গিত দিছে। বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা দীৰ্ঘদিনীয়া একনিষ্ঠতাই ইয়াকে প্ৰমাণ কৰিছে যে বিদ্ৰোহী নগাসকল ৰাজনৈতিকভাবে যথেষ্ট পৰিপক্ক। তেওঁলোকে নগা জনসাধাৰণৰ সক্ৰিয় সমৰ্থন নোপোৱা হ'লে দীৰ্ঘদিন ধৰি সশস্ত্ৰ সংগ্ৰাম চলাই যাব নোৱাৰিলেহেঁতেন। নগা স্বাধীনতাৰ প্ৰশ্নটো সমৰ্থন কৰিলেও বা নকৰিলেও এই কথা স্বীকাৰ কৰিবই লাগিব যে নগা জাতীয়তাবাদৰ বিকাশ নোহোৱা হ'লে ভাৰত চৰকাৰৰ বিৰুদ্ধে ইমান দৃঢ় সংগ্ৰাম গঢ়ি তুলিব পৰা নগ'লহেঁতেন। ভাৰতৰ চৰকাৰী মহলে এতিয়াও প্ৰমাণ কৰিব খোজে যে নগা বিদ্ৰোহীসকল দৰাচলতে ফিজোৰ নেতৃত্বাধীন এমুঠি ব্যৰ্থ চৰমপন্থী লোক আৰু ফিজোৰ প্ৰভাৱ মাত্ৰ আঙ্গামী সকলৰ এচামৰ মাজতহে দেখা যায়। কিন্তু প্ৰকৃততে এই সত্য কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে দীৰ্ঘদিন স্বাধীনতা যুদ্ধত লিপ্ত হৈ থকাৰ পাচত নগা গোষ্ঠীবোৰে সম্প্ৰতি নিজৰ বিবাদবোৰ পাহৰি গৈ একেটা শক্তিশালী নগা জাতি হৈ পৰিছেগৈ। নগাসকলৰ দীৰ্ঘদিনীয়া সংগ্ৰাম শেষত দক্ষিণ-পূব এচিয়াৰ কিছুমান দেশত হোৱা জাতীয় মুক্তি সংগ্ৰামৰ পৰ্য্যায় পাবগৈ নে নাপায় সেই কথা হয়তো সঠিকৈ এতিয়াও ক'ব নোৱাৰি। যিসকলে নগা সমস্যাৰ ওপৰত মিলিটাৰী সমাধান জাপি দিব খুজিছে তেওঁলোকে নিশ্চয় এই সম্ভাবনা দেখিছে। কিন্তু প্ৰশ্ন হ'ল যে বাঢ়ি অহা জাতীয় চেতনাক সামৰিক বল প্ৰয়োগৰ দ্বাৰা দমন কৰিব পাৰিবনে? যিসকলে ভাবে পাৰিব তেওঁলোকৰ বাবে দ্ৰষ্টব্য নগা জাতি সম্পৰ্কে ফিজোৰ এই বিখ্যাত উক্তি: [২৫] "Truly, we are a peculiar people. We are all equals. Men and women have an equal social status. We have no caste distinctions; no high class or low class of people ··· there is no minority problem. We believe



in that form of democratic government which permits the rule, not of the majority, but of the people as a whole ··· we have no land tax, no wine tax, no water tax. Forests, woodlands, rivers belong to the people for their exploitation without paying taxes. We cultivate as much land as we need or desire and no one to question our rights. We have food to eat and drinks to drink exceedingly above our needs. We have no beggars ··· and wonder of wonders, we have no jails. We do not 'arrest' or 'imprison' anyone. Our civil authority never condemns a man to die ··· we fear nobody, individually or collectively. We are a healthy people and fear corrupts the health of man ··· we talk freely and often fight freely too. We have no inhibitions of any kind. Wild? Yes, B free. There is order in this chaos; law in this freedom. If I were to choose a country, it would be my Nagaland, my fair Nagaland—again and again."

---

**টোকা:—**

১১ Stracey, P. D.: Nagaland Nightmare P. 93

১২ ঐ p. 144-145.

১৩ ঐ P. 144

১৪ এংলিকান যাজক; ১৯৩৪ চনৰ পৰা ১৯৪৩ চনলৈ ভাৰতত বাস কৰিছিল; দক্ষিণ আফ্ৰিকাত বৰ্ণ বৈষম্য ( Apartheld ) নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰে. হেৰ'ৰ ( Heroro ) সকলৰ ওপৰত দঃ আফ্ৰিকা চৰকাৰে চলোৱা অত্যাচাৰৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘৰ যোগেদি বিশ্ব জনমত গঠন কৰিবলৈ চেষ্টা চলায়; ১৯৬৯ চনত তেও ফিজোক লণ্ডনলৈ যোৱাত সহায় কৰে, আৰু তেতিয়াৰে পৰা নগা স্বাধীনতাৰ সপক্ষে প্ৰচাৰ চলাই আহিছে।

১৫ সবিশেষ জানিবলৈ হ'লে 'A Brief Historical Account of Nagaland' PP 208-212 চাওক।

১৬ Aram, M. 'Peace in Nagaland' PP 43-45

১৭ ঐ P. 93

১৮ ঐ P. 102

OKDISCD

১৯ Mankekar, D. R. : On the Slippery Slope In Nagaland : P. 115
২০ Aram, M : Peace in Nagaland : P. 117
২১ ঐ P. 152
২২ ঐ : P. 157
২৩ Mankekar, D. R. : On the Slippery Slope in Nagaland. P. 180
২৪ লণ্ডনৰ Minority Rights Group ত বহুতো লেখক, সমাজ-সেৱক, অৰ্থনীতিবীদ, বুৰঞ্জীবীদ আছে। এওঁলোকৰ ভিতৰত Joan Robinson, Joseph Needham, George Thomson অন্যতম-।
Michael Scott আৰু Neville Maxwell ও এই Group ৰ সভ্য।
২৫ Verrier Elwin ৰ মতে তলত দিয়া কথাখিনিৰ লিখক T. Sakhrie পঞ্চাশৰ দশকৰ শেষৰ ফাললৈকে Sakhrie নাগা নেশ্যনেল কাউন্সিলৰ প্ৰচাৰ বিভাগৰ মুৰব্বী আছিল। কিন্তু সৰহসংখ্যক নগা ৰাইজে বিশ্বাস কৰে যে প্ৰকৃততে এই উক্তিটো ফিজোৰহে।

বিঃ দ্ৰঃ — এই প্ৰবন্ধটো ছপা হৈ থকা অবস্থাতে নাগালেণ্ডৰ UDF মন্ত্ৰীসভাই পদত্যাগ কৰিছে।

## তৰুণ কৱি বন্ধু সকলৰ উদ্দেশ্যে

—হো চি মিন

অনুবাদ : পবিত্ৰ কুমাৰ চুতীয়া

তোমালোকৰ কলম অন্যায়ৰ বিৰুদ্ধে
ন্যায়ৰ সংগ্ৰামত শক্তিশালী
অস্ত্ৰ।
এই যুগৰ কবিতা
যেন শাণিত ইস্পাত হৈ উঠে,
কবি সকলো আহি চামিল হ'ব লাগিব
যুদ্ধৰ ক্ষেত্ৰত।

যেনেকৈ সংগ্ৰামী যুঁজাৰু
সিহঁতৰ পিতৃভূমিৰ স্বাধীনতা ৰক্ষাৰ কাৰণে
আগবাঢ়ি আহে, শত্ৰুৰ বিৰুদ্ধে
প্ৰতিৰোধ যুদ্ধত
বীৰত্বৰ সতে সংগ্ৰাম কৰে।

০()০

## অসমীয়া কবিতা।

—অৰূপ গোস্বামী

দুবছৰমান আগলৈকে সাম্প্ৰতিক সময়ছোৱাত, অসমীয়া আলোচনী কাগজ-পত্ৰ আদিত ('ৰামধেনু' আৰু 'নৱযুগৰ' পৰা "সাপ্তাহিক নীলাচল", "সংলাপ" আদিলৈকে) যি কাব্য-চিন্তা আৰু কাব্য-সৃষ্টি চলিছিল, তাত এই লিখকৰ দৰে বোধহয় আৰু বহুতেই একাত্ম হবলৈ চেষ্টা কৰি ভুল কৰিছিল। বৰ্ত্তমান এই ধাৰা মুমূৰ্ষু; তলৰ চুটি আলোচনাত এই ধাৰাৰ ত্ৰুটি-বিচ্যুতি সমূহ দেখুৱাবলৈ চেষ্টা কৰা হৈছে।

ভবেন বৰুৱাই 'সংলাপ'ৰ তৃতীয় সংখ্যাৰ সম্পাদকীয়ত ইঙ্গিত দিছে যে তেখেতৰ কবিতাৰ - কেচামাল হৈছে হৃদয়াবেগ। যিহেতুকে আবেগৰ স্বাভাৱিক ক্ৰিয়া বা পৰিনতি বা বিকাশ অসম্ভৱ হৈছে, সেয়ে ভবেন বৰুৱাৰ দৰে কবিসকলে যেন শব্দৰ জোৰেৰে আবেগৰ জোঁকাৰ সৃষ্টি কৰি তৃপ্ত হ'ব। —ই অস্বাভাৱিক হাবিয়াস।

এই হাবিয়াসৰ ফলতেই সৃষ্টি হৈছে একশ্ৰেণী কবিতাৰ শব্দনিৰ্ভৰতা বা শব্দসৰ্ব্বস্বতা। এই কবি শ্ৰেণীয়ে পোনপটীয়া বাক্য এৰাই চলেঃ ব্যাকৰণৰ প্ৰাথমিক নিয়ম-নীতি উলাই কৰে। এওঁলোকৰ কবিতাত প্ৰকৃত কাহিনী বা প্ৰকৃত নাটকৰ (drama) অভাৱ। এইবোৰৰ ঠাই অধিকাৰ কৰে ভুৱা-কাহিনী আৰু ভুৱা-নাটকে। বীৰেশ্বৰ বৰুৱাৰ "লিলিৰ আবেলি" আৰু অজিৎ বৰুৱাৰ "জেংৰাই ১৯৬৩" কবিতা দুটা গমি-পিতি চালেই কথাটো ধৰিব পৰা যায়।

যিহেতুকে শব্দ আৰু শব্দসমষ্টিৰ ভাবানুষঙ্গৰ ওপৰত ভিত্তি কৰিয়েই এই কবিতা নিৰ্ম্মিত, সেয়ে এনে কবিতা নিশকটীয়া হ'বলৈ বাধ্য। নিশকটীয়া কাৰণেই এনে কবিতাৰ কবিয়ে বা ৰসজ্ঞজনে কাৰিগৰীৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়ে।

অসমত যিদলে এনে কবিতাৰ কচৰৎ কৰিছে, সেই সকলোৰেই সৰাচলতে স্কুল-কলেজৰ চাকৰিত ওলমি জীৱিকা উলিওৱা নিম্ন মধ্যবিত্ত।

OKDISCD

অসম তথা ভাৰতৰ অৰ্থনৈতিক সঙ্কটে তীব্ৰ ৰূপ ধৰি চহৰৰ মধ্যবিত্ত জীৱন পৰ্য্যন্ত জোঁকাৰ যোৱা সাম্প্ৰতিক সময়ছোৱাত এই কবিকুল অৰণ্যেই নীৰৱ ; কিন্তু আজি প্ৰায় দুবছৰ আগলৈকে তেখেতসকলে অসমীয়া আলোচনীৰ পাতত খলকনি তুলি আছিল। গোলামী শিক্ষা ব্যৱস্থাৰ অনুগ্ৰহত এই কবিসকলে ইউৰোপৰ বুৰ্জোৱা দেশসমূহৰ সমসাময়িক কবিতাৰ লগত ঘনিষ্ট সম্বন্ধ পাতিছিল আৰু সেই কাব্যৰীতি আৰু সমালোচনা পদ্ধতি আমদানি কৰিবলৈ তৎপৰ হৈ উঠিছিল।

এই কবিসকলে আমেৰিকা ইংলণ্ড আদি প্ৰভু দেশসমূহৰ সমসাময়িক মানসিকতাত ভেঁজা লৈ কবিতা লিখিছিল—ইউৰোপীয় মডেলসকলৰ কবিতাৰ ধ্বনি-প্ৰতিধ্বনি তেওঁলোকৰ কবিতাত বিস্তৰ। তেওঁলোকৰ বহুলপ্ৰচাৰিত motto—"শব্দ বা শব্দসমষ্টিৰ ভাৱানুষঙ্গ, ধ্বনি বৈশিষ্ট আৰু সঙ্গীত"ৰ বাস্তৱ অনুশীলন বহুসময়ত সন্মাজনক। আলোচ্য অসমীয়া কবিসকলৰ কবিতাৰ key-word, অৰ্থাৎ যি শব্দ সমূহৰ ওপৰত তেওঁলোকৰ কবিতাৰ সাফল্য নিৰ্ভৰ কৰে, বেছিভাগেই হয় ইংৰাজী নহয় বিশুদ্ধ সংস্কৃত। "শিলিৰ আবেলি"ৰ "চাইজ মোগ্ৰাফ" শব্দটো মন কৰক, নীলমণি ফুকনৰ প্ৰথম ছোৱাৰ ক বতাত সংস্কৃত শব্দৰ স্থান আৰু সংখ্যা লক্ষ্য কৰক। ১

১ তলত "ব্ৰহ্মপুত্ৰত সূৰ্য্যাস্ত" নামৰ কবিতাটোৰ কেইশাৰীমান উদ্ধৃত কৰি সংস্কৃত শব্দৰ ব্যৱহাৰৰ বাহুল্য নিৰ্দ্দেশ কৰা হ'ল :—

শূন্যতাৰ হাতৰপৰা সৰি পৰিল
দিনৰ হিৰণ্ময় হৃদয়-পাত্ৰ
নিশব্দে সৰি পৰিল,
আৰু বুৰ গ'ল
বুৰবুৰণিত বিৰিঙি উঠিল
পাত্ৰৰ ৰক্তিম আধেয়
মৰ্ম্মন্তুদ তাৰ উজ্জ্বলতা।
উজ্জ্বলতাৰ জিভাত
মানুহৰ অন্তিম লালসাৰ
ক প্ৰজ্বলন।



পশ্চিমীয়া দেশ বৈজ্ঞানিক উদ্ভাৱনৰ দেশ। তাত "চাইজমোগ্ৰাফ" শব্দটো"ৰ দৰে শব্দ কবিতাৰ কামত লাগিব পাৰে, অসমত এনে শব্দ কবিতাত গুৰুত্বপূৰ্ণ হৈ উঠা কথাটোৱে কবিয়ে যে কোন শ্ৰোতা বা পঢ়ুৱৈক উদ্দেশ্য কৰিছে স্পষ্ট কৰি দিয়ে। নীলমণি ফুকনে নিতান্ত থলুৱা শব্দেৰেও ভালেমান কবিতা লিখিছে। কিন্তু ইউৰোপীয় আৰু জাপানী কবিতাৰ অধ্যয়নৰ "অভিজ্ঞতা"ক সাৱথি কৰা কবিয়ে থলুৱা শব্দ লৈ মাত্ৰ "পৰীক্ষা"হে চলাবলগীয়া হ'ল। তলৰ কবিতা দুশাৰী "ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে" কবিতাপুথিৰ পৰা উদ্ধৃত কৰা হৈছে।

ওঁঠ দুখনিত আছেনে দৈ
পানী ৰঙা হোৱা দুখন নৈ

এই শাৰীদুটাৰ mellifluity, কোমল মিত্ৰাক্ষৰ ছন্দ, যুক্তাক্ষৰ নথকা সহজ শব্দ লক্ষণীয়। কিন্তু ওঁঠত ৰঙাপানীৰ নৈ বৈথকাৰ কল্পনা জুৰণিবটীয়া, বোধহয় অধ্যয়নপ্ৰসূত। অধ্যয়নে কল্পনাক কেনে ধৰণে সহায় কৰা উচিত, সেই প্ৰশ্ন লৈ তৰ্ক নাপাতো। যি কবিতাটিৰ পৰা ওপৰৰ শাৰীদুটা উদ্ধৃত কৰা হৈছে, সেই কবিতাটো পশ্চিমীয়া আৰ্হিৰ কল্পচিত্ৰ প্ৰধান কবিতা। পশ্চিমীয়া আৰ্হিত অসমীয়া ভাষাতো কল্পচিত্ৰপ্ৰধান কবিতা লিখিব লাগেনে, সেই লৈও তৰ্ক পাতিব নোৱাৰি। কিন্তু অসমীয়া কল্পচিত্ৰপ্ৰধান কবিতাৰ কল্পচিত্ৰ পৰ্য্যন্ত যেতিয়া আওঁপকীয়াকৈ পশ্চিমীয়া সাহিত্যৰ অধ্যয়নে যোগান ধৰে, তেতিয়া আমি সতৰ্ক হ'বলৈ বাধ্য হওঁ ; আমাৰ কবিৰ নিজস্ব যোগ্যতা প্ৰতিভাৰ অভাৱ আৰু আমাৰ দেশৰ সাংস্কৃতিক দুৰৱস্থাৰ সম্পৰ্কত তেতিয়া আমাৰ স্পষ্ট উপলব্ধি হয়।

"জেংৰাই ১৯৬৩'ত অজিৎ বৰুৱাই এক আপাত-সহজ কথনভঙ্গী ব্যৱহাৰ কৰিছে—কিন্তু এই কথনভঙ্গী এক কষ্টকল্পনাৰ ৰূপায়ণত প্ৰয়োগ কৰা হৈছে। এক ভূৱা-কাহিনীৰ পটভূমিত কৰিয়ে তেওঁৰ মনৰ এক অসহায় হাবিয়াস

"আমি অন্ধবিশ্বাসী

কেৱল আমাৰ অন্ধ বিশ্বাস যদি নীৰন্ধ্ৰ অন্ধ হ'লহেতেন !

আৰু

প্ৰবাসী বিহগীত—

ভাবচালে লিলিমাই

এই জীৱনত একো নাই"

অৰ্থপূৰ্ণ বুলি ইঙ্গিত দিব খুজিছে।

যিসময়ৰ কবিতাৰ বিৰোধিতা কৰিছোঁ সেইসময়ৰ কবিসকলে যেন তেওঁলোকৰ কবিতাযে কোনোবাই পঢ়িব লাগিব সেইকথাটোও পাহৰি গৈছিল। অসমত যি সংখ্যক শিক্ষিত লোক ওলাইছে তাৰ বেছি ভাগকে এই কবিতাই আকৰ্ষণ নকৰিলে। তাৰ কাৰণ কোনো কোনো লোকে ইঙ্গিত দিয়াৰ দৰে অসমীয়া শিক্ষিত লোকৰ, অসমীয়া পঢ়ুৱৈৰ কাব্যৰস গ্ৰহণৰ অক্ষমতা নহয়—আপোন সংস্কৃতিৰ অভাৱত জনতাই ব্যৱসায়ী হিন্দী চিনেমাৰ অপমান আওকাণ কৰিছে। শেহতীয়াকৈ, ভবেন বৰুৱাই যি কবিতা লিখিলে, সি যেন পাঠকৰ প্ৰয়োজন অনুভৱ নকৰে—এই কবিতাৰ ৰচনা-ৰীতি অমানুষিক। "ক্ৰান্তি" নামৰ আলোচনীত বৰুৱাই তেখেতৰ কবিতা তিনিটাৰ "সৃষ্টিৰ প্ৰক্ৰিয়া" বিশ্লেষণ কৰিছে। বিশ্লেষণটোত তেখেতে তেখেতৰ কবিতাৰ অমানুষিক ৰচনানীতি যুক্তিসঙ্গত বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। কিন্তু তেখেতে ইঙ্গিত দিয়া মতে কবিতা কেইটাৰ যি বক্তব্য, সি কিমান ক্ষুদ্ৰ আৰু সঙ্কুচিত, কিমান লৰামতীয়া সি সচাকৈয়ে ভাবিবলগীয়া। কবিতাৰ মান সম্পৰ্কীয় সকলো চেতনা যেন বৰ্জন কৰা হ'ল। তেখেতে বিশ্লেষণ কৰা নিজৰ কবিতা তিনিটাৰ এটা তলত উদ্ধৃত কৰা হৈছে: ২

২ তামৰ মানুহবিলাক আছে

তামৰ ঘোঁৰাবিলাকত

টোপনিৰ তামবৰণীয়া দলঙখনৰ ওপৰেদি পাৰ হয়

তামৰ মানুহবিলাক/তামৰ ঘোঁৰাবিলাকত

ক'ত তামৰ দেশ ?



"তামৰ মানুহবিলাক" মানে যন্ত্ৰণাই "তামৰ মূৰ্ত্তিৰ দৰে সুকঠিন" কৰা মানুহ। তেনে মানুহ "তামৰ ঘোঁৰাবিলাকত" আহক, কাৰণ তামৰ পুতলা ঘোঁৰাবোৰ তেজমাংসৰ ঘোঁৰাৰ দৰে মৃত্যুশীল নহয়। "টোপনিৰ তামবৰণীয়া দলঙখন" হ'ল মনৰ সচেতন স্তৰৰ তলত থকা দগ্ধতাৰ স্তৰ। মনৰ সেই স্তৰৰ দলঙেৰে পাৰহৈ মানুহবোৰে সম্পূৰ্ণ "তামৰ" দেশৰ, নিৰঙ্কুশ দগ্ধতাৰ দেশৰ সন্ধান কৰক। —"তামৰ দেশ" অৱশ্যে মনৰ এক দেশ, মনৰ এনে দেশ যত দগ্ধতাৰ বিৰুদ্ধে। ক্ষোভ—প্ৰতিবাদ—প্ৰতিক্ৰিয়া নাই।

কবিতাটোৰ বক্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ মই প্ৰয়াস নেপাওঁ। কবিতাটোৰ phantasy কিমান উকা আৰু ফিকা, কবিতাটোত নিহিত থকা কবিৰ কামনা কিমান লেউসেউ আৰু লৰামতীয়া, সেই কথা ভাবিহে মই আচৰিত হওঁ।

"“জংৰাই ১৯৩৬"ৰ কাহিনীক ভুৱা-কাহিনী বোলা হৈছে এই-কাৰণেই যে দৰাচলতে অজিৎ বৰুৱাই শোৱণশিবিৰ চৰত ৰাতি কটাওঁতে লাভ কৰা কিবা ভয়ৰ অভিজ্ঞতা কবিতাটোৰ বিষয়বস্তু নহয়। ভবেন বৰুৱাই কবিতাটোৰ আলোচনা কৰি, ("সংলাপ", তৃতীয় সংখ্যা দ্ৰষ্টব্য) কৈছে যে এক বেলেগ ভয়ে (কাৰৰ বা ভবেন বৰুৱাৰ দৰে মানুহৰ এক মানসিক ভয়ে) "সোৱনশিৰিৰ চৰত ৰাতি এন্ধাৰত এক সঙ্গত পট-ভূমিত লাভ কৰিছিল"। ভবেন বৰুৱাই আৰু দেখুৱাইছে যে কবিতাটোত উল্লেখিত বাঘ, ম'হবোৰ আৰু সিহঁতৰ ডিঙিৰ ঘন্টাৰ শব্দবোৰৰ প্ৰকৃত কাম এইযে সিহঁতে এলিয়টে কোৱা objective correlative বোলা বিলাতী বস্তুটোৰ যোগান ধৰিছে। "হয়তো সেই ৰাতি সোৱনসিৰিৰ চৰত নাৱত জিৰণি লৈ থাকোঁতে ওচৰত এজাক ম'হৰ ডিঙিৰ ঘন্টাবোৰ তেনে ধৰণেৰে—কোলাহপূৰ্ণ, dissonance ভৰা সঙ্গীত তুলি বাজি উঠিছিল"। মন কৰক, "হয়তো..... ।"

কেনেকৈ সোৱনশিৰিৰ চৰত শুই থাকোঁতে অজিৎ বৰুৱাই তৰা দেখিলে, কেনেকৈ তৰা দেখি কবিয়ে Pythagoras ৰ music of the

spheres ৰ কথা মনত পেলালে, আৰু কেনেকৈ তেওঁ মহৰ ডিঙিৰ ঘণ্টাৰ শব্দত "ব্ৰহ্মাণ্ড সঙ্গীত" ( music of the spheres ) বজা বুলি এক ভয়ঙ্কৰ, সৃষ্টিধৰ্ম্মী খেলিমেলি কৰিলে, সেই সম্পৰ্কেও ভবেন বৰুৱাই বিশদ লিখিছে।

যাইহওক, যি ভয়ৰ objective correlative তৈয়াৰ কৰাত অজিৎ বৰুৱা কবিতাটি ব্যস্ত, সেই সূক্ষ্ম অত্যাধুনিক—শিক্ষিত ভয়ৰ আভি-গুৰি পাঠকসকলে পাব লাগিব। ভবেন বৰুৱাই লিখিছে :

" 'অন্ধবিশ্বাসে'—'নীৰন্ধ্ৰ অন্ধ বিশ্বাসে'—এক নিশ্চয়তাৰে জীৱনক আৰু জগতক গ্ৰহণ কৰিব : তাৰ কাৰণে ভবিষ্যৎ নিৰ্বিঘ্ন, সৰ্বনাশৰ ভয় অনুপস্থিত। কিন্তু অভিজ্ঞতাৰ মাজত যুক্তিয়ে এই সহজ বিশ্বাস বিপন্ন কৰি তোলেহি। আৰু শেহত হয়তো বহুতৰ বাবে বিশ্বাসৰ ৰন্ধ্ৰবোৰৰ মাজেদি জীৱনৰ এনে এটা ৰূপে দেখা দিয়েহি যে তেওঁলোকে সমগ্ৰ জীৱনতে সমগ্ৰ জগততে—ব্ৰহ্মাণ্ডখনতেই যেন এক আতঙ্কৰ চিঁয়ৰ—কোলা-হল 'বেসুৰা' সুৰ, 'আত্ৰানি' শুনিবলৈ পায়।"

ভবেন বৰুৱাৰ মতে আধুনিক যুগত "ধৰ্ম্মীয় অন্ধবিশ্বাস" অবাস্তৱ ; অথচ আধুনিক যুক্তিয়ে দিয়ে এক "সৰ্ব্বনাশৰ ভয়"। ভবেন বৰুৱাৰ মতে এনে সঙ্কটত স্বাভাৱিকতে আধুনিক কাবৰ কাম হ'ব আধুনিক যুক্তিয়ে দিয়া "সৰ্ব্বনাশৰ ভয়ৰ" বাবে objective correlative ৰ খবৰ কৰা। এই ক্ষেত্ৰত, ভবেন বৰুৱাৰ মতে, অজিৎ বৰুৱা সফল হৈছে—তেওঁৰ "জেংৰাই ১৯৬৩" এটা সুন্দৰ কবিতা।

উল্লেখযোগ্য যে যিক্ষেত্ৰত এলিয়টৰ নিজৰ দেশ আমেৰিকাতে Howard Fast নামৰ প্ৰগতিশীল সমালোচকে এলিয়টৰ কাব্যতত্ত্বক (Poetic) ছদ্মবেশী প্ৰতিক্ৰিয়া বুলি চিহ্নিত কৰিছে ("Literature and Reality" দ্ৰষ্টব্য), তেনে ক্ষেত্ৰত সেই কাব্যতত্ত্বই তাৰ মিত্ৰ বিচাৰি পাইছে অসমত—ভবেন বৰুৱা আৰু অজিত বৰুৱাৰ কাব্যচিন্তা আৰু কবিতাত।

ভবেন বৰুৱাই "জেংৰাই ১৯৬৩"ৰ সমালোচনাৰ প্ৰসঙ্গত নানানটা দাৰ্শনিক টিপ্পনি কাটিছে :



(১) "এই ব্যক্তি ( কবি অজিৎ বৰুৱা ) আধুনিক যুগৰো প্ৰতি-নিধি। তেওঁৰ অন্ধবিশ্বাসত আধুনিক মনৰ অবিশ্বাসৰ বিন্ধনাই কিছুমান ফুটা উলিয়াই থৈছে :"

(২) " 'অন্ধবিশ্বাস'—'নীৰন্ধ্ৰ অন্ধবিশ্বাসে'—এক নিশ্চয়ভাৱে জীৱনক আৰু জগতক গ্ৰহণ কৰিব : তাৰ কাৰণে ভৱিষ্যৎ নিৰ্বিঘ্ন, সৰ্ব্বনাশৰ ভয় অনুপস্থিত। কিন্তু অভিজ্ঞতাৰ মাজত যুক্তিয়ে এই সহজ বিশ্বাস বিপন্ন কৰি তোলেহি।"

"আধুনিক মনৰ অবিশ্বাস" কথাষাৰ এনে ধৰণে আগবঢ়োৱা হৈছে যেন কথাষাৰ এক দেখ্‌দেখ্‌ সত্য বা axiom। দৰাচলতে কথাষাৰ মনে-সজা—এই মনেসজা কথাত আছে নিজৰ দুৰৱস্থাক জীৱনৰ চূড়ান্ত সত্য বুলি নিজৰ ওচৰত আৰু আনৰ আগত প্ৰতিপন্ন কৰিবখোজা অভিসন্ধি।

"যুক্তিয়ে বিশ্বাস বিপন্ন কৰি তোলেহি" কথাষাৰ বিজ্ঞানৰ ভূমিকাৰ ক্ষেত্ৰত চূড়ান্ত টিপ্পনি যেনকৈ আগবঢ়োৱা হৈছে। ভবেন বৰুৱাই নাজানেনে যে বিজ্ঞানে শিল্প আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ মাজেদি এনে এক বাস্তৱ পৰিবেশ তৈয়াৰ কৰিছে য'ত সম্ভৱ হৈছে বৈজ্ঞানিক সমাজবাদ গঢ়াৰ ( কল্পনা কৰাৰ নহয় ) আধুনিক পৃথিবীময় বিশ্বাস আৰু আশা ?

এই নতুন আশা আৰু বিশ্বাসৰ সম্পৰ্কত যুগসচেতন ব্যক্তি ভবেন বৰুৱাই কি কয় ? নে অন্ধবিশ্বাস "বিপন্ন" কৰাটোহে বেছি ভাবিবলগীয়া কথা ? নে ভবেন বৰুৱা কিবা বিশুদ্ধ বিধৰ কাব্যসমালোচক হিচাপে তেখেতৰ কাম কবি অজিৎ বৰুৱাৰ অন্ধবিশ্বাসৰ সপক্ষে চাতুৰিভৰা ওকা-লতি কৰা ?

"চাপৰিৰ ডাঙৰীয়াই আমাক ৰক্ষা কৰিব ?"—কথাষাৰ অজিৎ বৰুৱাই ধেমালিতে নিজক সুধি চাইছিল নেকি ? নে প্ৰশ্নটি যথাৰ্থতে সোৱনশিৰিৰ চৰত ৰাতি অজিৎ বৰুৱাৰ মনত খেলাইছিল ? বিলাতী কাব্যদৰ্শ ( Poetic ) অনুসৰি ধেমালিতে ভাবি চোৱা কথাৰো "কাব্যিক সম্ভৱনা" থাকিব পাৰেনেকি ? ( চহৰবাসী কবি অজিৎ বৰুৱাই গাৱঁলীয়া

OKDISCD

"ডাঙৰীয়া"ৰ চিন্তা গাত লাগি কৰিছিল বুলি আমাৰ মনে নধৰে। )

* * * *

তৃতীয় সংখ্যা "সংলাপ"ৰ সম্পাদকীয়ৰ পৰা তলৰ কথাখিনি আলোচনাৰ কাৰণে উদ্ধৃত কৰিলোঁ।

"...অস্তিত্ব এটা তথ্য ( fact )। কিন্তু এই তথ্যক এটা প্ৰমূল্য ( value ) হিচাপে পাব নোৱাৰিলে বৃহৎ সামাজিক আদৰ্শৰ কথা বাদেই দিলোঁ।— দিলোঁ।—সকলো মানৱ-জীৱনৰ উৎকৰ্ষ সাধনৰ আদৰ্শৰ কথা বাদেই দিলোঁ।— জীৱনৰ প্ৰস্ফুটন বা বিকাশ যে আমি বিচাৰিব লাগিলে, সেই কথাটোকে আমি প্ৰতিষ্ঠা কৰিব নোৱাৰোঁ। তথ্য-ভিত্তিক বৈজ্ঞানিক যুক্তিবাদৰ সহায়তেই জীৱনদৰ্শনৰ ক্ষেত্ৰত প্ৰাথমিক পৰ্যায়ৰ এই কামটো কৰিব নোৱাৰোঁ। জীৱনৰ অস্তিত্বৰ বিষয়ে আমি সৃষ্টি কৰি লব পৰা এক অৰ্থ- বোধৰ লগতেই আমাৰ নৈতিক বোধৰ কথাটোও জড়িত। অস্তিত্বৰ এই অৰ্থ যাইকৈ প্ৰবৃত্তিৰ সূত্ৰত—জীয়াই থকাৰ কামনাৰ সূত্ৰত—আমাৰ সমগ্ৰ সত্বাই সৃষ্টি কৰি লোৱা এটা অৰ্থ : এই অৰ্থ এটা বিষয়ীগত ( subjective ) অৰ্থ —যাক আমি অস্তিত্বৰ তথ্যটোৰ ওপৰত আৰোপিত কৰি লওঁ।

বাস্তৱ জীৱন ( "অস্তিত্ব" ) সম্পৰ্কে, বাস্তৱজীৱন আৰু সাহিত্যৰ লগত তাৰ সম্বন্ধ সম্পৰ্কে, এইবোৰ কেনে ধাৰণা ? আদিম অকলশৰীয়া খাদ্যসংগ্ৰহকাৰীৰ জীৱন এৰি খাদ্যপ্ৰস্তুতকাৰীৰ জীৱন আৰম্ভ কৰাৰে পৰা আজিকোপতি মানৱসমাজ কোনো নহয় কোনো এটা "সামাজিক আদৰ্শৰ" মাজেৰেহে আগবাঢ়ি আহিছে। চিৰবৰ্ত্তমান ( যদিও পৰিবৰ্ত্তনশীল ) "সামাজিক আদৰ্শ"ই নিৰ্দ্দিষ্ট কৰা জীৱনৰ পৰা পৃথক এক জীৱন সাহিত্যিক সকলে যাপন কৰেনে ? সাহিত্যৰ "সৃষ্টি" সামাজিক আদৰ্শই ( culture ) নিৰ্দ্দিষ্ট কৰা জীৱনৰে সৃষ্টি নহয় নেকি ?

ভবেন বৰুৱাৰ "সূক্ষ্ম" বক্তব্যৰ তাৎপৰ্য্য বেলেগ। ভবেন বৰুৱাৰ গুৰু পশ্চিমীয়া বুৰ্জ্জোৱা কবিসকলে কল্পনা কৰে মানুহ মুক্ত,—সামাজিক আদৰ্শই নিৰ্দ্দিষ্ট কৰা জীৱনৰ পৰাই মানুহ মুক্ত, ভাবে যে পৃথিবীৰ সমস্ত



সাহিত্য "মুক্ত" মানৱমনৰ সৃষ্টি। এনে আত্মপ্ৰসাদ, এনে বিশ্বাস, এনে প্ৰচাৰ তেওঁলোকৰ কাৰণে প্ৰয়োজনীয়। তেওঁলোকে বুবুজে আৰু নকয় যে সাহিত্যৰ সৃষ্টি আৰু পুনসৃষ্টি, জীৱনৰ "অস্তিত্বৰ", সৃষ্টি আৰু পুনসৃষ্টিৰ লগত সংযুক্ত। যেতিয়া বুৰ্জ্জোৱা সমাজসম্পৰ্ক বা উৎপাদনসম্পৰ্কই জনসাধাৰণৰ সৃষ্টিক্ষমতাক প্ৰতিনিধিত্ব কৰিব পাৰিছিল, তেতিয়া তেওঁলোকে শ্ৰেণী হিচাপে তেওঁলোকৰ অস্তিত্বৰ সম্পৰ্কে শঙ্কা কৰিবলগীয়া হোৱা নাছিল। পিছলৈ যেতিয়া জনসাধাৰণৰ সৃষ্টিসম্ভাৱনা আগবাঢ়ি গ'ল, কিন্তু বুৰ্জ্জোৱা সমাজসম্পৰ্ক বা উৎপাদন সম্পৰ্ক হৈ পৰিল প্ৰতিক্ৰিয়াশীল, যেতিয়াই অকামিলা বুৰ্জ্জোৱা উৎপাদনসম্পৰ্ক চাৰখাৰ হোৱাৰ উপক্ৰম হ'ল, তেতিয়াই তেওঁলোকে বাহিৰ কৰিলে তেওঁলোকৰ শ্ৰেণী অস্তিত্বৰ সপক্ষে অনেক অনেক ছদ্মবেশী তত্ব। নিৰালম্ব মানৱ মনৰ অক্ষয় সৃষ্টিসম্ভাৱনৰ তত্ব, পৃথিবীৰ সমগ্ৰ সাহিত্য "মুক্ত" মানৱসত্তাৰ সৃষ্টি বুলি চলোৱা প্ৰচাৰ, জীৱনৰ অৰ্থ অস্তিত্বৰ তথ্যৰ ওপৰত আৰোপিত কৰি লোৱা সনেসজা অৰ্থ বুলি চলোৱা প্ৰচাৰ —এই সকলোবোৰৰ প্ৰকৃত ব্যাখ্যা এয়াই।

সাম্প্ৰাতক অসমতো আমাৰ জীৱন ( "অস্তিত্ব" ) এক সামাজিক আদৰ্শইহে নিৰ্দ্দিষ্ট কৰিছে। সাম্ৰাজ্যবাদ, সামাজিক-সাম্ৰাজ্যবাদ, সাম্ৰাজ্য- বাদীহঁতৰ দালাল ভাৰতীয় বৃহৎ পুঁজিপতিগোষ্ঠী আৰু সামন্তবাদী ডা- ডাঙৰীয়াহঁতে কৃষক-শ্ৰমিক-নিম্নমধ্যবিত্তৰ শোষণৰ জৰিয়তে যি "সামাজিক আদৰ্শ" সৰ্বভাৰতীয় পৰ্য্যায়ত বাহাল ৰাখিছে, অসম তাৰে ভিতৰুৱা। ভবেন বৰুৱাই এই কথা বুবুজে। আমাৰ জীৱন হেনো তেখেতৰ কাৰণে এক "তথ্য", আৰু তেখেতে তেখেতৰ কবিতাৰ মাজেৰে সেই "তথ্য"ৰ ওপৰত হেনো অৰ্থ আৰোপিত কৰিব খুজিছে।

* * * *

"সংলাপ"ৰ তৃতীয় সংখ্যাতে নীলমনি ফুকনে তেখেতৰ কবিতাৰ "নেপথ্যৰ কথা" লিখিছে। ফুকনে লিখাটিত মনত পেলাইছে তেখেতৰ ল'ৰালিৰ সামন্তীয় idyllic পৰিবেশ —বৰ্ণাঢ্য বিবাহ উৎসৱ, আইনামৰ

OKDISCD

গহীন মৌন সুৰ। এই idyllic পৰিবেশতে তেখেতৰ আবেগ মুকলি হৈছিল। কিন্তু বৃটিছ শাসনে ছাৰখাৰ কৰি থৈ যোৱা "স্বাধীন" অসমত তেখেতৰ আবেগ কেনেধৰণে লাহে লাহে বাস্তবায়িত হ'ল তেখেতৰ জীৱনৰ সেইবোৰ কথাৰ ভু আমাক দিয়া হোৱা নাই, ফুকনে সেইবোৰৰ সম্পৰ্কত নিজকেই কোনো পোনপটীয়া প্ৰশ্ন নকৰে। কবিয়ে, পৈণত বয়সত লৰালিৰ সেই আবেগৰ আলোড়ন মনত পেলাই ভাল পায়।

বাস্তৱতঃ, ডাঙৰ হৈ কবিয়ে শৰণ ল'লে তেখেতৰ সময়ত অসমলৈ আমদানি হোৱা সমসাময়িক পাশ্চমীয়া সাহিত্যৰ অন্তৰ্মুখীনতাৰ তত্বত, ("পুষ্ট অৱচেতনেই কোনো এক পৰম লগত মেলি দিয়ে ৰহস্যময় সেই পোহৰৰ দুৱাৰ"।) আধুনিক aesthetics আৰু poetic অনুসৰি দুখবোধ বা বিষাদ অৱশ্যেই কবিতাৰ সৰ্ত্ত ; ইয়াৰ বাস্তৱ কাৰণ হ'ল আধুনিক কবিসকল (আধুনিক উপন্যাসিকো) সকলোৱেই কম বেচি পৰিমানে আত্মনিগ্ৰহকাৰী, সকলোৱেই কমবেচি পৰিমাণে সচেতন আত্মপ্ৰৱঞ্চক, সকলোৱেই প্ৰতিক্ৰিয়াৰ কম-বেচি ইচ্ছুক বলী। Shakespeare বা Swift ৰ বাবে উৎসাহবোধ বা ক্ৰোধ বা বিতৃষ্ণা সাহিত্যৰ প্ৰেৰণা হ'ব নোৱাৰাৰ নিশ্চয় কোনো কাৰণ থাকিব নোৱাৰিলেহেতেন।

যিহেতুকে দুখক কিনা হৈছে লজ্জাজনক ভাবে—আত্মপীড়নৰ মূল্য দি, সেয়ে এই দুখক লালন-পালন কৰিব লাগিব, তাক কেতিয়াও সন্দেহ কৰিব নালাগিব, জগৰীয়া কৰিব নালাগিব ; সেই কুৎসিত দুখক দেখুৱাব লাগিব সুন্দৰ হেন কৰি, পৃথিবীত আমাৰ সন্দেহাতীত যোগ্য পুৰস্কাৰৰ হিচাপত, জীৱনৰ স্বাভাৱিক ফচল হেন কৈ—লৰালিৰ নিশ্চিন্ত আবেগৰ দোহাই দি, লৰালিৰ পৰিবেশৰ দোহাই দি, সেই দুখক দেখুৱাব লাগিব নিষ্পাপ হেন কৈ :

"চকুলো টুকি টুকি কতবাৰ শুনিছিলো আইতাৰ মুখত—তেজিমলা আৰু কমলাকুঁৱৰীৰ সাধু। কিযে মৰমসনা, হৃদয় চুই যোৱা আছিল আইতাৰ কথন কলা। দুয়োটা সাধুৰে একো অংশ আইতাৰ সুৰ দি বিনাইছিল। আইতায়েই যেন মোৰ হৃদয় তন্ত্ৰীত বান্ধি দিছিল সেই এক দুখৰ সুৰ। আৰু, গাঁৱৰ বিয়া-সবাহত,—বিশেষকৈ বিয়ানাম (যোৰানাম বাদে) আৰু আইনামৰ গহীন মৌন সুৰৰ নিয়ৰ পাই মুকলি হৈছিল মোৰ আবেগ।"



বিয়ানাম-আইনামৰ শব্দ বা বাক্যাংশ আনি যিমানেই সজাই-পৰাই সুন্দৰ কৰা নহওক এই দুখক, এই দুখৰ স্বৰূপ নতুন অসমীয়া কবিয়ে বুজিব আৰু তাক ঘৃণা কৰিব। "চিত্ৰৰচনা", "উপমা সৃষ্টি", "পাৰিপাট্য"ৰ খাটিৰত ফুকনদেৱে বিয়ানাম-আইনামৰ পৰা শব্দ বা বাক্যাংশ গ্ৰহণ কৰিব পাৰে, কিন্তু এইটো স্পষ্ট যে তেখেতৰ কবিতাই ৰাভাৎজ্যোতিপ্ৰসাদৰ গীতৰ দৰে গাম্য গীত-মাতৰ সুৰ অনুসৰণ নকৰে।

দুখৰ আধুনিক বিগ্ৰহ সাজি উঠাৰ পাছত মনলৈ আহে নানা-তৰহৰ অস্বাভাৱিক উচ্চাকাঙ্ক্ষা :

"কবিৰ বুকুৰ ওপৰতেই যেন মানুহৰ দুখৰ ভৰ। লিখিব পাৰিমনে এনে এটা কবিতা য'ত ঝঙ্কৃত হৈ উঠিব মানুহৰ হৃদয়ৰ সেই দুখ মোৰ হৈ ?"

একেধৰণৰ সাৰশূন্য (rhetorical) অস্বাভাৱিক আকাঙ্ক্ষা এয়া ? অসমৰ সমাজত, আমাৰ জীৱনত, নীলমনি ফুকনৰ জীৱনত দুখ অৱশ্যে আছে ; কিন্তু আমি কিবা দুখবাদী দৰ্শনৰ অৱতাৰণা কৰিম নেকি এতিয়া ? ●

## সাম্প্ৰতিক কবিতা

লিলি গগৈ

পূব আকাশৰ ৰবিৰ ৰাঙলী ৰশ্মিত
দেখা পাওঁ ৰঙাতেজৰ সাম্য প্ৰতিস্থা।
দেখা পাওঁ তাতে এটি প্ৰতিবিম্ব,
সিও এটি মানৱ শিশুৰ প্ৰতিচ্ছবি।
তাৰ দৃষ্টিত উজ্জলিছে অলেখ বহ্নি
নিঃশেষ হব পৃথিবীৰ সকলো শোষণ।

OKDISCD

## মোৰ গীতঃ মোৰ কবিতা

—হৰ্ষপ্ৰিয়া বাৰুকিয়াল

মই গীত গাওঁ কিয় ? লিখো কিয় ?
কাৰ কাৰণে মোৰ গীত, মোৰ কবিতা ?
মোক সুধি সুধি আমনি নকৰিবা
তোমালোকৰ ভণ্ডামিত, প্ৰতাৰণাত
মোৰ অভিজ্ঞ চেতনা ।
কেৱল ফাঁকি !
ফাঁকিৰ দেৱাল দেখা নাই ?
সাতদিন নজ্বলা চৌকাৰ পকা আঙঠা
জ্বলা দেখা নাই
মানুহৰ চকুত—
পাকঘৰৰ তুৱাৰ মুখত ?
অনুভৱ কৰিছানে পথাৰৰ সোনগুটি
মহাজনৰ গুটিধানৰ ভৰালত উঠা
নীপিড়িত কৃষকৰ ৰাক্তিম বেদনা ?
ওহেঁ। নাই কৰা, কেতিয়াও নাই কৰা ।

শুনিছানে কেতিয়াবা
মুকলি আকাশৰ তলত
শুই পৰা সৰ্ব্বহাৰাৰ
যতনা-কাতৰ কণ্ঠস্বৰ
দিনটোৰ শ্ৰমৰ শেষৰ ?

নাই শুনা ? হয়তো !
তুমিতো শুনিবা মাথো
"মাজনিশা সাৰ পাই
কেতেকীৰ হিয়া ভঁগা মাত"
প্ৰেয়সীৰ ভায়োলীনৰ তান আৰু......

শ্ৰমিকৰ হাতুৰীৰ প্ৰতিটো কোবত
এক নতুন প্ৰত্যয়
তাকতো তুমি নুবুজা ।
গতিকে
মোক এতিয়া একো নক'বা
তোমালোকৰ প্ৰতাৰণাত মই অতীষ্ঠ

মোক আৰু নজ্বলাবা ।
মোৰ দেশৰ অগনন নিষ্পেষিত জনতাৰ
শোষণ-মুক্তিৰ অভিযানত
মোক মাথো কাম কৰিবলৈ দিয়া
গভীৰ নিষ্ঠাৰে, দৃঢ়তাৰে, আত্মপ্ৰত্যয়েৰে

এতিয়াও ক'ব লাগিবনে
মই গীত গাওঁ কাৰ বাবে ?
মোৰ কবিতা কাৰ কাৰণে ?
শুনা !
তোমালোকৰ কংক্ৰীটৰ দেৱাল থহাই
উৱলি যোৱা সমাজ ধ্বংসি
তেজৰ ৰাঙলী সোঁতেতে
এপাহ ফুলৰ জন্ম দিব পৰা
সেই শোষিত জনতাৰ কাৰণেই
মোৰ গীতঃ মোৰ কবিতা ।
শোষিতৰ বন্ধু মই
তেওঁলোকৰ সংগ্ৰামী চেতনাই
মোৰ গীত
মোৰ কবিতা । ●

## মাৰ্ক্সবাদ আৰু সংশোধনবাদ

—ডিম্বেশ্বৰ বৰুৱা

"ৰাজনীতি, কৰ্মকৌশল সম্পৰ্কত প্ৰশ্ন আৰু সাধাৰণ দৰ্শনৰ ক্ষেত্ৰত আধুনিক সংশোধনবাদীহঁতৰ প্ৰধান বৈশিষ্ট্য হয়—অত্যন্ত চতুৰ পদ্ধতিত মাৰ্ক্সবাদৰ প্ৰত্যাখ্যান ঘটোৱা, অত্যন্ত চতুৰ উপায়ে মাৰ্ক্সবাদৰ ছদ্মবেশত বস্তুবাদবিৰোধী নীতি প্ৰচাৰ কৰা।"

(লেনিন — মেটেৰিয়েলিজম এণ্ড এম্‌পিৰিও ক্ৰিটিচিজম্)

ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কত মাৰ্ক্সবাদৰ সিদ্ধান্ত মৌলিক আৰু বিজ্ঞানসন্মত। ৰাষ্ট্ৰ সম্পৰ্কত লোৱা দৃষ্টিভঙ্গিয়ে প্ৰকৃত বিপ্লৱী দল আৰু শোধনবাদী দলৰ চৰিত্ৰ নিৰ্ণয় কৰে। যদিও সকলো মাৰ্ক্সবাদীলোকেই ৰাষ্ট্ৰ সম্পৰ্কত মোটামোটিকৈ একে মতকে পোষণ কৰা যেন লাগে, কিন্তু কাৰ্য্যক্ষেত্ৰত তেওঁলোকৰ বহুতেই সংশোধনবাদী পথ গ্ৰহণ কৰে। সুবিধাৰ আঁৰ লৈ সংশোধনবাদীহঁতে পুঁজিবাদকে চালু ৰাখে নাইবা পুনৰ প্ৰবৰ্তনৰ চেষ্টা কৰে। পুঁজিবাদৰ লগত ইহঁতৰ সম্বন্ধ "ভিতৰি নেৰিবা বেথা" স্বৰূপ। সেই কাৰণে ৰাষ্ট্ৰৰ চৰিত্ৰ নিৰ্ণয়ৰ প্ৰশ্ন সমূহ আলোচনাৰ মাজেদি সংশোধনবাদৰ চৰিত্ৰ পৰিষ্কাৰ কৰিব পাৰি। আলোচনাৰ সুবিধাৰ বাবে আমি বৰ্তমান প্ৰবন্ধত ভাৰতৰ ৰাষ্ট্ৰ চৰিত্ৰ আৰু বিভিন্ন সংশোধনবাদী দলৰ কৰ্মকৌশলৰ মাজেদি কেনেকৈ শোধনবাদী ধাৰাটো প্ৰকাশ হৈছে তাক দাঙি ধৰিম।

"পৰিবাৰ, ব্যক্তিগত মালিকানা আৰু ৰাষ্ট্ৰৰ উৎপত্তি" এঙ্গেল্‌চৰ এখন বিখ্যাত গ্ৰন্থ। এই গ্ৰন্থত এঙ্গেলচে মানৱ সমাজৰ ক্ৰমবিকাশৰ বৈজ্ঞানিক বিশ্লেষণ কৰিছে। তেওঁ ৰাষ্ট্ৰ সম্পৰ্কত শেষত এনে সিদ্ধান্ত কৰে—'ৰাষ্ট্ৰ কোনো সমাজৰ ওপৰত বাহিৰৰ পৰা জাপি দিয়া শক্তি নহয়, যেনেকৈ ইয়াক কব নোৱাৰি 'নৈতিক ধাৰণাৰ বাস্তৱৰূপ' নাইবা 'যুক্তিৰ প্ৰতিমূৰ্ত্তি আৰু বাস্তৱতা' যিটো হেগেলে দাবী কৰিছে। বৰঞ্চ ই বিকাশৰ এটা বিশেষ স্তৰত সমাজৰ পৰাই উদ্ভূত; সমাজ যে নিজৰ ভিতৰৰ সমাধানহীন বিৰোধবোৰৰ মাজত সম্পূৰ্ণ জড়িত হৈ পৰিছে, এনে দূৰপনেয় দ্বন্দ্বত সি বিভক্ত যাৰ নিৰাকৰণৰ সি অক্ষম, ই তাৰেই স্বীকৃতি। কিন্তু যাতে এইবোৰ বিৰোধে, বিৰোধী স্বাৰ্থ সম্বলিত শ্ৰেণীবোৰক আৰু সমাজকো নিষ্ফল সংগ্ৰামৰ মাজত ধ্বংসৰ মুখলৈ ঠেলি নিদিয়ে তাৰ

বাবেই প্ৰয়োজন হ'ল এনে এটা শক্তি যি আপাতদৃষ্টিত সমাজৰ উৰ্দ্ধ'ৰপৰা এই সংগ্ৰামক সংযত কৰিব, ইয়াক 'শৃঙ্খলাৰ' সীমাৰ ভিতৰত ৰাখিব। আৰু এই যে শক্তি যি সমাজৰ পৰা উদ্ভূত হৈয়ো তাৰ উৰ্দ্ধত নিজকে প্ৰতিষ্ঠিত কৰে আৰু ক্ৰমাগত সমাজৰ পৰা বিচিন্ন হবলৈ ধৰে, এই শক্তিয়েই হ'ল ৰাষ্ট্ৰ।" লেনিনেও ৰাষ্ট্ৰ সম্পৰ্কত একে সিদ্ধান্তই কৰি কৈছে ঃ "The state is the product and a manifestation of the ir·econciliability of class antagonisms. The state arises where, when and insofar as class antagonisms obiectively cannot be reconciled. And, conversely, the existence of the state proves that the class antagonisms are irrenconciliable." ভাৰতৰ বিভিন্ন কমুউনিষ্ট পাৰ্টি, যেনে চি· পি· আই, চি: পি· এম ইত্যাদিয়ে ৰাষ্ট্ৰৰ এই মৌলিক তত্ব মানি লোৱা নাই। তেওঁলোকে মাৰ্ক্স-এঞ্জেল্‌চ লেনিন বৰ্ণিত ৰাষ্ট্ৰৰ প্ৰকৃত সংজ্ঞাৰ তাৎপৰ্য্য বুজিব পৰা নাই। অন্যথাই তেওঁলোকে কেনেকৈ শান্তিপূৰ্ণ ভাবে সমাজবাদলৈ উত্তৰণৰ কথা কৈ আছে? ৰাষ্ট্ৰ যিহেতু product of the irreconciliability of ciass antagonisms গতিকে সশস্ত্ৰ বিপ্লৱৰ দ্বাৰা বুৰ্জোৱা ৰাষ্ট্ৰক ধ্বংস নকৰাকৈ সমাজবাদ প্ৰতিষ্ঠাৰ কল্পনা ইউটপীয় ধাৰণা মাত্ৰ। শান্তিপূৰ্ণভাবে সমাজবাদ প্ৰতিষ্ঠাৰ দাবী মাৰ্ক্সবাদৰ মৌলিক ধাৰণাৰে বিৰোধী কথা। ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত সাম্ৰাজ্যবাদী আৰু সামন্তবাদী শোষণ অব্যাহত ৰাখিবলৈ ৰাষ্ট্ৰ সম্পূৰ্ণৰূপেই পুলিচ মিলিটেৰীৰ ওপৰত নিৰ্ভৰশীল। যিটো শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ বাবে ৰাষ্ট্ৰ গঢ়ি উঠিছে সেই শ্ৰেণীটোৰ স্বাৰ্থৰ বাবে সৰ্বপ্ৰকাৰ কূট-কৌশল, অত্যাচাৰ, উৎপীড়ণ চলোৱাটো সিহঁতৰ সদা-প্ৰয়োজনীয় কথা। অবাধ দূৰ্নীতি আৰু আমোলাতান্ত্ৰিক ব্যৱস্থাকো সিহঁতে পোষকতা কৰে। আৰু এনেবোৰ ব্যৱস্থাৰ সুবিধাৰ আঁৰত শোষক শ্ৰেণীটো নিৰাপদে বাস কৰে। ভাৰতভো দালাল কংগ্ৰেছ চৰকাৰটো শোষক শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি কিমান সতৰ্ক সেই বিষয়ে একমাত্ৰ পুলিচ বিভাগত খৰচ কৰা টকাৰ পৰাই থূলমূল আভাস এটা পাব পাৰি। চৰকাৰী হিচাবমতেই ১৯৫০-৫১ চনৰ পৰা ১৯৭৪–৭৫ চনলৈকে কেন্দ্ৰীয় চৰকাৰে পুলিচ বিভাগত খৰছ শতকৰা ৫২ ভাগ বৃদ্ধি কৰে। উক্ত সময়ৰ ভিতৰত খৰছ ৩ কোটি টকাৰ পৰা বাঢ়ি গৈ ১৫৬·৪০ কোটি হয়গৈ। ভাৰতৰ বৰ্তমান শ্ৰেণী চৰিত্ৰই পৰিষ্কাৰ কৰি দেখুৱাই যে পলিচৰ শক্তি বৃদ্ধিয়ে কোন শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰে। এনে অৱস্থাত



প্ৰলেটেৰিয়েটে শান্তিপূৰ্ণভাবে ৰাষ্ট্ৰব্যৱস্থা কায়েম কৰিব পাৰিবনে? শ্ৰেণী স্বাৰ্থ বজাই ৰাখিবলৈ কংগ্ৰেছে পুলিচ-মিলিটেৰীৰ অত্যাচাৰ চলায়েই আছে আৰু চলাই থাকিবও। গতিকে বুৰ্জোৱা ৰাষ্ট্ৰব্যৱস্থা ধ্বংসৰ বাবে সৰ্বহাৰাই সশস্ত্ৰ বিপ্লৱৰ পথ লবই লাগিব। কিন্তু ভাৰতৰ শোধনবাদী দলবোৰে এইবুলি "হৰিকীৰ্তন" কৰি ফুৰিছে যে শান্তিপূৰ্ণ-ভাবেও সমাজবাদ সম্ভৱপৰ, পাৰ্লিয়ামেণ্টৰ যোগেদিও ৰাষ্ট্ৰক্ষমতা দখল কৰিব পাৰি। পাৰি জানো?

লেনিনে তেওঁৰ "ৰাষ্ট্ৰ আৰু বিপ্লৱ' নামৰ পুথিত তেওঁৰ পূৰ্ববৰ্তী মাৰ্ক্স-এঞ্জেলচৰ সমাজবাদী দৰ্শনৰ অধ্যয়নৰ মাজেদি এনে সিদ্ধান্তলৈ আহিছে যে কমিউনিষ্টসকলে সৰ্বহাৰাক সদাই এই শিক্ষাকে দিব যে একমাত্ৰ সশস্ত্ৰ সংগ্ৰামৰ মাজেদিহে সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰিব পাৰি। ইয়াৰ মাজত কোনোধৰণৰ মধ্যপন্থা নাই। ইয়াৰ পৰা কণমানো আঁতৰি যোৱাৰ অৰ্থই হব মাৰ্ক্সবাদৰ বিকৃতিকৰণ। পৃথিবীৰ বিভিন্ন সমাজতান্ত্ৰিক বিপ্লৱবোৰেও তাকেই বাস্তৱত প্ৰয়োগ কৰি দেখুৱাইছে। বিপ্লৱী তত্ব আৰু বিপ্লৱী পাৰ্টিৰ বাহিৰে কোনেও কেতিয়াও সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰিব পৰা নাই। চিলিৰ কৰুণ পৰিণতিয়ে সশস্ত্ৰ সংগ্ৰামৰ তত্বক আৰু অধিক বলবান কৰিছে। মস্কোৰ সংশোধনবাদী ব্ৰেজনেভগোষ্ঠীৰ তথাকথিত শান্তিপূৰ্ণভাবে সমাজবাদলৈ উত্তৰণৰ তত্ব মাত্ৰ কথাৰ কথা। ছোভিয়েট দেশৰ বৰ্তমানৰ সামাজিক-সাম্ৰাজ্যবাদী স্বৰূপ আজি সকলো বিপ্লৱী কমিউনিষ্ট পাৰ্টি আৰু দেশে বুজি উঠিছে। চি, পি, আই দলে ছোভিয়েট দেশক এতিয়াও সমাজবাদী দেশ বুলি স্বীকৃতি দিয়া কাৰ্য্যই এই দলৰ সংশোধনবাদী চৰিত্ৰকে প্ৰকাশ কৰে। তেওঁ-লোকৰ জোৰা–ফুটা মৰা তত্বৰ অন্ত নাই। অৱশ্যে লেনিনৰ নেতৃত্বত ৰুছ জনসাধাৰণে সংগ্ৰামৰ মাজেদিয়ে সংশোধনবাদী দলবোৰৰ–– যিবোৰে দ্বন্দ্ববাদৰ সলনি "খিছিৰিবাদ" (eclecticism) আমদানি কৰে–– স্বৰূপ উদঙাই গৈছে।

শোধনবাদী দলবোৰে পাহৰি যাবলৈ চেষ্টা কৰা আন এটা কথা হ'ল এয়ে যে সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে প্ৰথমতে প্ৰয়োজন বুৰ্জোৱাৰ হাতৰ পৰা ৰাষ্ট্ৰক্ষমতা দখল কৰি সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰা। সমাজবাদৰ বাবে বুৰ্জোৱা একনায়কত্বৰ ঠাইত সৰ্বহাৰা একনায়কত্ব আৰু উৎপাদনৰ ব্যক্তিগত মালিকানাৰ ঠাইত সামাজিক মালিকানা দুটা প্ৰধান চৰ্ত। অলপ সময়ৰ বাবেও এই কথা পাহৰিলে নচলিব। লেনিনে লিখিছে, "সমাজবাদী বিপ্লৱ আৰু ৰাষ্ট্ৰযন্ত্ৰৰ সমস্যাক মাৰ্ক্সীয় শ্ৰেণীসংগ্ৰাম তত্বৰ পোহৰত অনুধাবন

OKDISCD

কৰিলে সৰ্বহাৰাদলৰ ৰাজনৈতিক ক্ষমতা অৰ্থাৎ সশস্ত্ৰ গণবাহিনীৰ দ্বাৰা পোনপটীয়াভাবে সুৰক্ষিত তেওঁলোকৰ একনায়কত্ব বা অবিভক্ত ক্ষমতা, অনিবাৰ্য্য বুলি মানি লব পাৰি।" গৰুৰ আগত গাড়ী দিয়াৰ দৰে আমাৰ সমাজতন্ত্ৰীসকলে সৰ্বহাৰাৰ দ্বাৰা ৰাষ্ট্ৰক্ষমতা দখল নকৰাকৈয়ে সমাজবাদৰ আখৰা দিছে। সিহঁতে পাহৰি যায় যে "সৰ্বহাৰাৰ একনায়কত্বৰ অবিহনে সমাজতন্ত্ৰ অসম্ভৱ"। লেনিনে আৰু লিখিছিল যে সৰ্বহাৰাৰ একনায়কত্ব একমাত্ৰ শ্ৰেণীবিভক্ত সমাজৰ বাবেই যে প্ৰয়োজন এনে নহয়, নাইবা বুৰ্জোৱাক পৰাস্তকাৰী সৰ্বহাৰা শ্ৰেণীৰ বাবেইযে প্ৰয়োজন তেনেও নহয়, বৰঞ্চ পুজিবাদ আৰু শ্ৰেণীহীন সমাজ তথা সাম্যবাদৰ মাজত ব্যৱধান ৰচনাকাৰী সমগ্ৰ ঐতিহাসিক পৰ্য্যায়ৰ বাবেও প্ৰয়োজন। লেনিনৰ উক্তিয়ে ইয়াকে সূচায় যে সৰ্বহাৰা একনায়কত্ব হৈছে পুঁজিবাদৰ পৰা সাম্যবাদৰ উচ্চতৰ স্তৰলৈ উত্তৰণৰ সমগ্ৰ পৰ্য্যায়ৰ ৰাষ্ট্ৰ, আৰু মানৱ ইতিহাসত ৰাষ্ট্ৰৰ সৰ্বশেষ ৰূপ। কিন্তু সৰ্বহাৰা একনায়কত্ব অবিহনে "ৰাষ্ট্ৰহীন" সমাজ বা সাম্যবাদৰ কল্পনা, পৰ্বতত কাচকণী বিচৰাৰ দৰেই বাতুলতা। মাৰ্ক্সে তাহানিতে লিখি গৈছে, "পুঁজিবাদী সমাজ আৰু কমিউনিষ্ট সমাজ, এই দুইৰ মাজত আছে এটাৰ পৰা আনটোলৈ বিপ্লৱী ৰূপান্তৰৰ এক পৰ্ব। তাৰেই লগত সহগামী হৈ থাকে ৰাজনৈতিক উৎক্ৰমণৰ পৰ্ব যেতিয়া ৰাষ্ট্ৰ প্ৰলেটেৰীটৰ বিপ্লৱী একনায়কত্বৰ বাহিৰে আৰু একোৱেই নহয়"। (গোথা কৰ্মসূচীৰ সমালোচনা।) মাৰ্ক্সে ইয়াত দুটা কথা কৈছে প্ৰথমটো হৈছে বিপ্লৱী ৰূপান্তৰৰ প্ৰশ্ন আৰু দ্বিতীয়টো হৈছে সৰ্বহাৰাৰ একনায়কত্ব। সংশোধনবাদীহঁতে যিয়েই নকওক, উল্লেখিত দুটা কথা বাদ দি সমাজবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰিব। দেখা গৈছে শোধনবাদী চি, পি, আইৰ দলে শান্তিপূৰ্ণভাবে সমাজবাদলৈ উত্তৰণৰ কথা কৈ মাৰ্ক্সবাদৰ মৌলিক কথাকে অস্বীকাৰ কৰিছে। যিসকল লোকে ঐতিহাসিক বস্তুবাদৰ তত্ত্ব আয়ত্ব কৰিছে তেওঁলোকে এই কথা নজনা নহয় যে বিপ্লৱ হ'ল সমাজত অহৰহ চলি অহা দ্বন্দ্বসমূহৰ শীৰ্যবিন্দু ("নোদাল লাইণ") এই শীৰ্যবিন্দুত পৰিমাণগত পৰিবৰ্তনৰ পৰা দ্ৰুতগতিত গুণগত পৰিবৰ্তন ঘটে। সেই কাৰণে শোষিত শ্ৰেণীৰ সংগ্ৰামো বিপ্লৱৰ মাজেদিহে সমাধা হব পাৰে। শান্তিপূৰ্ণভাবে ধীৰে ধীৰে উত্তৰণৰ তত্ত্ব দ্বন্দ্ববাদ বিৰোধী কথা।

কংগ্ৰেছ চৰকাৰৰ সম্পৰ্কত চি, পি আইৰ সিদ্ধান্ত অতি অদ্ভুত। কংগ্ৰেছ হেনো এটা সানমিহলি দল। ইয়াৰ মাজত বোলে বহুতো "প্ৰগতিশীল" লোক আছে। লেনিনে কিন্তু আমাক শিকাইছে যে শ্ৰেণীস্বাৰ্থৰ উৰ্দ্ধত কোনো ৰাজনৈতিক পাৰ্টিৰ অস্তিত্ব



থাকিব নোৱাৰে। ৰাষ্ট্ৰৰ দৰে এটা ৰাজনৈতিক সংগঠনো শ্ৰেণীসংগ্ৰামৰ হাতিয়াৰ। প্ৰত্যেক ৰাজনৈতিক পাৰ্টিৰে শ্ৰেণীচৰিত্ৰ আছে। তেওঁ আৰু কৈছে 'কোনো বিষয়ৰ প্ৰতি যথাৰ্থ ৰাজনৈতিক দৃষ্টিভঙ্গীৰ বাহিৰে কোনো শ্ৰেণীয়েই তাৰ শাসন চলাব নোৱাৰে আৰু তাৰ ফলত তাৰ উৎপাদন সংক্ৰান্তিয় সমস্যাৰ সমাধান কৰিব নোৱাৰে'। সেয়ে শ্ৰেণীচৰিত্ৰৰ উৰ্দ্ধত কোনো পাৰ্টিৰ কল্পনা উদ্ভত আৰু মাৰ্ক্সবাদৰ অজ্ঞতাৰ পৰিচয়। কংগ্ৰেছ চৰকাৰৰ শ্ৰেণীচৰিত্ৰ কি এই কথা বিচাৰ নকৰাকৈ কংগ্ৰেছক একেলগে এটা প্ৰগতিশীল আৰু প্ৰতিক্ৰিয়াশীল লোকৰ দল বুলি ভবাটো নিতান্ত শিশুসুলভ কথা।

লেনিনে কাউটস্কিক সমালোচনা কৰিবলৈ গৈ তেওঁৰ বিখ্যাত গ্ৰন্থ "The Proletarian Revolution and the Renegade Kautsky" ত লিখিছে, "সৰ্বহাৰাৰ বৈপ্লৱিক একনায়কত্ব হ'ল বুৰ্জোৱাৰ পৰা সহিংস পদ্ধতিত লাভ কৰা সুৰক্ষিত শাসন— এই বৈপ্লৱিক শাসন সকলো আইনৰ উৰ্দ্ধত"! এই উক্তি আৰু ইয়াৰ লগৰ বহুবোৰ উক্তিৰ মাজেদি কাউটস্কিয়ে যি শান্তিপূৰ্ণ উত্তৰণৰ কথা কৈছে তাক সম্পূৰ্ণৰূপে উৎখাত কৰে আৰু দেখুৱাই যে বুৰ্জোৱাৰ বিৰুদ্ধে হিংসা প্ৰয়োগৰ অবিহনে সৰ্বহাৰা একনায়কত্ব প্ৰতিষ্ঠা হব নোৱাৰে। শোধনবাদী চি, পি, আই দলে এনেদৰে শান্তিপূৰ্ণভাবে সমাজবাদলৈ উত্তৰণৰ কথা কবলৈ গৈ লেনিনকে অস্বীকাৰ কৰিছে। ফলত বুৰ্জোৱা গণতন্ত্ৰক শক্তিশালী কৰাত সিহঁতে আত্মনিয়োগ কৰে। চাৰিওফালৰ প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে যুজিবলৈ সিহঁতে একমাত্ৰ বুৰ্জোৱা সংসদীয় গণতন্ত্ৰক শক্তিশালী কৰাৰ বাহিৰে কোনো উপায় নেদেখে। লগে লগে পাহৰি যায় যে যিকোনো ধৰণৰ ৰাষ্ট্ৰই হ'ল এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ ওপৰত নিজৰ কৰ্তৃত্ব বজাই ৰখাৰ হাতিয়াৰ। সামন্ততন্ত্ৰই হওক, পুজিবাদেই হওক, শোষণৰ ওপৰত ভিত্তি কৰিয়ে তিষ্ঠি থাকে। বুৰ্জোৱা শাসনত অধিকতৰ সূক্ষ্মৰূপত, নিৰ্লজ আৰু নৃশংসৰূপত সৰ্বহাৰাৰ ওপৰত শোষণ চলে। মাৰ্ক্স-এঞ্জেলচে কমিউনিষ্ট ইস্তাহাৰত এই কথা পৰিষ্কাৰ কৰি লিখি গৈছে। গতিকে বুৰ্জোৱা গণতন্ত্ৰক যি কোনো প্ৰকাৰে জীয়াই ৰাখিবলৈ গৈ চি, পি, আইয়ে শ্ৰমিক শ্ৰেণীৰ চৰম বিশ্বাসঘাটকতা কৰিছে। বিশেষকৈ বৰ্তমান বিশ্ব-পুঁজিবাদৰ সংকটকালত। এনে এটা পৰিস্থিতি লক্ষ্য কৰিয়ে লেনিনে লিখিছিল, "বুৰ্জোৱা গণতন্ত্ৰ সামন্তবাদতকৈ প্ৰগতিশীল বুলি কৈ সৰ্বহাৰা দলে বুৰ্জোৱাৰ বিৰুদ্ধে সংগ্ৰামত বুৰ্জোৱা গণতন্ত্ৰক কামত লগাব লাগে বুলি প্ৰস্তাৱ দি কাউটস্কিয়ে কাৰ্য্যতঃ আজে বাজে উদাৰনৈতিক কথাৰে শ্ৰমিকক প্ৰবঞ্চনা কৰিবহে খুজিছিল"।

সাম্প্ৰতিক কালৰ সংশোধনবাদী দলবোৰে সংসদৰ বিৰুদ্ধে মাত মাতিলেই প্ৰতিক্ৰিয়াশীল, অতি বামপন্থী ইত্যাদি নামাকৰণেৰে সমালোচনা কৰিবলৈ ধৰে আৰু নিজৰ শোধনবাদী চৰিত্ৰ তাৰ মাজত ঢাকি ৰাখে। লেনিনে তেওঁৰ "ৰাষ্ট্ৰ আৰু বিপ্লৱ" পুথিত এনে লোকৰ প্ৰতি কটাক্ষপাত কৰি কৈছে, "মাৰ্ক্সে কমিউনৰ পৰা যি শিক্ষা লাভ কৰিছিল তাক এনে দৰে পাহৰি যোৱা হৈছে যে বৰ্তমানৰ ছচিয়েল-ডেমক্ৰেটসকলে (অৰ্থাৎ

OKDISCD

বৰ্তমানৰ বিশ্বাসঘাটক সমাজতন্ত্ৰী সকলে ) বাস্তৱিকতে পালিয়ামেণ্টৰ সমালোচনা মানেই বুজে এনাৰ্কিষ্ট ( anarchist ) আৰু প্ৰতিক্ৰিয়াশীল সমালোচনা" ।

প্ৰশ্ন হব পাৰে মাৰ্ক্সবাদী দলে সংসদীয় গণতন্ত্ৰত অংশগ্ৰহণ কৰাটো নীতি হিচাবে বৰ্জন কৰিব নেকি ? যদি নকৰে তেন্তে কোন কোন অৱস্থাত কেনেদৰে তাক ব্যৱহাৰ কৰিব ? আমি ইয়াৰ পাছৰ প্ৰবন্ধত এই প্ৰশ্নসমূহ বিতংভাৱে আলোচনা কৰিম। [ আগলৈ ]

## জেঠৰ শেহত

অতুল গোস্বামী।

এতিয়া জেঠৰ শেহ
কিবাকিবি পেঘেনিয়াই পেঘেনিয়াই
কুলিবোৰ গৈছেগৈ।
অহাবেলি ফাগুনত আহিব সিহঁত,
আকৌ আহিব !

মনবোৰ উখলমাখল কৰিবলৈ।
আজিও মনবোৰ উখল মাখল কৰিছেহি
এজাক দুজাক বৰষুণে ।
দৈয়াং বিজাৰ্ভতো কাৰো কামিহাড় ভগা নাই
মনৰ ভয়বোৰ মুচৰি পেলাইছে উদ্যম আৰু সাহে।
কঠিয়া সিঁচিবলৈ বেছি দিন নাই,
পঢ়া-শুনা ল'বাবোৰে আজি কালি কয়
এয়েই যুজৰ সময়
তেনেহ'লে চকুত জুই ওলাবনে ?
আৰু
হাতে কাম বিচাৰিবনে ?

অহাবেলি ফাগুনত কুলিবোৰ আকৌ আহিব
গছে গছে কুমলীয়া পাত ওলাব
দালে দালে থোপা থোপে ফুল ফুলিব
গোন্ধে তাৰ প্ৰাণ জুৰাব……
আৰু ? আৰু ?
নহয়,
তাৰ আগতে এতিয়া বৰষুণ নামিছে
এতিয়া খেতিৰ সময়
আৰু খেতিৰ সময়েই যুজৰ সময়।

# মাৰ্ক্সবাদৰ অ-আ, ক-খ,— (৫)

—দিবাকৰ —

দ্বন্দ্বমূলক বস্তুবাদ—(৪)

বস্তু আৰু চেতনাৰ জটিল সম্পৰ্কৰ বিষয়ে আলোচনা কৰি আমি এই সিদ্ধান্তত উপনীত হ'লো যে সামাজিক সম্পৰ্কৰ বিকাশৰ লগে লগে মানুহৰ বাস্তৱ অভিজ্ঞতা যিমানে বাঢ়ে সিমানেই চেতনাও উচ্চতৰ স্তৰলৈ বিকশিত হয়। বাস্তৱ জগত আৰু মানুহৰ চেতনাৰ মাজৰ সম্পৰ্কৰ বিষয়ে এই ধাৰণাটোৱেই হ'ল মাৰ্ক্সবাদৰ মতে জ্ঞানৰ প্ৰধান ভেটি। জ্ঞানৰ জন্ম হয় বাস্তৱ জগত আৰু চেতনাৰ মাজৰ দ্বন্দ্বমূলক সম্পৰ্কৰ ফলত আৰু জ্ঞানৰ বিকাশ হয় দ্বান্দ্বিক পদ্ধতিত। জ্ঞানৰ দ্বান্দ্বিক বিকাশৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

জ্ঞানৰ দ্বন্দ্বমূলক বস্তুবাদী ব্যাখ্যাৰ আন এটা মূল ভেটি হ'ল যে জগতখনৰ সকলো কথাকেই মানুহৰ জ্ঞানেৰে চুকি পাব পাৰি। অজ্ঞেয় বুলি কোনো বস্তু নাই। এতিয়ালৈকে যিবিলাক কথা মানুহে জানিব পৰা নাই, সেইবিলাকো এদিন বিজ্ঞান আৰু সামাজিক অনুশীলনৰ সহায়ত মানুহে জানিব পাৰিব। মাৰ্ক্সবাদে মানুহৰ জ্ঞানৰ বিকাশৰ অসীম সম্ভাবনা দেখে আৰু সেইকাৰণে এই মতবাদে অজ্ঞান এন্ধাৰৰ প্ৰতি থকা মানুহৰ ভয় দূৰ কৰে।

জ্ঞান কি ? বাস্তৱ জগত সম্পৰ্কে যিবোৰ ধ্যান-ধাৰণা শুদ্ধ বুলি প্ৰমাণিত হৈছে সেইবোৰৰ সমষ্টিকে জ্ঞান বোলা হয়। সাধাৰণভাৱে ক'বলৈ গ'লে অজ্ঞানতাক আঁতৰাই যাক প্ৰতিষ্ঠা কৰা হয় তাকেই জ্ঞান বুলি কোৱা হয়। গতিকে 'জ্ঞান'ৰ ধাৰণাটোৰ লগত একপ্ৰকাৰৰ "সত্য"ৰ ধাৰণাও জড়িত হৈ থাকে। কিন্তু জ্ঞানে যি সত্যক প্ৰতিষ্ঠা কৰে তাক সচাকৈয়ে সত্য বুলি কেনেকৈ ধৰা যায়। সত্যৰ সত্যতা নিৰ্দ্ধাৰণ কৰাৰ একমাত্ৰ উপায় হ'ল পৰীক্ষা কৰি প্ৰমাণিত কৰা। যিবোৰ ধাৰণাৰ বাস্তৱৰ সৈতে প্ৰকৃততে সঙ্গতি আছে আৰু সঙ্গতি আছে বুলি প্ৰমাণিত হৈছে, সেইবোৰকেই সত্য ধাৰণা বুলি কোৱা হয়। সত্যও আকৌ দুই প্ৰকাৰৰ আছে—চৰম সত্য ( Abslute truth ) আৰু আপেক্ষিক সত্য ( Relative truth )। দ্বন্দ্বমূলক বস্তুবাদে দুয়োবিধ সত্যৰে বিশেষ গুৰুত্ব স্বীকাৰ কৰে। চৰম সত্য হ'ল সম্পূৰ্ণভাৱে স্বাধীন, স্বয়ংসম্পূৰ্ণ আৰু অপৰিবৰ্তনীয়। এনে এক সত্য হ'ল গতিশীল বস্তু, ( matter in motion ) কাৰণ ইয়াৰ আদি নাই, অন্ত নাই, আৰু বিনাশো

OKDISCD

নাই। বস্তু কিয় চিৰন্তনভাবে গতিশীল সেই বিষয়ে ('অঙ্গীকাৰ'ৰ জুন-জুলাই, ১৯৭৪ সংখ্যা) আগতে আলোচনা কৰা হৈছে। বস্তুৰ মাজত চিৰন্তনভাবে ঘটি থকা দ্বন্দ্বৰ ফলতেই বস্তু গতিশীল। কিন্তু গতিশীল বস্তু সম্পৰ্কে আমাৰ সকলো ধাৰণাই ঐতিহাসিকভাবে আপেক্ষিকহে। বিজ্ঞান আৰু সামাজিক অনুশীলনৰ বিকাশৰ লগে লগে এই ধাৰণাবোৰৰ সাল–সলনি ঘটি থাকে। যেনে, এসময়ত মানুহৰ ধাৰণা আছিল যে বস্তুৰ সকলোতকৈ সুক্ষ্মতম অবস্থা হ'ল পৰমাণু। কিন্তু বিজ্ঞানৰ বিকাশৰ ফলত দেখা গ'ল যে ইলেকট্ৰন, প্ৰটন আৰু নিউট্ৰন পৰমাণুতকৈও সুক্ষ্মতম বস্তু। ইলেকট্ৰন সম্পৰ্কীয় জ্ঞানো আকৌ আপেক্ষিকহে। কাৰণ, মানুহে এতিয়ালৈকে নাজানিলেও ভবিষ্যতে ইলেকট্ৰনতকৈও সুক্ষ্মতম বস্তু আবিষ্কাৰ হোৱাৰ সম্ভাবনা আছে। কিন্তু বস্তু যে চিৰ-গতিশীল সেই সত্যটো এটা চিৰন্তন সত্য আৰু এই সত্যৰ ওপৰত ভিত্তি কৰিয়েই বিশ্বব্ৰহ্মাণ্ডৰ পৰিবৰ্তন আৰু বিকাশ ঘটি আছে। চিৰন্তন সত্য আৰু আপেক্ষিক সত্য এটা আনটোৰ লগত জড়িত। মানুহৰ সকলো আপেক্ষিক জ্ঞানেই চিৰন্তন সত্যৰ ওপৰত নিৰ্ভৰশীল আৰু আপেক্ষিক সত্যসমূহৰ সহায়তহে মানুহে চিৰন্তন সত্য নিৰ্দ্ধাৰণ কৰিব পাৰে। বিজ্ঞানৰ বিকাশে চিৰন্তন সত্যক নতুন নতুন সমল যোগায়। কিন্তু এই সমলবোৰ বাঢ়ি–টুটি থাকিলেও চিৰন্তন সত্যৰ মূল কথাৰ পৰিবৰ্তন নহয়। (Absolute আৰু Relative truth সম্পৰ্কে লেনিনে "Materialism and Empirio Criticism" নামৰ কিতাপখনত আৰু মাও-চে-তুঙৰ "On Practice" নামৰ ৰচনাত আলোচনা কৰা হৈছে)।

দ্বন্দ্বমূলক বস্তুবাদে দ্বান্দ্বিক প্ৰক্ৰিয়াত বস্তুৰ বিকাশৰ চিৰন্তন সত্যত বিশ্বাস কৰে যদিও সেই চিৰন্তন সত্যৰ জ্ঞান ব্ৰহ্মজ্ঞানৰ দৰে এজন মানুহে সম্পূৰ্ণভাবে আয়ত্ত কৰিব পাৰে বুলি বিশ্বাস নকৰে। গীতাত কোৱা হৈছে— "এবাৰ ব্ৰহ্মজ্ঞান লাভ কৰিলে অজ্ঞান আৰু নাহে।" (চতুৰ্থ অধ্যায়): ব্ৰহ্মজ্ঞান লাভ কৰাৰ উপায় সম্বন্ধে গীতা বা বেদত প্ৰচুৰ বাণী পোৱা যায়। দ্বন্দ্বমূলক বস্তুবাদে যি সত্যক চূড়ান্ত সত্য বুলি বিবেচনা কৰে সি কোনো অলৌকিক সত্য নহয়, বিজ্ঞানৰ সত্যহে। গতিকে এই সত্য আয়ত্ত কৰাৰো কোনো অলৌকিক উপায় নাই। মানুহৰ জ্ঞান সদায় বিকাশৰ পথত থাকে— ইয়াৰ কোনো শেষ নাই। আগতেই কৈ অহা হৈছে যে চূড়ান্ত সত্য সম্পৰ্কে মানুহৰ সকলো জ্ঞানৰ পৰিবৰ্তন আৰু বিকাশ হৈ থাকে। লেনিনে কৈছে— "In the theory



of knowledge, as in every other sphere of science, we must think dialectically, that is. we must not regard our knowledge as ready-made & unalterable, but must determine how knowledge emerges from ignorance, how incomplete inexact knowledge becomes more com-plete, & more exact." ('Materialism & Empirio-Criticism') পৰিমাণগত পৰিবৰ্তনৰ পৰা গুণগত পৰিবৰ্তনলৈ "জাপমাৰি আগবঢ়া"ৰ যি দ্বান্দ্বিক নিয়ম, সেই নিয়মতে জ্ঞানৰ বিকাশ হয়।

সামাজিক অনুশীলনৰ প্ৰক্ৰিয়াত মানুহে প্ৰথমে বহিৰ্বাস্তৱৰ বিভিন্ন ঘটনা-সমূহ পৰ্য্যাবেক্ষণ কৰে আৰু মস্তিষ্কত এই ঘটনাবোৰে ছাপ পেলায়। একমাত্ৰ ইন্দ্ৰিয়ৰ সহায়তেই মানুহে প্ৰথমতে বৰ্হিজগতৰ পৰা জ্ঞান আহৰণ কৰে। কিন্তু ইন্দ্ৰিয়গত জ্ঞান প্ৰথম স্তৰত কিছুমান অসংলগ্ন আৰু পৃথক ছবিৰ সমষ্টিৰ দৰেহে হয়। এখন চলিত যানৰ খিড়িকিয়েদি চাই পঠিয়ালে যেনেকৈ পৃথক পৃথক ছবি চকুত পৰে, তেনেকৈয়ে প্ৰথম স্তৰত মানুহৰ ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰাপ্ত জ্ঞান পৰিমাণত বাঢ়ি যায়, কিন্তু অসংলগ্ন অবস্থাত থাকে। জ্ঞানৰ বিকাশৰ দ্বিতীয় স্তৰতহে মানুহে ইন্দ্ৰিয়ৰ দ্বাৰা আহৰণ কৰা জ্ঞানৰ পৰা বিমূৰ্ত্ত ধাৰণা, তত্ত্ব ইত্যাদি অৱৰোহণ (deduce) কৰে। এই স্তৰত জ্ঞানৰ এক গুণগত পৰিবৰ্তন হয়। উদাহৰণস্বৰূপে, এটা অঞ্চলৰ প্ৰাকৃতিক দৃশ্যাৱলী ভালদৰে নীৰিক্ষণ কৰাৰ পাচত আমি এটা ধাৰণাত উপনীত হ'ব পাৰো যে "এই অঞ্চলটো কৃষিপ্ৰধান" বা "এই অঞ্চলটো বন্যাঞ্চল"। গতিকে দৃশ্যাৱলী পৰ্য্যবেক্ষন কৰা আৰু "কৃষিপ্ৰধান" বোলা ধাৰণাটো অৱৰোহন কৰাৰ মাজত এটা ডাঙৰ পাৰ্থক্য আছে। আমি ইয়াকে পৰিমাণগত পৰিবৰ্তনৰ পৰা "জাপমাৰি আগবাঢ়ি" গুণগত পৰিবৰ্তনলৈ বিকশিত হোৱা বুলি কওঁ আৰু বিকাশৰ এয়ে হ'ল বৈজ্ঞানিক পদ্ধতি। ধাৰণা যদিও বিমূৰ্ত্ত তথাপি ই সামজিক অনুশীলনৰ ভিত্তিতহে গঢ় লৈ উঠে। গতিকে কোনো ধাৰণাই শূণ্যত ওপঙি থাকিব নোৱাৰে।

জ্ঞানৰ দ্বিতীয় স্তৰত মানুহে যুক্তিসঙ্গত ভাবে ভাবিবলৈ ধৰে (logical thinking) আৰু বাস্তৱৰ বিভিন্ন ঘটনাৱলীৰ মাজত সংযোগ দেখিবলৈ পায়। সেই কাৰণে জ্ঞানৰ এই দ্বিতীয় স্তৰ প্ৰথমটো স্তৰতকৈ অধিক গুৰুত্বপূৰ্ণ। কাৰণ, জ্ঞানৰ মূখ্য উদ্দেশ্য কেৱল ঘটনাসমূহৰ বৰ্হিদিশটো পৰীক্ষা কৰা নহয়। বৰ্হিবাস্তৱৰ প্ৰতিটো বস্তুৰ

OKDISCD

মাজৰ অন্তৰ্দ্বন্দ্ব আৰু বিশ্বৰ সকলো বস্তু আৰু ঘটনাৰ মাজৰ সংযোগ উপলব্ধি কৰাটোহে জ্ঞানৰ মূল উদ্দেশ্য। ইন্দ্ৰিয়ৰ সহায়ত মানুহে বস্তুৰ কেৱল বাহিৰৰ উপাদানসমূহ দেখে। কিন্তু সকলো কথাৰ সাৰমৰ্ম বুজিবলৈ যথেষ্ট বাস্তৱ-অভিজ্ঞতাৰ প্ৰয়োজন। যথেষ্ট পৰিমাণৰ ইন্দ্ৰিয়গত ধাৰণা মস্তিষ্কত গোট খালেহে তাৰ পৰা মানুহে বিমূৰ্ত ধাৰণা বা তত্ত্বত উপনীত হ'ব পাৰে। গতিকে যিকোনো এটা তত্ত্ব তৈয়াৰ কৰিবলৈ হ'লে যথেষ্ট অভিজ্ঞতাৰ প্ৰয়োজন। লেনিনৰ "Imperialism, the Highest Stage of Capitalism" নামৰ কিতাপখন মাৰ্ক্সে লিখিব নোৱাৰিলেহেঁতেন কাৰণ পুঁজিবাদৰ উচ্চস্তৰত যিবোৰ বিশেষ লক্ষণ দেখিবলৈ পোৱা যায় সেইবোৰ মাৰ্ক্স-এঙ্গেলচৰ সময়ত স্পষ্টভাৱে পৰিলক্ষিত হোৱা নাছিল। অৰ্দ্ধ-ঔপনিবেশিক, অৰ্দ্ধ-সামন্ততান্ত্ৰিক দেশ এখনত সমাজবাদ প্ৰতিষ্ঠাৰ প্ৰথম পদক্ষেপ হিচাবে "নয়া গণতান্ত্ৰিক" বিপ্লৱৰ ধাৰণাটোক মাও-চে-তুঙৰ আগতে স্পষ্টভাৱে কোনেও দিব পৰা নাছিল কাৰণ এনে এখন দেশৰ বাস্তৱ পৰিস্থিতিৰ লগত সম্পূৰ্ণভাৱে পৰিচিত হোৱাৰ অভিজ্ঞতা মাৰ্ক্স বা লেনিনৰ নাছিল। মাৰ্ক্সবাদৰ মূল বৈজ্ঞানিক ভিত্তিক লেনিন আৰু মাও-চে-তুঙে বাস্তৱ অনুশীলনৰ অভিজ্ঞতাৰ দ্বাৰা অধিক শক্তিশালী আৰু সমৃদ্ধিশালী কৰি তুলিলে।

বাস্তৱৰ অভিজ্ঞতা সদায়ে প্ৰত্যক্ষ (direct) হ'ব এনে নহয়। বহু সময়ত পৰোক্ষ (indirect) অভিজ্ঞতাৰ পৰাও মানুহে জ্ঞান আহৰণ কৰে। কিতাপ-পত্ৰ পঢ়ি বা কোনো অভিজ্ঞ ব্যক্তিৰ লগত কথা-বতৰা পাতি মানুহে যথেষ্ট পৰিমাণৰ পৰোক্ষ অভিজ্ঞতা অৰ্জন কৰিব পাৰে। এনে ধৰণৰ পৰোক্ষ অভিজ্ঞতা মানুহৰ জ্ঞানৰ এক গুৰুত্বপূৰ্ণ অংশ। কাৰণ অতীতৰ সকলো অভিজ্ঞতা আৰু দেশ-বিদেশৰ জন-সাধাৰণৰ বাস্তৱ অভিজ্ঞতা আমি পৰোক্ষভাৱেহে উপলব্ধি কৰিব পাৰো। অৱশ্যে এটা কথা মনত ৰখা উচিত যে, "মোৰ কাৰণে যিটো পৰোক্ষ অভিজ্ঞতা, আনৰ বাবে সেয়া প্ৰত্যক্ষ অভিজ্ঞতা" (মাও-চে-তুঙ—"On Practice")। গতিকে মানুহৰ পৰোক্ষ অভিজ্ঞতাৰো মূলতে আছে বাস্তৱ অনুশীলন। পৰোক্ষ অভিজ্ঞতা কিমানদূৰ গ্ৰহনযোগ্য তাক বিচাৰ কৰিব পৰা যায় একমাত্ৰ বাস্তৱৰ বিজ্ঞানসন্মত নিয়মবোৰ শুদ্ধভাৱে প্ৰতি-ফলন কৰাৰ মাপকাঠিৰে।

মাৰ্ক্সবাদী বিশ্ববীক্ষাত কোনো বিকাশৰে অন্ত নাই। গতিকে মানুহৰ জ্ঞানৰ বিকাশো ওপৰত আলোচনা কৰা দুটা স্তৰতে সীমিত নহয়। ইন্দ্ৰিয়গত ধাৰণাৰ সহায়ত



বিমূৰ্ত তত্ত্ব বা ধাৰণাত উপনীত হোৱাৰ পাচত সেই ধাৰণাসমূহ যদি পুনৰ বাস্তৱত প্ৰয়োগ কৰা নহয় তেন্তে তত্ত্বৰ কোনো মূল্য নাথাকে; কাৰণ বাস্তৱ অনুশীলনৰ অভাৱত তত্ত্ব কেৱল বিমূৰ্ত তত্ত্ব হৈয়ে ৰ'ব, ইয়াৰ কোনো বিকাশ নহয়। কাৰ্ল মাৰ্ক্সে সেই কাৰণেই কৈছিল— "দাৰ্শনিক সকলে জগতখনৰ ব্যাখ্যাহে কৰিছে। প্ৰকৃত কাম হ'ল জগতখন পৰিবৰ্তন কৰা।" জগতখন পৰিবৰ্তন কৰাৰ কামত যেতিয়া তত্ত্বক ব্যৱহাৰ কৰা হয় তেতিয়াহে তত্ত্বৰ শুদ্ধতা-অশুদ্ধতা প্ৰমাণিত হয়। মানৱ জাতিৰ কল্যাণৰ বাবে জগতখন পৰিবৰ্তন কৰাৰ কামত যিবোৰ তত্ত্ব প্ৰয়োগ কৰিব নোৱাৰি সেইবোৰ তত্ত্ব যিমানেই "গভীৰ" নহওক লাগে, মানুহৰ বাবে সেইবোৰৰ কোনো মূল্য নাথাকে। নতুন পৃথিবী গঢ়াৰ কামত তত্ত্বৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে লেনিনে কৈছে— "বৈপ্লৱিক তত্ত্বৰ অবিহনে বিপ্লৱ অসম্ভৱ" ("Without revolutionary theory, there can be no revolutionary movement")। কিন্তু অনুশীলনৰ পথ-প্ৰদৰ্শক হিচাবেহে তত্ত্বৰ ভূমিকা গুৰুত্বপূৰ্ণ। বিমূৰ্ত-তত্ত্বক যেতিয়া জগতখন সুন্দৰ কৰাৰ বৈপ্লৱিক কামত লগোৱা হয় তেতিয়া জ্ঞানৰ আৰু এক উচ্চ পৰ্য্যায়ৰ গুণগত বিকাশ হয়। অৰ্থাৎ, যেতিয়া যথেষ্ট পৰিমাণৰ তত্ত্ব সংগ্ৰহ কৰাৰ পাচত সেই তত্ত্বক কামত লগোৱা হয় তেতিয়া মানুহৰ জ্ঞানে আকৌ এবাৰ "জাপমাৰি" এটা উন্নত স্তৰলৈ আগুৱাই যায়। এনেদৰে জগতৰ পৰিবৰ্তন সধাৰ কামত তত্ত্বক ব্যৱহাৰ কৰোঁতে তত্ত্বৰো পৰিবৰ্তন হয় আৰু বাস্তৱ অনুশীলনৰ অভিজ্ঞতাৰ পোহৰত তত্ত্বৰ বহুতো ভুল-ত্ৰুটি চকুত পৰে। মানুহে নিজৰ অভিজ্ঞতাৰ সহায়ত যিবোৰ তত্ত্ব প্ৰকৃততে মানুহৰ ভালৰ বাবে কামত আহে সেইবোৰক গ্ৰহণ কৰে আৰু আনবোৰক নাকচ কৰে। ৰুচ বিপ্লৱ আৰু চীন বিপ্লৱৰ বাস্তৱ অভিজ্ঞতাৰ পাচত আজি গোটেই পৃথিবীৰ অধিকাংশ নীপিড়িত মানুহে মাৰ্ক্সবাদক শুদ্ধ তত্ত্ব বুলি গ্ৰহণ কৰিছে আৰু নিজ নিজ সমাজৰ পৰিবৰ্তন সাধনৰ বাবে ইয়াক প্ৰয়োগ কৰিছে। কিন্তু ভাববাদী ইউটপিয়ান (Utopian) তত্ত্বসমূহ কাৰ্য্যক্ষেত্ৰত সদায় ভুল বুলি প্ৰমাণিত হৈ আহিছে। সেই তত্ত্বসমূহে জীৱন আৰু জগত সম্বন্ধে যিবোৰ সপোন দেখিছে সেইবোৰ বাস্তৱলৈ ৰূপান্তৰিত কৰাটো মানুহৰ পক্ষে সম্ভৱ নহয় কাৰণ সেইবোৰ সমাজৰ আৰু জগতৰ পৰিচালিকা শক্তিসমূহৰ বিপক্ষে যায়। এনে এটা ভুল তত্ত্ব হ'ল যে মানুহৰ চাৰিত্ৰিক পৰিবৰ্তন হ'লে জগতৰ পৰা সকলো অনিষ্ট আঁতৰ হ'ব; শোষক সকলে নিজৰ মনবোৰ চাফা কৰিলে শোষণৰ ওৰ পৰিব।

কিন্তু মানুহৰ চৰিত্ৰ যে পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত গঢ় লয় সেই বৈজ্ঞানিক সত্যক এই
তত্ত্বসমূহে অস্বীকাৰ কৰে। এনে এক ভাববাদীৰ তত্ত্বৰ গুৰি ধৰোতা হ'ল গান্ধীজী।
জ্ঞানৰ বিকাশৰ এই তৃতীয় স্তৰৰ পাচতো অনুশীলন-তত্ত্ব— অনুশীলন এই
প্ৰক্ৰিয়াৰ অন্ত নপৰে। যিমান দিনলৈ মানৱ-সমাজ থাকে সিমানদিনলৈকে সামাজিক
অনুশীলনৰ ফলত প্ৰাপ্তজ্ঞান কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। ভাববাদী দাৰ্শনিকসকলে তাত্বিক
জ্ঞানক সামজিক অনুশীলনৰ পৰা পৃথক কৰি চায়। তেওঁলোকৰ মতে "প্ৰকৃত" জ্ঞানৰ
ভেঁটি সামাজিক অনুশীলনৰ ফলত হোৱা ইন্দ্ৰিয়গত জ্ঞান নহয়." "পবিত্ৰ বোধশক্তিহে"
সকলো জ্ঞানৰ উৎস। এই "বোধশক্তি" বাস্তৱ জগতৰ পৰা সম্পূৰ্ণ পৃথক আৰু
সেইবাবেই 'পবিত্ৰ'। তেওঁলোকৰ মতে কেইজনমান বিশেষ ব্যক্তিৰ মানসিক অভিজ্ঞতাৰ
মাজতেই সকলো জ্ঞানৰ উৎস পোৱা যায়। এনেধৰণৰ চিন্তা ধাৰণা শ্ৰেণী-বিভক্ত
সমাজৰ ফল। কাৰণ, শ্ৰেণী-বিভক্ত সমাজত এচাম মানুহৰ কায়িক শ্ৰমৰ ফল আন
এচামে ভোগ কৰে আৰু জ্ঞান-বিদ্যা অৰ্জনৰ সুবিধাও এই সুবিধাবাদী শ্ৰেণীটোৱেই পায়
কায়িক শ্ৰম আৰু মানসিক শ্ৰমৰ মাজত এনেদৰে যি বিৰাট প্ৰাচীৰ গঢ়ি তোলা হয়
তাৰ ফলতেই জ্ঞান সামাজিক শ্ৰমৰ পৰা বিচ্ছিন্ন হৈ পৰে। আদিম যৌথ-জীৱন যৌথ-
শ্ৰমৰ ওপৰত প্ৰতিষ্ঠিত আছিল আৰু সেই কাৰণে তেনে সমাজত সামাজিক শ্ৰমৰ
দায়িত্ব আৰু চিন্তা-চৰ্চাৰ দায়িত্ব একেখিনি মানুহৰ ওপৰতে আছিল। গতিকে, প্ৰথম
পৰ্য্যায়ত ভাৰতৰ বৈদিক সমাজতো যেতিয়া কায়িক আৰু মানসিক শ্ৰমৰ মাজত
বিশেষ পাৰ্থক্য নাছিল, যেতিয়া অন্নৰ সন্ধানতেই গোটেই সমাজখন ব্যস্ত আছিল, তেতিয়া
ভাববাদী চিন্তাধাৰাৰ প্ৰাধান্য নাছিল। কিন্তু সমাজখন লাহে-লাহে শ্ৰেণী-বিভক্ত
হৈ অহাৰ ফলত শাৰীৰিক শ্ৰমৰ স্থান তললৈ নামিল আৰু শ্ৰমৰ পৰা বিচ্ছিন্ন
"বিশুদ্ধ জ্ঞানৰ" ধাৰণাই প্ৰকৃত জ্ঞান বুলি স্বীকৃতি পালে। যিচাম মানুহ এই "বিশুদ্ধ
জ্ঞান"ৰ গৰাকী হ'ল তেওঁলোকৰ কায়িক শ্ৰমৰ লগত সম্পৰ্ক নাছিল আৰু সেই
কাৰণে তেওঁলোকে এই ভাববাদী তত্ত্বৰ আবিষ্কাৰ কৰিলে যে প্ৰকৃত জ্ঞানৰ ভেটি
সামাজিক অনুশীলন নহয়, "বিশুদ্ধ বোধশক্তি"হে।

দ্বন্দ্বমূলক বস্তুবাদ যদিও এটা বিজ্ঞানসন্মত মতবাদ. তথাপিও পুঁজিবাদী
সমাজত শিক্ষা-দীক্ষা পোৱা বহুতো বৈজ্ঞানিকে ভাববাদৰ পৃষ্ঠপোষকতা কৰে আৰু
তেওঁলোকৰ অবৈজ্ঞানিক, ভাববাদী চিন্তা-চৰ্চা যিহেতু শাসক শ্ৰেণীৰ বাবে অতি প্ৰয়োজন,
গতিকে তেওঁলোকৰ কথাবোৰকে শাসক শ্ৰেণীয়ে "বৈজ্ঞানিক সত্য" বুলি চলায় দিয়ে।



পুঁজিবাদী সমাজত বিজ্ঞানৰ এই ভূমিকা বিশেষভাবে মনকৰিবলগীয়া। এই সমাজত এহাতে যেনেকৈ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ চমকপ্ৰদ ভাবে বিকাশ হয় ( কাৰণ পুঁজিবাদ প্ৰতিষ্ঠিত হ'বৰ বাবে দুয়োটাৰে বিকাশ প্ৰয়োজন ) আনহাতেদি, বৈজ্ঞানিক আবিষ্কাৰ সমূহৰ লগত বুৰ্জোৱা ভাববাদী দৰ্শনক খাপ-খুৱাই লোৱাৰ প্ৰচেষ্টাও চলি থাকে। ফলত বৈজ্ঞানিক আৰু অবৈজ্ঞানিক তত্ত্বৰ এক অদ্ভুত আৰু জটিল সংমিশ্ৰন বুৰ্জোৱা সমাজত দেখিবলৈ পোৱা যায় আৰু ই সাধাৰণ মানুহৰ মনত নানা খেলিমেলিৰ সৃষ্টি কৰে। বাৰ্ট্ৰেণ্ড ৰাছেলৰ নিচিনা পণ্ডিতেও পুঁজিবাদী সমাজব্যৱস্থাৰ পৰা নিজৰ চিন্তাধাৰাক মুক্ত কৰিব পৰা নাছিল আৰু ফলত তেওঁৰ 'Human Knowledge : Its scope and Limit' নামৰ কিতাপত ইন্দ্ৰিয়ৰ সহায়ত বস্তু জগত সম্পৰ্কে জ্ঞান আহৰণ কৰাৰ বিষয়ে তেওঁ সন্দেহ প্ৰকাশ কৰিছে। তেও কৈছে, বস্তু জগতৰ কোনো ঘটনাই যিহেতু সংবেদন ( sensation ) নহয়, তেন্তে মানুহৰ ইন্দ্ৰিয়ই সেইবোৰ কেনেকৈ প্ৰতিফলিত কৰিব? ৰাছেলে যদিও স্পষ্টভাবে মানুহৰ ইন্দ্ৰিয়গত জ্ঞানক ভুল বুলি কোৱা নাই, তথাপি তেওঁ যি ধৰণৰ সন্দেহ প্ৰকাশ কৰিছে সি আধুনিক বুৰ্জোৱা ভাবধাৰাৰ এক বিশেষ লক্ষণ। বহুতো বৈজ্ঞানিকে আকৌ কয় যে আধুনিক বিজ্ঞানে যিবোৰ যন্ত্ৰ বা আহিলা-পাতি ( instruments ) ব্যৱহাৰ কৰিছে সেইবোৰে মানুহৰ ইন্দ্ৰিয়ই ঢুকি নোপোৱা ঘটনাবোৰ প্ৰতিফলন কৰিব পাৰে আৰু সেইকাৰণে ইন্দ্ৰিয়গত জ্ঞানতকৈ instruments অৰ জ্ঞান অধিক উচ্চস্তৰৰ। কিন্তু এইসকল পণ্ডিতে এটা কথা পাহৰি যায় যে বিজ্ঞানৰ সকলো যন্ত্ৰ-পাতি মানুহৰ দ্বাৰা সৃষ্ট আৰু মানুহৰ পঞ্চেন্দ্ৰিয়ক সেইবোৰে সহায়হে কৰে। মানুহ নাথাকিলেও হয়তো অটোমেটিক যন্ত্ৰই কাম কৰি থাকিব। কিন্তু সেই যন্ত্ৰবোৰে সংগ্ৰহ কৰা তথ্য-পাতি কোনে ব্যৱহাৰ কৰিব? গতিকে এই কথা সুনিশ্চিত যে আধুনিক বিজ্ঞানৰ অগ্ৰগতিৰ ফলত যন্ত্ৰ-পাতি যিমানেই চমকপ্ৰদ ভাবে বাঢ়ি নেযাওক লাগে, যন্ত্ৰ সদায় মানুহৰ দ্বাৰাই তৈয়াৰ হ'ব আৰু ইন্দ্ৰিয়কেই ই সাহাৰ্য্য দিব।

জ্ঞানৰ দ্বন্দ্বমূলক বস্তুবাদী তত্ত্ব সম্পৰ্কে আলোচনা কৰোঁতে আন এটা গুৰুত্বপূৰ্ণ কথা মনত ৰখা উচিত যে মাৰ্ক্সবাদী দৰ্শনে জীৱনৰ সকলো দিশতে বিজ্ঞানৰ গুৰুত্বৰ কথা স্পষ্টভাৱে দাঙি ধৰে। যদিও পুঁজিবাদে বিজ্ঞানৰ অগ্ৰগতিৰ পৃষ্ঠপোষকতা কৰে, তথাপি পুঁজিবাদী সমাজত শাসক শ্ৰেণীয়ে বিজ্ঞানক সমাজৰ পৰা পৃথক কৰি

OKDISCD

ৰাখে আৰু বিজ্ঞানৰ নিয়মসমূহ সমাজৰ বিকাশৰ ক্ষেত্ৰত প্ৰয়োগ হোৱাটো বাঞ্ছা নকৰে।
পুঁজিবাদী সমাজত বিজ্ঞানৰ ভূমিকা দাসীৰ দৰে। শাসক শ্ৰেণীৰ ভোগ-বিলাসৰ বাবে
ইয়াক ব্যৱহাৰ কৰা হয় আৰু সাধাৰণ ৰাইজৰ পৰা ইয়াক বহুত আঁতৰত ৰখা হয়।
কিন্তু শোষণমুক্ত সমাজত সৰ্বহাৰা শ্ৰেণীয়ে বিজ্ঞানক জনসাধাৰণৰ দৈনন্দিন জীৱনৰ
ওচৰ চপাই আনে আৰু বিজ্ঞানৰ আৱিষ্কাৰসমূহ সমাজৰ সকলোৰে ভোগ কৰিব পৰা
কৰি তোলে, সমাজবাদী সমাজত বিজ্ঞানৰ এফালে যেনেকৈ চূড়ান্ত বিকাশ হয় আনফালে
তেনেকৈ সমাজৰ গৰিষ্ঠ সংখ্যক মানুহ এই বিকাশৰ অংশীদাৰ হৈ পৰে আৰু বিজ্ঞান
কেইজনমান বিশেষ সুবিধাপ্ৰাপ্ত ব্যক্তিৰ ব্যক্তিগত সম্পত্তি হৈ নাথাকে। বিজ্ঞানৰ পৰিধি
এনেদৰে বৰ্দ্ধিত হৈ যোৱাৰ লগে লগে সমাজৰ সকলো মানুহে বিজ্ঞানৰ দ্বাৰা উপকৃত
হয় আৰু জনসাধাৰণে সক্ৰিয় আৰু সচেতন ভাবে বিজ্ঞানক ব্যৱহাৰ কৰিবলৈ লোৱাৰ
ফলত বিজ্ঞানৰো অভূতপূৰ্ব বিকাশ হয়।

দ্বন্দ্বমূলক বস্তুবাদী দৃষ্টিভঙ্গিৰে জ্ঞানৰ বিকাশ সম্পৰ্কে আলোচনা কৰাৰ পাচত আমি
জগতখন পৰিবৰ্তন কৰাৰ মহত্বপূৰ্ণ কামত জ্ঞানৰ বিশেষ ভূমিকাৰ কথা আলোচনা কৰিব
লাগিব। আগেয়ে কৈ অহা হৈছে যে বিমূৰ্ত জ্ঞান বুলি কোনো বস্তু নাই। জ্ঞানক সকলো
সমাজতে মানুহে এপাত অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰি আহিছে। শ্ৰেণী বিভক্ত সমাজত শোষক
শ্ৰেণীয়ে এই অস্ত্ৰপাত নিজৰ হাতত ৰাখি শোষিত শ্ৰেণী সমূহক জ্ঞানৰ পৰা বঞ্চিত
ৰাখে আৰু নিজৰ শাসন কায়ম ৰাখিবৰ বাবে সুবিধামতে শাসিত শ্ৰেণীবোৰক এক বিশেষ
ধৰণৰ জ্ঞান দিয়ে যি ছলনাৰ বাহিৰে আন একো নহয়। ভাববাদ, যান্ত্ৰিক বস্তুবাদ এই
সকলোবোৰ মতবাদেই বিশেষ বিশেষ সমাজ-ব্যৱস্থাত শাসক শ্ৰেণীৰ হাথিয়াৰ স্বৰূপ হৈ
আহিছে। দ্বন্দ্বমূলক বস্তুবাদো এক বিশেষ শ্ৰেণী; অৰ্থাৎ সৰ্বহাৰা শ্ৰেণীৰ বাবে এপাত চোকা
অস্ত্ৰ। কিন্তু ইতিহাসত প্ৰথম বাৰৰ বাবে এই অস্ত্ৰ শ্ৰেণী শোষণৰ অস্ত্ৰ নহয়; বৰঞ্চ
.শোষণৰ অন্ত পেলাবৰ বাবে ব্যৱহাৰ কৰা অস্ত্ৰহে। কাৰণ যেতিয়া মাৰ্ক্সবাদৰ বৈপ্লবিক
চিন্তাধাৰাৰ নেতৃত্বত সৰ্বহাৰা শ্ৰেণীয়ে বিপ্লৱৰ যোগেদি শাসনভাৰ কাঢ়ি লয় তেতিয়া তেওঁ-
লোকে নিজৰ স্বাৰ্থতে সমগ্ৰ পৃথিৱীৰ পৰা শোষণ আঁতৰাবলৈ চেষ্টা কৰে। সেইবাবে
সৰ্বহাৰাৰ ৰাষ্ট্ৰৰ পৰাহে সাম্যবাদৰ প্ৰতিষ্ঠা হ'ব পাৰে আৰু মাৰ্ক্সে "কমিউনিষ্ট
মেনিফেষ্টোত" কোৱা সেই অৱস্থাৰ সৃষ্টি হ'ব পাৰে য'ত "প্ৰতিজন ব্যক্তিৰ স্বাধীন
বিকাশৰ বাবে প্ৰয়োজন সকলো ব্যক্তিৰ স্বাধীন বিকাশ"। সৰ্বহাৰাৰ ৰাষ্ট্ৰ কিয় শোষণমুক্ত
হয় সেই সম্পৰ্কে আগলৈ আলোচনা কৰা হ'ব।



দ্বন্দ্বমূলক বস্তুবাদ সৰ্বহাৰাৰ শ্ৰেণীৰ দৰ্শন; কাৰণ এই দৰ্শনে প্ৰথমবাৰৰ বাবে শোষণৰ কবলত থকা শ্ৰেণীবোৰৰ মনৰ আকাশ পোহৰ কৰিলে। সকলো বস্তু আৰু ঘটনাৰ মাজৰ সংযোগ দেখুৱাই দি এই মতবাদে প্ৰমাণিত কৰিলে যে সৰ্বহাৰা শ্ৰেণীৰ বিশেষ অৰ্থনৈতিক সমস্যা সমূহ দৰাচলতে শ্ৰেণী-বিভক্ত সমাজব্যৱস্থাৰ ফল আৰু সমাজৰ মূল শোষণৰ ভেঁটিটোৰ ৰূপান্তৰ নঘটোৱালৈকে সৰ্বহাৰাৰ কোনো সমস্যাৰে সমাধান নহয়। বিপৰীতৰ মাজৰ দ্বন্দ্বৰ নিয়মে সৰ্বহাৰা শ্ৰেণীক শিকালে যে শোষণ–ভিত্তিক সমাজ ব্যৱস্থা চিৰস্থায়ী নহয়। সমাজৰ মাজত চলি থকা দ্বন্দ্বৰ ফলতেই পৰিবৰ্তন অনিবাৰ্য্য। গতিকে শ্ৰমিক শ্ৰেণীয়ে আগভাগ লৈ সেই পৰিবৰ্তনক সৃজনমুখী কৰি তুলিলে শোষণৰ অন্ত পৰিব। পৰিবৰ্তন আৰু বিকাশৰ দ্বান্দ্বিক নিয়ম সমূহৰ পৰা সৰ্বহাৰাৰ পাৰ্টিয়ে বিপ্লৱৰ পৰিকল্পনা আৰু যো–জা প্ৰকৃত বৈজ্ঞানিক পদ্ধতিত কৰিবলৈ সক্ষম হ'ল। এনেদৰে বিভিন্ন দিশত মাৰ্ক্সবাদী দৰ্শনে সমস্ত বিশ্বৰ শোষিত শ্ৰেণীক এক হৈ শোষণৰ বিৰুদ্ধে যুঁজিবলৈ পথ দেখুৱাইছে আৰু বিশ্বৰ এক বৃহৎ অংশত এই প্ৰচেষ্টা সাফল্যমণ্ডিত কৰিছে। সেইকাৰণেই বিশ্বৰ মুক্তিকামী জনতাই যেতিয়া মাৰ্ক্সবাদী চিন্তা–ধাৰাক গ্ৰহণ কৰে তেতিয়া তেওঁলোকে সৰ্বহাৰাৰ বিপ্লৱী স্বাৰ্থৰ লগত একাত্ম হয়। মাৰ্ক্সবাদী দৰ্শনৰ এই গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা মনত ৰাখি প্ৰতিজন সক্ৰিয় কমিউনিষ্টে দ্বন্দ্বমূলক বস্তুবাদৰ মূল দাৰ্শনিক ভিত্তিটো ভালদৰে আয়ত্ত কৰাৰ প্ৰয়োজন, যাতে তেওঁ–লোকে নিজৰ কৰ্মপন্থাৰ বাবে দাৰ্শনিক ভেঁটি বিচাৰি কেতিয়াও ভুলতে শোষকৰ দৰ্শনলৈ হাত নেমেলে!

১৯৭৩ : মে' দিৱস বিশেষ সংখ্যা : মানুহ হোৱাৰ পথ দেখুৱাইছে চীনে সৰ্বহাৰাৰ বিপ্লৱ আৰু নাৰীৰ স্বাধীনতা, বুৰ্জোৱা বিপ্লৱৰ পৰা সৰ্বহাৰা বিপ্লৱলৈ। (১·০০)
১৯৭৩ : চেপ্তেম্বৰ- অক্টোবৰ : অৰ্দ্ধ সামন্তবাদ আৰু ভাৰতীয় কৃষি ব্যৱস্থা, তেলেঙ্গানাৰ সশস্ত্ৰ সংগ্ৰাম, বুৰ্জোৱা বিপ্লৱৰ পৰা সৰ্বহাৰা বিপ্লৱ, ভাববাদ আৰু বস্তুবাদ। ১·০০
১৯৭৪ ? ফেব্ৰুৱাৰী-মাৰ্চ : চিলিৰ সামৰিক অভ্যুত্থান, অৰ্দ্ধ সামন্তবাদ, দ্বন্দ্বমূলক বস্তুবাদ, নক্সালবাৰীৰ কৃষক সংগ্ৰাম। (১·০০)
১৯৭৪ : জুন - জুলাই : চীন আৰু ভাৰতৰ শিক্ষা, চোভিয়েট ইউনিয়ন আৰু সামাজিক সাম্ৰাজ্যবাদ। (১·০০)
১৯৭৪ : নৱেম্বৰ - ডিচেম্বৰ : আহোম যুগৰ সামৰিক সংগঠন, চীন আৰু ভাৰতৰ নাগ লেণ্ড : শান্তিপূৰ্ণ সমাধানে ?

OKDISCD

# আহোম যুগৰ সামৰিক সংগঠন

(যোৱা সংখ্যাৰ পিছৰ পৰা)

—মনোৰমা শৰ্ম্মা

এই আলোচনীৰ যোৱা সংখ্যাত আহোমৰ দিনৰ অৰ্থনীতি আলোচনা কৰা হৈছিল। সেই সময়ত ৰাজ্যখনৰ অৰ্থনীতি জনজাতীয় অৰ্থনীতিৰ পৰা সামন্তীয় অৰ্থনীতিলৈ ৰূপান্তৰিত হোৱাৰ পথত আছিল। অৰ্থনীতিৰ এই ৰূপান্তৰমুখী অৱস্থাটোৰ প্ৰতিফলন সেনাবাহিনীতো দেখা গৈছিল। আহোমৰ সেনাবাহিনী যে এক জনজাতীয় সেনাবাহিনীৰ সাদৃশ আছিল, আৰু মোগল সেনাবাহিনীৰ ১ নিচিনা সামন্তীয় সেনাবাহিনীৰ লগত যে ইয়াৰ কিছুমান মৌলিক পাৰ্থক্য আছিল সেই কথা প্ৰতিপন্ন কৰা হৈছে।

আহোম সেনাবাহিনীৰ সবাতোকৈ ডাঙৰ বৈশিষ্ট হ'ল এই যে ই ভাৰাতীয়া (mercenary) সৈন্যবাহিনী নাছিল। সাধৰণ কৃষক হিচাপে ঘৰ সম্পত্তি ৰক্ষা কৰাৰ স্বাভাৱিক উৎসাহ আৰু স্বতঃস্ফূৰ্ত্ত দেশ-প্ৰেমেহে তেওঁলোকক যুদ্ধত মুল প্ৰেৰণা যোগাইছিল। আহোম সেনাবাহিনীৰ এই বৈশিষ্ট্য তেওঁলোক লিপ্ত হোৱা সকলোবোৰ যুদ্ধই স্পষ্ট কৰে; কিন্তু এই বৈশিষ্ট্য অতীব স্পষ্ট হৈছে মোগলৰ বিৰুদ্ধে যুঁজত। প্ৰথমছোৱাত মিৰজুমলাৰ বিৰুদ্ধে যুঁজত আহোম সৈন্যবাহিনীয়ে কেবাবাৰো পৰাজয় স্বীকাৰ কৰিব লগীয়া হৈছিল। কিন্তু মিৰজুমলাৰ মৃত্যুৰ পাছত মোগলৰ বিৰুদ্ধে অনুষ্ঠিত হোৱা শেষ যুদ্ধ কেইখনত, বিশেষকৈ শৰাইঘাটৰ যুদ্ধত আহোম সৈন্যবাহিনীৰ আলোচ্য বৈশিষ্ট্য স্পষ্ট হৈ উঠিল। লাচিত বৰফুকণৰ নেতৃত্বত আহোম সেনাবাহিনীয়ে থন্তেকৰ ভিতৰতে গুৱাহাটীক ঘেৰি দুৰ্ভেদ্য গড় মাৰিলে; এই গড়ৰ ওপৰত তেওঁলোকে একাধিক ঠাইত টোপ হিলৈ স্থাপন কৰিলে। গড় মাৰি সেই একে সৈন্য বাহিনীয়েই শৰাইঘাটৰ নৌযুদ্ধত মোগল নৌ-বাহিনীক হুহঁকি যাবলৈ বাধ্য কৰিলে। সেয়েহে মোগল বাহিনীৰ সেনাপতি ৰামসিংহই মুগ্ধহৈ আহোম সৈনিকৰ বৈশিষ্ট্য সম্পৰ্কে মন্তব্য কৰিছিল: "প্ৰতিজন অসমীয়া সৈনিকেই নাওবাব জানে, কাঁড় মাৰিব জানে,



খাল (trenches) খান্দিব জানে, আৰু বন্দুক-বৰটোপ ব্যৱহাৰ কৰিব জানে। ভাৰতৰ অন্য কোনো ঠাইত এনে বহুগুনী সৈন্য মই দেখা নাই"। আহোম সৈনিক এজনৰ এই বহুমুখী প্ৰতিভা সম্ভৱ হৈছিল এই কাৰণেই যে যুদ্ধ চলি নথকা কালত তেওঁ সাধাৰণ খেতিয়কৰ দৰে পথাৰত খাটিব লগীয়া হৈছিল, আৰু দৈনন্দিন প্ৰয়োজনত বিবিধ কামকাজত তেওঁ দক্ষতা আয়ত্ত কৰিব লগীয়া হৈছিল। সামন্ত বাহিনী এটাৰ এজন সৈনিকে অসমীয়া সৈনিকৰ এই অৰ্থনৈতিক স্বাধীনতা উপভোগ নকৰিছিল। তেওঁ যুদ্ধ কৰিছিল কেবল দেশপ্ৰেমৰ তাগিদাত নহয়—ওপৰৱালাৰ প্ৰতি আনুগত্যৰ বাবদ, নিজে গ্ৰহণ কৰা দৰমহাৰ কাৰণে, আৰু সবাতোক ডাঙৰ কথা তেওঁ যুদ্ধ কৰিছিল কাৰণ তেওঁক সৈন্যদলত ভৰ্ত্তি কৰোৱা হৈছিল আৰু যুদ্ধৰ প্ৰশিক্ষণ দিয়া হৈছিল। সন্দেহ নাই, আনুষ্ঠানিক প্ৰশিক্ষণৰ সুফল আছে; কিন্তু এইযে ব্যক্তিগত সন্মতি-অসন্মতি নিৰ্বিচাৰে যুদ্ধ অৱশ্যেই কৰিব লাগিব বুলি এটা ধাৰণা তেওঁলোকৰ মূৰত সুমুৱাই দিয়া হয়, এই কথা-টোৱে উৎসাহ উদ্দীপনা যথেষ্ট লাঘৱ কৰে। মোগল সামন্তীয় বাহিনীৰ সেনাসকলে অধিকৃত অঞ্চলৰ বাসিন্দাসকলৰ প্ৰতি দেখুওৱা মনোভঙ্গীয়ে উক্ত মন্তব্যৰ সত্যতা প্ৰমাণ কৰে। অভিযানৰ পথত অগ্ৰসৰ হওঁতে মোগল সৈন্য এজনে ব্যক্তিগত লাভৰ প্ৰতি দৃষ্টি কোনোকালে এৰিব নোৱাৰিছিল। মোগল সেনাসকলে অধিকৃত অঞ্চলসমূহ লুট কৰিছিল, আৰু অঞ্চলসমূহৰ বাসিন্দাসকলক অত্যাচাৰ কৰিছিল। কিন্তু আহোম বাহিনীয়ে সোতৰ শতা-ব্দীৰ মধ্যভাগত ডফলা, মিৰি আৰু নগাসকলৰ বিৰুদ্ধে চলোৱা অভিযানৰ পথত যিবোৰ ৰাজ্যৰ মাজেৰে গৈছিল সেইবোৰত লুটপাট ইত্যাদি কৰাৰ কোনো লিখিত প্ৰমাণ নাই। অৱশ্যে এনে নহয় যে আহোম সেনাবাহিনীয়ে অভিযানত অগ্ৰসৰ হওঁতে লুটপাট আৰু নিষ্ঠুৰ কাৰ্য্যৰ পৰা সমূলি বিৰত আছিল। আহোম বাহিনীৰ এই ক্ষেত্ৰত কেইটিমান লক্ষ্য কৰিবলগীয়া দিশ আছে। আহোম সৈন্যদলে কেৱল শত্ৰুপক্ষৰ গাওঁ আৰু সম্প্ৰত্তিহে ধ্বংশ কৰিছিল, কাৰণ শত্ৰুপক্ষক তেওঁলোকে মানুহ বুলি গণিত্তা নকৰিছিল। শত্ৰুপক্ষৰ প্ৰতি

OKDISCD

এনে মনোভাৱ সম্ভৱতঃ জনজাতীয় সৈন্যবাহিনীৰ বৈশিষ্ট্য।[৩] তদুপৰি, আহোম বাহিনীয়ে যেতিয়া সম্পদৰ গৰাকী হৈছিল, তেতিয়া সেই সম্পদ তেওঁলোকে নিজৰ মাজতে ভগাই লৈছিল। অন্যহাতে, স্বৰ্গীয় সূৰ্য্যকুমাৰ ভূঞাৰ বিৱৰণ অনু- সৰি মিৰজুমলাই তেওঁৰ সেনাসকলক পৰাস্ত অসমৰ সম্পদ ভগাই লবলৈ অধিকাৰ দিছিল।[৪] মোগলবাহিনীৰ দৰে ডুবলিৰ দেশত আহোম বাহিনীয়েও ৰণ দিব লগীয়া হোৱা হলে তেওলোকে পৰাস্ত দেশৰ সম্পদৰ ক্ষেত্ৰত কেনে ব্যৱস্থা ল'লেহেঁতেন সেই কথা থাটাং কৈ কব নোৱাৰি।

চুবুৰীয়া জনজাতিসমূহৰ সৈতে আহোম সৈন্যদলৰ সম্পৰ্ক কেনে চলিছিল সেই বিষয়ে বিস্তৃত বিৱৰণী পোৱা নাযায়। কিন্তু যি অলপীয়া বিৱৰণী আছে তাৰ পৰাই ধাৰণা হয় যে আহোম সৈন্যদল আৰু উক্ত জনজাতিসমূহৰ মাজত ৰাজনৈতিক কাৰণত সকলো ক্ষেত্ৰতে—বন্ধুৰ সম্পৰ্কহে প্ৰধান আছিল। আহোম সৈন্যদল আৰু চুবুৰীয়া জনজাতি সকলৰ মাজত যে শত্ৰুতামূলক সম্পৰ্ক নাছিল তাৰ স্পষ্ট প্ৰমাণ এই যে যুদ্ধৰ সময়ত বহুতো জনজাতীয় সেনাদল আহোম বাহিনীৰ লগত স্বেচ্ছাই চামিল হৈছিল। অৱশ্যে সেই সেনাবাহিনীবোৰে তেওঁলোকৰ নিজস্ব বিশিষ্ট পদ্ধতিৰেই আহোমৰ শত্ৰুৰ বিৰুদ্ধে যুঁজিছিল।[৫]

অস্ত্ৰশস্ত্ৰৰ ক্ষেত্ৰতো আহোম সৈন্যবাহিনী যিকোনো সামন্তীয় সেনাবাহিনীতকৈ বেলেগ। বিশেষ মন কৰিবলগীয়া কথা যে অস্ত্ৰশস্ত্ৰৰ ক্ষেত্ৰত আহোম সৈন্যবাহিনীয়ে কোনোকালে বিদেশী সাহায্যৰ ওপৰত নিৰ্ভৰ কৰিব নালাগিছিল। ষোল শতিকা পৰ্য্যন্ত যুদ্ধৰ অস্ত্ৰ আছিল ঘৰতে তৈয়াৰ কৰা যাঁঠী, তৰোৱাল আৰু ধেনুকঁাড়। খাছিয়া আৰু নগা পাহাৰৰ লোৰ খনিসমূহৰ পৰা প্ৰয়োজনীয় ধাতু পোৱা গৈছিল,[৬] আৰু এই ধাতুৰ পৰা অস্ত্ৰশস্ত্ৰ সাজি উলিয়াইছিল বিভিন্ন খেলসমূহে। মুছলমানৰ আক্ৰমণৰ পৰাহে অসমত খাৰ বাৰুদ ব্যৱহাৰ কৰিবলৈ লোৱা হয়। দৰাচলতে, "টোপ" শব্দটোৱেই তুৰ্কী "টোপ চি" ( অৰ্থাৎ, বাৰুদবিষয়া ) শব্দটোৰ সদৃশ।[৭] আহোমসকলে হিলৈ বৰটোপ ব্যৱহাৰ কৰিবলৈ লৈ একো অসুবিধাৰ সন্মুখীন



হোৱা নাছিল, কাৰণ বন্দুক বৰটোপ সাজিবলৈ লোৱা স্থানীয় লোকসকলে তেওঁলোকৰ নতুন শিল্পকৰ্ম্মত সঁচাকৈয়ে দক্ষতা অৰ্জ্জন কৰিলে। খাৰঘৰীয়া, ফুকন, হিলৈদাৰী বৰুৱা আদি নামেই ইঙ্গিত দিয়ে যে আহোমৰ দিনত খাৰবাৰুদ আৰু বন্দুক-বৰটোপ তৈয়াৰ কৰা কিছুমান বিশেষ খেল আছিল।[৮] মিৰজুমলাৰ লগত অহা মুছলমান লিখক চাহাবুদ্দিনে অসমীয়া লোকৰ শিল্পদক্ষতাৰ উচ্চ প্ৰশংসা কৰি লিখিছে: "তেওঁলোকে সুন্দৰ বৰটোপ আৰু বাচদাৰী ( bachador ) হিলৈ তৈয়াৰ কৰে, আৰু শিল্পকাৰ্য্যত অদ্ভুত দক্ষতাৰ পৰিচয় দিয়ে। তেওঁলোকে প্ৰথম শ্ৰেণীৰ খাৰ তৈয়াৰ কৰে; খাৰৰ বাবে প্ৰয়োজনীয় কেঁচামাল তেওঁলোকে সংগ্ৰহ কৰে ৰজাৰ অধীনস্থ অঞ্চলসমূহৰ পৰা।"[৯] এনেদৰেই, সকলো অস্ত্ৰশস্ত্ৰ পাইকসকলে নিজেই সাজি উলিয়াইছিল বাবে ৰাষ্ট্ৰই বাহিৰৰ পৰা যুদ্ধৰ সা-সৰঞ্জাম আমদানি কৰাৰ দৰে কথা নুঠিছিল। অস্ত্ৰশস্ত্ৰ স্থানীয়ভাবে তৈয়াৰ কৰা নহ'লে সেইবোৰৰ ওপৰত শাসকগোষ্ঠীৰ যি অধিকাৰ সম্ভৱ হয়, আহোম ৰজাৰ অস্ত্ৰাগাৰৰ সম্পৰ্কত তেনে অধিকাৰ নাছিল। এইটো পাইকসকলৰ কাৰণে সুবিধাৰ কথা। চৰকাৰে অস্ত্ৰনিৰ্ম্মাণৰ কাৰণে পাইকৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছিল; তাৰ মানে, ৰাইজ যুঁজৰ সঁজুলিৰ গৰাকী আছিল, আৰু আৱশ্যক হ'লে সেইবোৰ সঁজুলি আনকি ৰজাঘৰৰ বিপক্ষেই কামত লগাব পাৰিছিল। এই খিনিতে আমি এক গহীন বিষয়লৈ আহিছোঁ—এক বিশিষ্ট পদ্ধতিৰে গঠিত আহোম সৈন্যদলে প্ৰজাবিদ্ৰোহৰ সূচনা হ'লে কি কৰিছিল? মোৱামৰীয়া বিদ্ৰোহৰ[১০] আলোচনাৰ জৰিয়তে এই প্ৰশ্নৰ উত্তৰ পোৱা যাব।

মোৱামৰীয়া বিদ্ৰোহ আহোম ৰজাঘৰৰ বিৰুদ্ধে চলোৱা এটা প্ৰজা বিদ্ৰোহ, আৰু সামন্তকালীন অন্যান্য কৃষকবিদ্ৰোহৰ দৰেই মোৱামৰীয়া বিদ্ৰোহো ধৰ্ম্মবিদ্ৰোহৰ ৰূপত সংগঠিত হৈছিল। সত্ৰানুষ্ঠানৰ ঐশ্বৰ্য্য আৰু অনুগামীৰ সংখ্যা বৃদ্ধিৰ ফলস্বৰূপে বৈষ্ণৱবাদে অসমত গা কৰি উঠিলে, আৰু সত্ৰ শক্তি ৰাজশক্তিৰ সমকক্ষ হৈ উঠিল। দুটা কাৰণত পাইকসকল সত্ৰানুষ্ঠানৰ প্ৰতি আকৃষ্ট হৈছিল। সত্ৰৰ অন্তৰ্ভুক্ত হৈ পাইকসকলে ৰজাঘৰত গা-খাটনিৰ

OKDISCD

ৰূপত সামন্তীয় কৰ দিয়াৰ যি ব্যৱস্থা, তাৰ পৰা ৰক্ষা পাইছিল। সত্ৰৰ অন্তৰ্ভুক্ত হৈ পাইকসকল আধ্যাত্মিক গুৰুৰ প্ৰতি একান্ত অনুগত হৈ উঠিছিল। ৰজাৰ প্ৰতি অবাধ্যতাৰ পৰিণাম প্ৰাণহানি ; অন্যহাতে, গুৰুৰ প্ৰতি অবাধ্যতাৰ পৰিণাম মৃত্যুৰ পাছৰ মুক্তিৰ পথ৷ ৰুদ্ধ—স্বাভাৱিকতেই প্ৰথমটো শাস্তি পাইকসকলৰ কাৰণে অধিক গ্ৰহণযোগ্য আছিল। ওঠৰ শতিকাত আহোম ৰাষ্ট্ৰক্ষমতাৰ ভালেখিনি কেন্দ্ৰীয়কৰণ কৰা হয়, আৰু আহোমৰ অভিজাত সম্প্ৰদায়ে প্ৰজাৰ শ্ৰম শোষণ কৰিবলৈ লয়। এই পৰিস্থিতিত সত্ৰানুষ্ঠানৰ ভক্ত হবলৈ পাই ৰাইজে সকাহ পাইছিল। বড়া নাইবা শইকীয়া আৰু তেওঁলোকৰ পাইক এজনৰ মাজত সমতা বিৰাজ কৰিছিল বুলি কব পাৰি। নিৰ্ব্বাচনৰ ব্যৱস্থা আনুষ্ঠানিকভাৱে নাথাকিলেও পাইকসকলে কাৰ্য্যতঃ নিজৰ পচন্দ অনুসৰিয়েই কোনো এজনক বড়া বা শইকীয়া পাতিছিল আৰু ভাঙিছিল। কিন্তু লাহে লাহে ৰাজখোৱা, ফুকন, বৰুৱা আদি উচ্চ পদস্থ বিষয়াসকলে সামন্তীয় ডা-ডাঙৰীয়া সকলৰ দৰে বিলাসপূৰ্ণ জীৱন যাপন কৰিবলৈ আৰম্ভ কৰে। গতিকে সাধাৰণ ৰাইজ আৰু অভিজাত-বৰ্গৰ মাজত বিভেদ ক্ৰমাৎ বাঢ়িবলৈ ধৰে আৰু সত্ৰানুষ্ঠানবোৰৰ গোসাঁই সকলে এই বিভেদক নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰিবলৈ ধৰে। আহোম ৰাজ্যত এই সময়ত দুটা প্ৰায় সমতুল্য শক্তিয়ে একেলগে গা কৰি উঠিছিল— ৰাজশক্তি আৰু আধ্যাত্মিক শক্তি আৰু এই দুই শক্তিৰ মাজত সংঘাত অনিবাৰ্য্য হৈ পৰিছিল। সত্ৰসমূহৰ ধন-সম্পদ বৃদ্ধি হোৱাৰ লগে লগে বাঢ়ি অহা শক্তি দেখি গদাধৰ সিংহই বৈষ্ণৱ সত্ৰসমূহৰ বিৰুদ্ধে এক ব্যাপক অভিযান আৰম্ভ কৰে আৰু বহুতো মহন্তক ক্ষমতাচ্যুত কৰে। বৈষ্ণৱ সত্ৰৰ ভকতসমূহকো প্ৰখ্যাত 'ধোদৰ আলি' সজোৱাৰ কামত লগাই দিয়া হয়। ৰুদ্ৰ সিংহৰ দিনত যদিও সমন্বয়সাধনৰ কিছু চেষ্টা কৰা হ'ল তথাপি দুয়োটা শক্তিৰ মাজৰ বিৰোধৰ অন্ত পেলাব পৰা নগ'ল। এইবোৰ কাৰণতে ওঠৰ শতিকাৰ দ্বিতীয় ভাগত আহোম ৰাজ্যত গৃহযুদ্ধ আৰম্ভ হয়। বিদ্ৰোহী সকলক একগোট কৰি বান্ধি ৰখা জৰীডাল আছিল মোৱামৰীয়া সাম্প্ৰদায়িক তাৰ। বৈষ্ণৱ সকলৰ এই সম্প্ৰদায়টো যথেষ্ট জনপ্ৰিয় আছিল কাৰণ



এই সম্প্ৰদায়টো ব্ৰাহ্মণ আৰু শূদ্ৰ সকলৰ মাজত সামাজিক আৰু ধৰ্মীয় সমতা স্থাপন কৰাৰ ক্ষেত্ৰত আগৰণুৱা আছিল।

গৃহযুদ্ধৰ আৰম্ভণীয়ে আহোম ৰাজত্বৰ পতন সূচাইছিল। পাইক-সকলৰ আনুগত্য স্বাভাৱিকতে বিভক্ত হৈ পৰিছিল কাৰণ তেওঁলোকৰ ভিন-ভিন অংশই নিজ নিজ নেতাৰ পৰিচালনাত যুঁজৰ বাবে সাজু হৈছিল। মোৱামৰীয়া সম্প্ৰদায়ৰ লোকসকলে নিজৰ গোসাঁইৰ ফলীয়া হৈ যুজিবলৈ সাজু হ'ল আৰু দৰং, কামৰূপ, নগাওঁ ইত্যাদি ঠাইৰ পাইকসকলে স্থানীয় নেতাসকলৰ অধীনত বিদ্ৰোহৰ বাবে থিয় দিলে। আহোম ৰজাই দেখিবলৈ পালে যে সৈন্য বাহিনীত ভৰ্ত্তি কৰিবৰ বাবে পাইকৰ সংখ্যা তেনেই কমি গৈছে। আহোমৰ হাতত যিহেতু সামন্ততান্ত্ৰিক ৰাষ্ট্ৰৰ হাতত থকাৰ দৰে এটা স্থায়ী সৈন্যবাহিনী নাছিল, আৰু পাইকসকলৰ অস্ত্ৰ-শস্ত্ৰৰ ওপৰতো যিহেতু ৰজাৰ বিশেষ কৰ্তৃত্ব নাছিল, গতিকে এনে এটা গণবিদ্ৰোহৰ সময়ত আহোম ৰজাই স্বাভাৱিকতে বিশ্বাসী পাইকসকলৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰ কৰিবলগীয়া হৈছিল। গৌৰীনাথ সিংহ যেতিয়া ৰাজপাটত উঠে তেতিয়া এনে বিশ্বাসী পাইকৰ সংখ্যা ইমান কম আছিল যে তেওঁ উপায়বিহীন হৈ ইংৰাজৰ সাহায্য লবলৈ বাধ্য হৈছিল আৰু ফলত কেপ্টেইন ৱেল্চৰ নেতৃত্বত এটা ইংৰাজ দল অসমলৈ আহে।

গৃহযুদ্ধৰ কালছোৱাৰ পাচত আহোম সৈন্য বাহিনীটো প্ৰায় সম্পূৰ্ণভাৱে ধ্বংশপ্ৰাপ্ত হয় আৰু সেইকাৰণেই পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে সহজে উপলব্ধি কৰিলে যে এটা স্থায়ী সৈন্যবাহিনীৰ অবিহনে আহোম ৰাজ্যখন বচাই ৰখাই টান হৈ পৰিব। গতিকে তেওঁ ইংৰাজৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত চিপাহীৰ সহায়ত এটা স্থায়ী আৰু প্ৰশিক্ষিত সৈন্যবাহিনী গঠন কৰাৰ কাম হাতত লয়। এই সেনাসকলক ৰজাঘৰৰ পৰা নগদ টকাৰে বেতন দিয়া হৈছিল।

১৮২৬ চনত ইংৰাজ অহাৰ লগে লগে আহোম সৈন্যবাহিনীটো কিয় নিঃশেষপ্ৰায় হৈ পৰিছিল সেই বিষয়টো বিশেষ ভাৱে মন কৰিবলগীয়া।

OKDISCD

এটা প্ৰধান কাৰণ আছিল সেই সময়ৰ অসমৰ অৰ্থনৈতিক পৰিস্থিতিত দেখা দিয়া দ্ৰুত পৰিবৰ্ত্তনশীল অৱস্থা, ( transitory ) সামন্তীয় ভূমি সম্পৰ্ক আৰু ৰাষ্ট্ৰযন্ত্ৰত তাৰ প্ৰতিফলন লাহে লাহে স্পষ্ট হৈ আহিছিল ; কিন্তু আনহাতে, মূল জনজাতীয় ভূমি সম্পৰ্কৰ ভেটিটোত তেতিয়াও যথেষ্ট জোৰ আছিল। পাইক প্ৰথাৰ সহায়ত সৈন্যবাহিনীত সৈন্য ভৰ্ত্তি কৰাৰ নিয়মটো নতুন সামন্তীয় ধাৰণাৰ আগমনৰ লগে লগে তিষ্ঠিব নোৱাৰা হ'ল ; আৰু জন-জাতীয় প্ৰভাৱৰ বাবে প্ৰকৃত অৰ্থত সামন্তীয় সৈন্যবাহিনী এটা গঠন কৰা-টোও সম্ভৱপৰ হৈ নুঠিল। ইয়াৰোপৰি গৃহযুদ্ধৰ কালছোৱাত গোটেই খেল-প্ৰথাটোৱেই ভাগি গৈছিল আৰু মানৰ আক্ৰমণৰ পাচত ইয়াৰ ভগ্নাৱশেষহে ৰয়গৈ। গৃহযুদ্ধ আৰু মানৰ নৃশংস অত্যাচাৰৰ ফলত অসমৰ জনসংখ্যা যথেষ্ট হ্ৰাস পায়, কাৰণ বহুতোলোকে নিজৰ ঘৰ-বাৰী এৰি থৈ পলাই যায়। গতিকে এই সময়ত আহোমৰ সামৰিক প্ৰশাসনৰ ভেটিটোৱেই ভাগি পৰে। আহোম অৰ্থনীতিত নতুনকৈ হোৱা ( যদিও সীমিত ভাবে ) মুদ্ৰাৰ প্ৰচলনৰ ফলতো সেনাবাহিনীত নতুনকৈ মানুহ ভৰ্ত্তি কৰোৱা কামত বাধা পৰিল। কাৰণ, পাইকসকলে হাতত দুপইচা পালেই গা-খাটনিৰ পৰা ৰেহাই লৈ চমুৱা পাইকৰ স্বাধীনতা "কিনি লৈছিল"। সেয়েহে, আহোম ৰাজত্বৰ শেষৰ ফালে চমুৱা পাইকৰ সংখ্যা লেখতল'বলগীয়া ভাবে বৃদ্ধি পোৱা দেখা যায়। আহোম সৈন্যবাহিনীটো ধ্বংশপ্ৰাপ্ত হোৱাৰ আন এটা কাৰণ আছিল যে আহোম সৈন্যবাহিনীৰ কোনো সুপৰিচালিত প্ৰশিক্ষণ আৰু সামৰিক শৃংখলাৰ ব্যৱস্থা নাছিল ( অৱশ্যে ই গোটেই সৈন্যবাহিনীটোৰ সাংগঠনিক চৰিত্ৰৰে এটা দিশ )।

আহোম সৈন্যবাহিনীৰ বিষয়ে ইমানকে কৈ এতিয়া এই প্ৰবন্ধৰ আৰম্ভণীতে উল্লেখিত প্ৰশ্নবোৰৰ শেষৰটো প্ৰশ্ন আলোচনা কৰিব পাৰি : আধুনিক যুগৰ "গণফৌজ"ৰ ধাৰণাৰ সৈতে আহোম যুগৰ সামৰিক বাহিনীৰ কোনো দিশত সাদৃশ্য দেখা যায় নেকি ? এই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ আগতে "গণফৌজ"ৰ ( People's Army ) মূল বিশেষত্বখিনি ভাঙি ধৰাৰ প্ৰয়োজন।



গণফৌজৰ চালিকা শক্তি হ'ল এক নিৰ্দিষ্ট আদৰ্শত বিশ্বাস, আৰু এই আদৰ্শ হ'ল নিপীড়িত জনগণক শোষণৰ কবলৰ পৰা মুক্ত কৰাৰ আদৰ্শ। যিহেতু গণফৌজ প্ৰকৃত অৰ্থতে এটা জনতাৰ মুক্তি বাহিনী, গতিকে গণ-ফৌজৰ প্ৰতিজন সৈনিকেই জনগণৰ প্ৰতিনিধি। জনগণৰ একত্ৰিত শক্তিক বাস্তৱত ৰূপায়িত কৰা এই গণফৌজ কেৱল এটা সামৰিক বাহিনীয়ে নহয়। কঠোৰ পৰিশ্ৰম, শৃঙ্খলাবোধ, ৰাজনৈতিক দৃষ্টিভঙ্গীৰ স্পষ্টতা, সকলো সময়তে শত্ৰুশক্তিৰ প্ৰতি সজাগ থকা, যিকোনো কামতে দুখীয়া ৰাইজক সহায় কৰিবলৈ তৎপৰ থকা—এনেবোৰ দিশত "গণফৌজ" আৰু পৃথিবীৰ আন সকলো সামৰিক বাহিনীৰ মাজত আকাশ-পাতাল পাৰ্থক্য। ১৯৪৯ চনত মাও চে-তুঙে চীনৰ গণফৌজ সম্পৰ্কে কৈছিল, "আমাৰ সৈন্যবাহিনীটো এটা পঢ়াশালি ; আমাৰ ২১ লাখ সৈন্যৰ ফৌজটো কেইবাহাজাৰো বিশ্ববিদ্যালয় আৰু চেকেণ্ডাৰী স্কুলৰ নিচিনা। নতুন ৰাজনৈতিক কৰ্মীৰ ( cadre ) বাবে আমি আমাৰ সৈন্যবাহিনীৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব।[১১] চীনৰ গণ মুক্তি বাহিনীৰ ( P. L. A. ) সৈনিক সকলে[১২] শান্তিৰ সময়ত কেৱল সৈন্যনিবাসত সামৰিক প্ৰশিক্ষণ লৈয়েই সময় নকটায়। বিখ্যাত লেখক Edgar Snow এ চীনৰ সামৰিক বাহিনীৰ এটা ডিভিজন সম্পৰ্কে এইবুলি লিখিছে—"By a rotational system the division was cultivating about 1,700 acres of land and had built a reservoir stocked with 10 million fish. Everybody in the division was normally required to work one month a year in the fields, and one month in army shops or in state construction projects. All the vegetables and meat and "part of the grain consumed by the division was produced by its own labour, with the help of a few thousand full time resident peasant families"।[১৩] গতিকে গণমুক্তি বাহিনী অসামৰিক জনতাই দিয়া কৰৰ সহায়ত চৰ-কাৰে পালন কৰা এটা বাহিনী নহয়। ওঠৰ বছৰ বয়সত সৈন্যবাহিনীত

OKDISCD

ভৰ্তি হোৱাৰ পাচত চীনা যুৱক এজনে তিনিবছৰ কাল সৈন্যবাহিনীত কটায় আৰু তাৰ পাচত পুনৰ নিজৰ গাওঁলৈ উভতি গৈ খেতি-বাতি বা আন কামত লাগেগৈ। গতিকে গাওঁৰ পৰা যোৱা প্ৰতিজন সৈনিকেই হ'ল একজন কৃষকো আৰু কৃষিজীৱনৰ কঠোৰ পৰিশ্ৰমত অভ্যস্ত বাবে তেওঁ সৈনিক জীৱনৰ সকলো কষ্ট হেলাৰঙে গ্ৰহণ কৰিব পাৰে। গণফৌজ জনতাৰ পৰা বিচ্ছিন্ন আৰু সামাজিক উৎপাদন কাৰ্য্যত ভাগ নোলোৱা স্থায়ী সৈন্য-বাহিনী নহয়। প্ৰতিজন সৈনিকে সামাজিক উৎপাদনত নিজৰ দায়িত্ব পালন কৰে।

যদিও আহোম যুগৰ অসমীয়া সৈন্যবাহিনীৰ লগত গণফৌজৰ সাদৃশ্য বিচাৰি উলিয়াবলৈ যোৱাটো সমীচীন নহয়, কাৰণ দুয়োটা সৈন্যবাহিনী দুটা সম্পূৰ্ণ ভিন্ন যুগৰ, ভিন্ন পৰিস্থিতিৰ পৰা ওলোৱা, তথাপি এটা বিশেষ দিশত দুয়োটা সৈন্যবাহিনীৰ মিল চকুত পৰে। আহোম যুগৰ অসমীয়া সৈন্যবাহিনীটোৱেও সমাজৰ উৎপাদন প্ৰক্ৰিয়াত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু সেয়ে প্ৰতিজন অসমীয়া সৈনিকেই একো-একোজন কৃষক বা কাৰিগৰ আছিল। অৱশ্যে এয়া কেৱল আহোম সৈন্যবাহিনীৰে বৈশিষ্ট্য নাছিল। জনজাতীয় সমাজবোৰত সাধাৰণতে একেধৰণৰ সামৰিক ব্যৱস্থা চকুত পৰে কাৰণ সকলো প্ৰাচীন জনজাতীয় সমাজত দেখা যায় যে যিহেতু ব্যক্তিগত সম্পত্তিৰ ধাৰণাতকৈ উৎপাদনৰ সামাজিক মালিকানাৰ ধাৰণা অধিক শক্তি-শালী, গতিকে সমাজৰ প্ৰতিজন সক্ষম ব্যক্তিৰেই বিপদৰ সময়ত সমাজখন ৰক্ষা কৰিবলৈ অস্ত্ৰশস্ত্ৰ লৈ ওলাই অহাটো সামাজিক কৰ্ত্তব্য। সেইকাৰণে জনজাতীয় সমাজত স্থায়ী সামৰিক বাহিনী নাথাকিলেও প্ৰতিজন ব্যক্তিয়েই প্ৰকৃততে সৈনিক। আহোম যুগৰ অৰ্থনৈতিক গাঁথনিত জনজাতীয় প্ৰভাৱৰ প্ৰাধান্য আছিল বাবে আহোম সৈন্যবাহিনীতো জনজাতীয় সৈন্যবাহিনীৰ এনে কিছুমান উল্লেখযোগ্য লক্ষণ দেখিবলৈ পোৱা যায়।

অসমলৈ ইংৰাজৰ আগমনৰ লগে লগে পুৰণি অৰ্থনৈতিক ভেটি-টোৰ পৰিবৰ্তন ঘটে, কাৰণ ইংৰাজ সকলে অসমত এক নতুন ভূমি-সম্পৰ্ক



জাপি দি "ৰাষ্ট্ৰীয় সামন্তবাদ" ( State Feudalism ) প্ৰবৰ্ত্তন কৰায়। প্ৰথমতে অসমৰ মানুহে ইংৰাজ শাসনৰ শোষণ-সম্পৰ্কীয় দিশটোৰ বিষয়ে সচেতন নাছিল আৰু ভাবিছিল যে গা-খাটানৰ পৰা ৰেহাই দি ইংৰাজে অসমীয়া মানুহৰ ডাঙৰ উপকাৰ সাধিলে। সেইকাৰণে ১৮৫৭ চনত মণিৰাম দেৱানে পুৰণি আহোম সৈন্যবাহিনীটো পুনৰায় গঠন কৰা সম্ভৱো নাছিল। সেই-কাৰণেই ৰাষ্ট্ৰীয় সামন্ততান্ত্ৰিক সমাজব্যৱস্থা গঢ় লোৱাৰ লগে লগে আহোম যুগৰ সামৰিক ব্যৱস্থাৰো যৱনিকা পৰে।

পাদটীকা :—

১ —"এচীয় সামন্তযুগ"ৰ সৈন্যবাহিনীৰ প্ৰতিনিধি স্বৰূপে মোগল সৈন্যবাহিনীক লোৱা হৈছে ; কাৰণ সেই সময়ত ভাৰতৰ আন সৈন্যবাহিনীৰ তুলনাত মোগল বাহিনীয়েই সকলোতকৈ সুসংগঠিত সামন্তীয় বাহিনী আছিল।

২ —E. Gait—"A History of Assam" : Calcutta : 1967 : পৃঃ ২৫৩

৩ —জনজাতীয় গোষ্ঠী এটাৰ ক্ষেত্ৰত সভ্যসকলৰ মাজৰ পাৰস্পৰিক সম্পৰ্কই যিহেতু চূড়ান্ত, সেয়ে এটা গোষ্ঠীৰ সভ্যসকলে স্বাভাৱিকতে তেওঁ-লোকক নিজকেহে মাথোন মানুহ বুলি গণ্য কৰিছিল। অভিযানৰ পথত আগবাঢ়োতে জনজাতীয় বাহিনীয়ে শত্ৰুপক্ষক সচাঁকৈয়ে মানুহ বুলি জ্ঞান নকৰে, আৰু সেয়ে শত্ৰু অঞ্চলসমূহ তেওঁলোকে সমূলঞ্চে ধ্বংস কৰি যায়।

৪ —সূৰ্য্যকুমাৰ ভূঞা—"মীৰজুম্লাৰ অসম আক্ৰমণ" Lawyers : Gauhati : 1956. পৃ: ৫৮

৫ —Refer Dr. S. K. Bhuyan—"Anglo-Assamese Relations 1771-1826". Lawyers : Gauhati : 1974: পৃ: ৪৭,৪৮

৬ —B. Pemberton — 'Report on the Eastern Frontier of British India." Gauhati : 1966

Francis Hamilton—"An Account of Assam." Gauhati 1963

৭ —Jadunath Sarkar—"A Military History of India." Longmans : 1969 : পৃ: ১৫১

OKDISCD

৮ —Francis Hamilton—"An Account of Assam." পৃঃ ২০-২১

৯ —E. Gait—"A History of Assam" : Calcutta : 1967 : পৃঃ ১৫১। নিজা অনুবাদ।

১০ —মোৱামৰীয়া বিদ্ৰোহ সম্পৰ্কে ইয়াত বিস্তৃত ভাবে আলোচনা কৰা সম্ভৱ নহয়। গতিকে বিভিন্ন তথ্যৰ, বিশেষকৈ ডঃ অমলেন্দু গুহই এই বিষয়ে লিখা প্ৰবন্ধ পাতিৰ সহায়ত এটি চমু আভাষ ডাঙি ধৰা হৈছে।

১১ —Edgar Snow —"Red China Today" Penguin : 1970

১২ —চীণাভাষাত আজিকালি পুৰণি পিং (অৰ্থাৎ সৈনিক) শব্দৰ সলনি চান-চি শব্দটো ব্যৱহাৰ কৰে। চান-চি মানে হ'ল যুঁজাৰু।

১৩ —Edgar Snow—"Red China Today." Penguin : 1970

## প্ৰগতিশীল লেখক শিবিৰ :

যোৱা ২৯, ৩০ আৰু ৩১ মাৰ্চ তাৰিখে বৰহোলাত অসমৰ বিভিন্ন ঠাইৰ প্ৰগতিশীল লেখক-শিল্পীৰ সমাবেশত "সদৌ অসম গণতান্ত্ৰিক লেখক-শিল্পী সমাজ" নামৰ এটি সাংস্কৃতিক ফ্ৰন্ট গঠন কৰা হ'ল। ফ্ৰন্টৰ উদ্দেশ্য হ'ল সামন্তবাদী, সাম্ৰাজ্যবাদী আৰু সংশোধনবাদী অপসংস্কৃতিৰ বিৰুদ্ধে যুঁজি প্ৰগতিশীল গণসংস্কৃতিৰ প্ৰচাৰ চলোৱা আৰু জনগণৰ গণতান্ত্ৰিক অধিকাৰসমূহৰ হকে মাত মতা। ফ্ৰন্টৰ প্ৰাৰম্ভিক কাম-কাজ চলাবলৈ ৰঙাজান (তিতাবৰ)ৰ শ্ৰীপ্ৰদীপ গগৈক আহ্বায়ক হিচাবে লৈ এখন ২৭ জনীয়া তদৰ্থ কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হৈছে। উক্ত তিনি দিনীয়া অধিবেশনত অন্যান্য বিষয়ৰ আলোচনাৰ লগতে সাহিত্য-সাংবাদিকতা আদিৰ ওপৰতো আলোচনা চক্ৰ পতা হৈছিল।

অসমৰ প্ৰগতিশীল ৰাইজৰ লগতে "অঙ্গীকাৰে"ও অনুষ্ঠানটোৰ সফলতা কামনা কৰিছে।



## 'আমি জীয়াই আছো'

শ্ৰীঅজিত কুমাৰ বৰদলৈ

ইতিহাসৰ দীঘলীয়া পথ পাৰ হৈ
নগ্ন বাস্তৱ আৰু কলুষতা লৈ
আমি জীয়াই আছো,
খোজত খাগৰি ফুৰা বাটৰ ধূলিত।
প্ৰগতিৰ কপোৱা বজাহে
শোষণৰ অভিনৱ সাজে
আমাক আননী দিয়ে—
বন্য জীৱনৰ,
অপমৃত্যু— আমাৰ স্বাৰ্থৰ।
মলিনতা পঙ্কিলতা বিফলতা লৈ
জীৱন সুখৰ ছবি আঁতৰাই থৈ,
আমিতো জীয়াই আছো
জীৰ্ণ শীৰ্ণ সাজে—
শীতৰ সেমেকা ৰাতি
কুঁৱলী আঁৰত।
মুমূৰ্ষু বেদনাৰ তিতা অশ্ৰু জলে
সভ্যতাত নিতে উঠা ধাৰনীয়া ঢলে
আমাক বুৰাই দিয়ে
জীৱনৰ মাদকতা আঁতৰাই নিয়ে;
তথাপি জীয়াই আছো
শীতৰ সেমেকা ৰাতি
কুঁৱলী আঁৰত।
অনুৰ্ব্বৰা পৃথিবীৰ মাটিৰ মাজত
সভ্যতাৰ দীঘলীয়া পথৰ কাষত
আমাৰ ৰক্তেৰে ধোৱা সমাজবোৰত
শ্ৰেণীহীন সমাজৰ
মাভৈ মন্ত্ৰ,
আমাৰ কাণত বাজে
চাইৰেণ হৈ।
প্ৰগতিৰ অভিনৱ সাজে
শতিকাৰ নতুন প্ৰভাতে
আন্ধাৰ ঠেলি দিয়ে
আমাৰ কাষলে,
সমাজৰ নৱ জাগৰণ
আঁতৰি আঁতৰি যায়
বহুত দূৰলৈ।
সেয়েহে জীয়াই আছো
শীতৰ সেমেকা ৰাতি
কুঁৱলী আঁৰত।
জীৱনৰ আন্ধাৰ পথত
স্বাধীনতা, প্ৰগতি আৰু মুক্তিৰ নামত,
কোনোবা দস্যু দলে
আমাৰ প্ৰাপ্যবোৰ কাঢ়ি কাঢ়ি লয়।
(আমাৰ) জীৱন-অঙ্কুৰ জুপি সেমেকা মাটিত
লেৰেলি শুকায়।
সমাজৰ বেহুৰ মাজত
আমিবোৰ ৰণৰ সাজত—
অভিমন্যু,
শোষণৰ অগ্নিবাণে আমাক পুৰিছে
শাসনৰ নাগপাশে আমাক বান্ধিছে,
তথাপি জীয়াই আছো
শীতৰ সেমেকা ৰাতি
কুঁৱলী আঁৰত।

# সাংস্কৃতিক সমীক্ষা

—সঞ্জীব কলিতা

কলাৰ সৃষ্টি কেৱল কলাৰ বাবেই যে নহয় সেই কথা আৰু নতুন কৈ দোহাৰাৰ প্ৰয়োজন নাই। কিন্তু জীৱন সম্বন্ধেও যি সকল কলাকাৰৰ ধাৰণা পাতল তেওঁলোকৰ সৃষ্টিও প্ৰভাৱ সঞ্চাৰী হোৱাৰ আশা ক্ষীণ। বণিক সভ্যতাৰ দালালী স্বৰূপ বৰ্তমান বম্বেৱালা চিনেমাৰ ক্ষেত্ৰত অৱশ্যে এইযাৰ কথা নেখাটে। কাৰণ সিহঁতৰ দৃষ্টিত কলা পণ্যৰ বাহিৰে আন একো নহয়। গতিকেই সুগভীৰ জীৱনবোধ সিহঁতৰ বাবে আচহুৱা বস্তু। কৃষক শ্ৰমিকৰ মৰণপণ সংগ্ৰাম সিহঁতৰ বাবে আমোদৰ ৰছদ আৰু নিম্নবিত্তৰ কৰুণ ক্ষয়িষ্ণুতা টুলুঙা ভাবাবেগ মাথোন। নকৈ নোৱাৰি কলাৰ নামত চলা এই আৱৰ্জনাবোৰ যি কোনো ৰুচি থকা মানুহৰ বাবেই আতঙ্কজনক। কাৰণ এইবোৰে যে কেৱল নব্য উপনিবেশীক শোষণ কায়েম ৰখাতে সহায় কৰিছে এনে নহয় মানুহৰ নৈতিকতাৰ ওপৰতো পৰোক্ষ প্ৰত্যাহ্বান জনাইছে।

কিন্তু শ্ৰেণী সমাজত কেৱল অৱক্ষয়েই কলাৰ অন্তিম ফল নহয়। ইয়াৰ মাজতেই দায়বদ্ধ কলাকাৰৰো জন্ম হয়, যি জীৱন আৰু জগত সম্পৰ্কে বৈজ্ঞানিক দৃষ্টিভঙ্গী গ্ৰহণ কৰে— কলাকৃতিত জীৱনবোধৰ গভীৰতা ফুটাই তোলে। সেয়া আশাৰ কথা। সংখ্যাত নগন্য হলেও তেওঁলোকেই কৃষক, শ্ৰমিক মধ্যবিত্তৰ সপক্ষে কথা কওঁতা। এনেকুৱা দায়বদ্ধ কলাকাৰৰ পক্ষে বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু জীৱনবোধৰ গভীৰতা পৃথক কৰি চোৱাৰ কোনো অৱকাশ নাই। সেই কাৰণেই আইজেনষ্টাইন, পুদভকিন আদিক জনগনৰ শিল্পী বুলি স্বীকাৰ কৰা হৈছে। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ আন নাম শ্ৰেণী দৃষ্টিভঙ্গী। কেৱল গভীৰ জীৱনবোধ থাকিলেহে যে মহৎ কলাকৃতি সম্ভৱ সেয়া অনস্বীকাৰ্য্য জীৱন সম্পৰ্কে খুটিনাতিৰ জ্ঞানে তাক ৰসাল আৰু বেগবান কৰে মাথোন।

সেথ্যু পৰিচালিত 'গৰম হাৱা' নামৰ হিন্দী ছবিখন সেইবাবেই এক বিশেষ ঐতিহাসিক পটভূমিৰ প্ৰতিচ্ছবি হোৱাৰ উপৰিও জীৱন বোধেৰে ৰসাল হব পাৰিছে। যিহেতু ছবিখনৰ পৰিণতি পৰিচালকৰ ইচ্ছা সৰ্বস্বতাৰ বাহিৰত আৰু কলাগত মূল্য কেৱল নন্দন তাত্ত্বিক আস্ফালন নহয়, গতিকেই 'গৰম হাৱা'ৰ সামগ্ৰীক আবেদন আন যি কোনো হিন্দী চিনেমাতকৈ স্বাভাৱিকতেই বেলেগ। ছবিখনৰ বিষয়বস্তু এনে ধৰণৰ :

দেশ বিভাজনৰ পটভূমিত আমিনা হল অৱস্থাৰ নিৰ্মম ক্ৰীড়নক। বিভাজনে ত্যাইৰ সকলো লুটি নিলে, তিলে তিলে গঢ়ি তোলা প্ৰেম, ঘৰ বন্ধাৰ সপোন সকলো থান বান কৰি দিলে। সেই ঘা শুকাবলৈ নেপাওতেই তাই আকৌ প্ৰতাৰিত হল। এটাৰ পাচত এটা আঘাটে তাইক শিকালে ব্যক্তি জীৱনৰ নিঃস্বতা ক'ত সপোনৰ বালিঘৰ বাস্তৱৰ তুফানৰ আগত কিমান থুনুকা। নিঃস্ব আৰু ৰিক্ত আমিনাই আত্মহত্যা কৰিলে, কাৰো ইচ্ছাত নহয় কাৰো চক্ৰান্তত নহয়, অৱস্থাৰ নিৰ্মম বাধ্যবাধকতাত।



অন্যহাতে দেশ বিভাজন বা সাম্প্ৰদায়িক অসূয়াই অৰ্থনৈতিক লেনদেন ব্যাহত কৰাত আমিনাৰ দেউতাকৰ মিৰ্জা চাহাবৰ জোতা কাৰখানা বন্ধ হল। ফলত ঘৰে ঘৰোৱাহীয়ে 'হাৱেলী' এৰি বাস্তাত নামিব লগা হ'ল। আমিনা মৰিল, বৰপুতেক জীৱিকাৰ সন্ধানত পাকিস্তানলৈ গলগৈ, লগত থকা সৰুপুতেকে 'আজাদ হিন্দুস্থান'ত চাকৰি বিচাৰি হাবাথুৰি খালে। দেশৰ হিন্দু-মুছলমানৰ সম্পৰ্কত ছেকা পৰিল। চাকৰি বিচৰা, ভাত কাপোৰ বিচৰা মানুহৰ সংখ্যা হোৱা-হোৱাকৈ বাঢ়িল। আন্দোলন হ'ল, হৰতাল হ'ল, পুৰণা ঘৰৰ হাবিয়াস লৈয়ে মিৰ্জা চাহাবৰ মাক মৰিল, নিজে হিন্দুৰ হাতত মাৰ খালে। আৰু এই সকলো বিলাকৰ মাজেদি তেওঁৰ আৰু সৰু পুতেকৰ উপলব্ধি হল যে জাতি ধৰ্ম সকলো মিছা। সচাঁমাত্ৰ মানুহ আৰু মানুহৰ পেটৰ ভোক। পৰিণতিত বাপেক পুতেক দুয়ো বিক্ষুব্ধ জনতাৰ সমদলত যোগ দিলে। শ্লগান দিলে 'চাকৰী লাগে' 'ৰুটি লাগে'।

'গৰম হাৱা'ৰ কলাগত মান ওখ খাপৰ, অভিনয় নিখুত আৰু treatment সুন্দৰ। সাধাৰণ দৰ্শকৰ বাবে মৃণাল সেনৰ প্ৰতীক ("ইন্টাৰভিউ", "কলকাতা ৭১") ব্যৱহাৰ যেনে দুৰ্বোধ্য 'গৰম হাৱা'ত প্ৰতীকৰ ব্যৱহাৰ তেনে সহজ সৰল আৰু প্ৰভাৱসঞ্চাৰী। গমনোদ্যত ইঞ্জিনৰ still shot আৰু লাহে লাহে বলৰাজ চাহানীৰ গাৰ কাষেদি ট্ৰেইন খন গুচি যোৱা প্ৰথম দৃশ্যটোৱেই সুন্দৰ। জীৱিকা অথবা চাকৰিৰ তাড়ণাত আপোনজনৰ কাষৰ পৰা পাকিস্তানলৈ যাবলগা হোৱা প্ৰতিটো চৰিত্ৰ যোৱাৰ আগমুহূৰ্ত্তত তেওঁলোকৰ মনৰ ভাব বুজাবলৈ নেপথ্যত ইঞ্জিনৰ ইগ্‌নিশ্যন বঢ়া প্ৰতীকটো আৰু বৈৰুং মিঞাৰ অন্তঃযাৰ শূণ্যতা বুজাবলৈ তেওঁৰ কথাৰ লগে লগে নেপথ্যত হাত তালিৰ শব্দৰ প্ৰতীকদুটা শক্তিশালী। প্ৰেমৰ দৃশ্যসমূহ মাৰ্জিত আৰু জীৱন্ত, বিশেষকৈ জালাল আগা আৰু গীতাৰ পাৰ চৰাই উৰুৱা দৃশ্যটো। কাৱালীটোৰ সংযোজনা আৰু আবাহ সংগীত অৰ্থবহ।

দেশ বিভাজন যদি সাম্ৰাজ্যবাদী চক্ৰান্ত হয় আৰু ভাৰতীয় জাতীয় বুৰ্জোৱাৰ ক্ষয়ৰ কাৰণ দালাল পুঁজিবাদ হয়– তেনে দেশ বিভাজনে বলৰাজ চাহানীৰ স্বাধীন উদ্যোগ ধ্বংশ কৰা কথাটোৱে সাম্ৰাজ্যবাদী পুঁজিৰ হেচাত জাতীয় বুৰ্জোৱাৰ পৰাভৱৰ কথাটোকে সূচায়। শ্ৰেণী হিচাবে জাতীয় বুৰ্জোৱা বৰ্তমান যে তেনেই নিশকতীয়া আৰু তেওলোকৰ মুক্তি জনগণৰ মুক্তিৰ লগত হে জড়িত— বলৰাজ চাহানীৰ যোগেদি এই বক্তব্য পৰিচালকে ৰাখিবলৈ যত্ন কৰিছে। কবলৈ গলে 'গৰম হাৱা'ৰ সমগ্ৰ ঘটনা প্ৰবাহৰ এইটোৱেই মূল বস্তু আৰু জোৰাল দিশ।

মূল ঐতিহাসিক প্ৰবাহৰ পৰা 'গৰম হাৱা' অকণো বিচ্ছিন্ন নহয়। বৰং কব পাৰি মূল প্ৰবাহৰ ই এটা অংশ আৰু যথাযথ ভাবে দৰ্শকৰ সন্মুখত সেইখিনি তুলি দিব পৰাতে পৰিচালকৰ কৃতিত্ব। ফলত ছবিখনত ব্যক্তি আৰু ঘটনাৰ সম্পৰ্ক স্বতঃস্ফূৰ্ত্ত আৰু জীৱন্ত আন কথাত ঘটনা প্ৰবাহৰ পাৰম্পৰিক সংযোগেই ছবিখনৰ প্ৰধান উপজীব্য।

OKDISCD

দায়বদ্ধ পৰিচালক আৰু কথাছবিত বাস্তবতা কি—এই সম্পৰ্কে আমাৰ উদীয়মান চিত্ৰ নিৰ্মাতা সকলে স্যেথু আৰু 'গৰম হাৱা'ৰ পৰা নিশ্চয় দুটা কথা শিকিব পাৰে।

(২)

অন্য এক সুষ্ঠ সাংস্কৃতিক 'জিজ্ঞাসাৰ চিন দেখিবলৈ পোৱা গৈছে ডিব্ৰুগড়ৰ বিজয় সংঘই পৰিবেশন কৰা নাটকসমূহত। ব্ৰেখটৰ নাট্য ৰীতি অনুসৰণ কৰি বিজয় সংঘই ব্ৰেখটৰ 'তিন পয়চাৰ পালা', মুনিন শৰ্মাৰ 'সভ্যতাৰ সংকট'; অৰুণ মুখাৰ্জীৰ 'মাৰীচ সংবাদ' আদি মঞ্চস্থ কৰি আহিছে। অলপতে মঞ্চস্থ কৰা 'মাৰীচ সংবাদ' এনে এক সফল প্ৰচেষ্টা। 'মাৰীচ সংবাদৰ' team work ভাল, পৰিচালনা সম্পূৰ্ণ নখুঁট নহলেও স্বচ্ছন্দ।

কিন্তু ব্ৰেখটীয় নাট্য ৰীতিৰ মৰ্মবস্তু নাটকৰ মাজৰ গানখিনিৰ উপস্থাপনা 'মাৰীচ সংবাদ'ত বৰ প্ৰভাব সঞ্চাৰী নহল– যিটো আৰু অলপ যত্ন লোৱা হলেই কৰিব পৰা গ'লহেঁতেন। অবশ্যে গান কেইটাৰ সুৰ সংযোজনাৰ নতুনত্ব অনস্বীকাৰ্য্য।

তদুপৰি 'মাৰীচ সংবাদৰ পৰিবেশ সৃষ্টিও কিছু ম্লান যেন হ'ল। সেয়া আলোক নিয়ন্ত্ৰণৰ ত্ৰুটি বুলিয়েই কব লাগিব। অভিনেতা সকলৰ দুই এজনৰ অসমীয়া উচ্চাৰণত বঙ্গলুৱা ঠাঁচ বৈ গৈছে।

যিহেতু জনগণৰ স্বাৰ্থকে বিজয় সংঘই মুখ্য স্থান দিছে--- সেইবাবে দুই এটা ত্ৰুটি বিচুতি স্বত্বেও তেওঁলোকৰ প্ৰচেষ্টাৰ শলাগ লবই লাগিব। আমি আশা ৰাখিম ভৱিষ্যতে এই ত্ৰুটিসমূহ তেওঁলোকে আঁতৰ কৰিব পাৰিব

—পৰ্য্যবেক্ষক

## DECLARATION UNDER SECTION 5 OF THE PRESS AND REGISTRATION OF BOOKS. ACT. 1867.

I Shri Chiranjit Chaliha, son of Tankeswar Chaliha, aged 21 years eclare that I am the printer and publisher of ANGIKAR to be printed at the ATEICOL PRINTERS, Dibrugarh, Assam, and all Particulars in respect of the said ANGIKAR given hereunder are true to the best of my knowledge and belief

| | |
|---|---|
| 1. Title of the Journal– | ANGIKAR. |
| 2. The language in which it is to be Published– | Assamese |
| 3. Periodicity of Publication (a) Whether a daily, Bi-weekly, tri-weekly, fortnightly or otherwise– | Every two months. |
| 4. Retail selling price per copy– | Rs. 0·75 |
| 5. Publisher's Name– | Chiranjit Chaliha. |
| Nationality– | Indian. |
| Address– | Boys' Hostel (New) Block 'B' Dibrugarh University. |
| 6. Place of publication– (complete postel address) | "ANGIKAR" C/o : Udayan Misra Dibrugarh University, Assam |
| 7. Printer's Name | Chiranjit Chaliha. |
| Nationality | Indian. |
| Address | Boys' Hostel (New) Block 'B'. Dibrugarh University. |
| 8. Name of the printing press where Printing to be conducted and the true and precise description of the premises on which the press(s) is installed | ATEICOL PRINTERS, Chiring Chapari, Dibrugarh, Assam. |
| 9. Editor's name | Udayan Misra |
| 10, Owner's name | 1. Sudhir Nath 2) Chiranjit Chaliha 3) Udayan Misra |
| (a) Particulars of Individual of the firm, Co-operative Society or Association which own the magazine | "ANGIKAR GOSTHI" C/o Udayan Misra. Dept. of English, Dibrugarh University. |
| (b) Whether the owner owns any other newspaper and if so, its name, periodicity, language and place of publication | No |
| 11. Please state whether the declaration in respect of (2) New one | New one |

*Signature & Seal :*

Addl. Deputy Commissioner Dibrugarh, 7-2-73

*Signature : CHIRANJIT CHALIHA,* Printer and Publisher

OKDISCD